# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

NO. 11

THE 25TH MARCH, 1992

Price Rs. 41.00

# CONTENTS

## BUDGET SESSION

No. 11

Dated, the 25th March, 1992


| | | Page |
|---|---|---|
| (1) | Questions & Answers.......... | 1-49 |
| (2) | Voting On Demands For Grants | 50-89 |
| (3) | Announcement From the Chair | 90-108 |
| (4) | Adjournment | 108 |
| (5) | Annexures - I&II | 109-115 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Wednesday, the 25th March, 1992.

The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur with Shri. Jiba Kanta Gogoi, Speaker in the Chair.

## STARRED QUESTIONS & ANSWERS
### (To which oral replies were given)

Mr. Speaker : Now Starred Question No. 181, Hon'ble Member Shri Hemprakash Narayan.

**বিষয় ঃ 'হেমচন্দ্ৰ গোস্বামী' পথৰ আচনি।**

শ্ৰীহেমপ্ৰকাশ নাৰায়নে সুধিছে ঃ

* ১৮১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) দেৰগাওঁৰ পৰা গোলাঘাটলৈকে 'হেমচন্দ্ৰ গোস্বামী' এই ২৫ কিলোমিটাৰ ৰাষ্ট্ৰীয় পথচোৰা উন্নত কৰাৰ আচনি গ্ৰহণ কৰিছেনে ?

(খ) যদি নাই কৰা এই পথচোৰা উন্নয়নৰ বাবে খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰি ছেনে ?

শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১-৯২ চনত বাৰ্ষিক পৰিকল্পনা শিতানত ০.৩ কিঃমিঃ আৰু অসীমিত (Untied Fund) পুজিৰ অধিনত ০.৩২ কিঃমিঃ আচনি গ্ৰহণ কৰা হৈছে।

(খ) আৱশ্যকীয় পুজি পালে বাকীখিনি কাম কৰিব পৰা যাব।

* শ্ৰীহেম প্ৰকাশ নাৰায়ন ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ৰাস্তাটো অতি গুৰুত্ব পূৰ্ণ ৰাস্তা। মণিপুৰ, নাগালেণ্ড ইত্যাদি ৰাজ্যৰ পৰা অহা গধুৰ যানবাহন এই ৰাস্তাটোৰে অহা যোৱা কৰে তাৰোপৰি বি, এচ, এফ, চি, আৰ, পি, এফৰ যান-বাহন বিলাকো এই পথেৰে যাতায়ত কৰে। ইয়াৰোপৰি ৩৯ আৰু ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ লগত সংলগ্ন কৰিলে এই পথেৰে প্ৰায় ৫০ কিলোমিটাৰ পথ চমু হয়। অ' এন, জি, চিৰ গধুৰ যানবাহন এই পথেৰে চলা-ফুৰা কৰাৰ কাৰণে এই ৰাস্তাটোত ৰাইজৰ যাতায়তৰ কাৰণে অসুবিধা হৈ পৰিছে কিয়নো গধুৰ যান-বাহন চলাচল কৰাৰ কাৰণে ৰাস্তাটো একেবাৰে অনুপযোগী হৈ পৰিছে। গতিকে এই ৰাস্তাটো তৎকালিন ভাৱে উন্নয়ন কৰাৰ কাৰণে ব্যৱস্থা কৰিব নে ?

* Speech not corrected

* শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো জানিয়েই কষ্ট এপ্ৰাইজেল উলিওৱা হৈছে আৰু ইয়াৰ কাৰণে ৩ কোটি ৪২ লাখ ৭৮ হাজাৰ টকা লাগিব যদিও এই বছৰ দিব পৰা নাই।

* শ্ৰীহেম প্ৰকাশ নাৰায়ন ঃ অধ্যক্ষ মহোদয়, পৰ্য্যায় ক্ৰমে হলেও এই ৰাস্তাটোৰ গুৰুত্ব উপলব্ধি কৰি ইয়াৰ উন্নিতকৰণৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবনে ? কাৰণ বহু সময়ত গধুৰ যানবাহন চলাচল কৰাৰ কাৰণে ৰাস্তাটো বেয়া হৈ গৈছে আৰু অত্যন্ত ভীৰ হোৱাৰ কাৰণে বহুত সময়ত ট্ৰেফিক জামত যানবাহন অচল হৈ পৰে।

* শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, পৰ্য্যায় ক্ৰমে কৰাৰ কথাই ভবা হৈছে আৰু সেইকাৰণে এই বছৰত ৫০ হাজাৰ টকা দিয়া হৈছে।

Mr. Speaker : Now Question No. 182, Hon'ble Member Dr. Krishna Kanta Lahkar.

**বিষয় ঃ পাঠশালাত পশু চিকিৎসালয় স্থাপন।**

ডাঃ কৃষ্ণ কান্ত লহকৰে সুধিছে ঃ

* ১৮২। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বজালী মহকুমাৰ স্নায়ুকেন্দ্ৰ পাঠশালাত পশু চিকিৎসালয়ৰ আৱশ্যকতাৰ প্ৰতি লক্ষ্য ৰাখি এখন পশু চিকিৎসালয় স্থাপন কৰিবনে ?

(খ) পাঠশালাত Regional Veterinary insemination কেন্দ্ৰ এটা স্থাপন কৰিবনে আৰু যদি স্থাপন কৰে কেতিয়ালৈ ?

(গ) পাঠশালাত পশু চিকিৎসালয়ৰ লগতে এটা গাখীৰ গোটোৱা আৰু বিতৰন কৰা কেন্দ্ৰ খুলিবনে আৰু যদি খোলে কেতিয়ালৈ ?

শ্ৰীনকুল দাস (পশুপালন মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) এইবছৰত পাঠশালাত পশুচিকিৎসালয়ৰ কোনো আচঁনি নাই।

(খ) আঞ্চলিক কৃত্ৰিম গো-প্ৰজনন কেন্দ্ৰ স্থাপনৰ কোনো প্ৰস্তাৱ এই বছৰত নাই। মহকুমা সদৰ হোৱাৰ পৰিপ্ৰেক্ষিতত অৱশ্যে পাঠশালাত দুটা অনুষ্ঠানৰ বাবে দাবী কৰা হক্ আছে। সেইয়ে অহা বছৰত এই দুটা প্ৰস্তাৱ অগ্ৰাধিকাৰ ভিত্তিত বিবেচনা কৰা হব।

(গ) পাঠশালাত বৰ্ত্তমানলৈকে দুগ্ধ উন্নয়ণ বিভাগৰ গাখীৰ সংগ্ৰহ ও বিতৰণৰ বাবে কোনো মৌলিক কাৰিকৰি গাঠনি (Infrastructure) গঠিত হোৱা নাই। সেয়েহে তাত গাখীৰ বিতৰণৰ ব্যৱস্থা তৎকালীন ভাবে লব পৰা নাযাব। হাউলীৰ দুগ্ধ সপ্ৰসাৰণ কেন্দ্ৰৰ বিস্তাৰ ঘটাৰ লগে লগে পাঠশালা আৰু ওচৰৰ ঠাইত নিয়মীয়া গাখীৰ যোগানৰ প্ৰচেষ্টা কৰা হব।

* Speech not corrected

* শ্রীকৃষ্ণ কান্ত লহকৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো কেতিয়া মানে আৰম্ভ কৰাৰ আশা আছে, জনাবনে ?

* শ্রীনকুল দাস (পশুপালন মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বিষয়টোৰ ওপৰত গুৰুত্ব আৰোপ কৰিয়েই মই অলপতে পাঠশালা, নিত্যানন্দ ইত্যাদি অঞ্চললৈ ভ্রমণ কৰিবলৈ গৈছিলো আৰু এই সম্পৰ্কত বুজ লৈছিলো। অহা বিত্তীয় বছৰত এইটো বিবেচনা কৰা হব।

* শ্রীমতী ৰেণুপমা ৰাজখোৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ সকলো ঠাইতে পশু চিকিৎসালয়ৰ ব্যৱস্থা কৰা হৈছে নে ?

* শ্রীনকুল দাস (পশুপালন মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, প্রায় সকলো ঠাইতেই পশু চিকিৎসালয় আছে। যদি কৰবাত নাই সেই বিষয়ে দৃষ্টিগোচৰ কৰিলে ব্যৱস্থা কৰা হব।

* শ্রীমতী ৰেণুপমা ৰাজখোৱা ঃ অধ্যক্ষ মহোদয়, এই সম্পৰ্কত আগতে দৃষ্টি আকৰ্ষণ কৰা হৈছে, কিন্তু হোৱা নাই।

* শ্রীনকুল দাস (পশুপালন মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, ইতিমধ্যে এই সম্পৰ্কত ব্যৱস্থা কৰা হৈছে।

Mr. Speaker : Now Question No. 183, Hon'ble Member Smti Renupama Rajkhowa.

**বিষয় ঃ কলিয়া পানী পশুফাৰ্ম।**

শ্রীমতী ৰেণুপমা ৰাজখোৱাই সুধিছে ঃ

* ১৮৩। মাননীয় পশুপালন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কলিয়া পানী পশুফাৰ্মৰ ১৯৮৭-৮৮চনৰ পৰা ১৯৯০-৯১ চনলৈ বিভিন্ন শিতানত হোৱা আয়ৰ পৰিমান কিমান ?

(খ) বিভিন্ন শিতানৰ ক্ষেত্ৰত হোৱা আয় উৰ্দ্ধগামী নে নিম্নগামী ?

(গ) যদি নিম্নগামী তেন্তে ইয়াৰ প্ৰকৃত কাৰণ কি ?

(ঘ) উক্ত ফৰ্মখনৰ উন্নতিৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে।

শ্রীনকুল দাস (পশুপালন মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৭-৮৮ চনৰ পৰা ১৯৯০-৯১ চনলৈ কলিয়া পানী পশুফাৰ্মৰ আয়ৰ পৰিমান ৯,০০,০৫৬.৯৫ টকা।

(খ) ১৯৭৮-৮৮ চনৰ তুলনাত ১৯৮৮-৮৯ চনত আয় উৰ্দ্ধগামী আৰু ১৯৮৯-৯০ আৰু ১৯৯০-৯১ চনলৈ আয়ৰ পৰিমান নিম্নগামী।

(গ) বয়সস্থ পশুধন, প্ৰজনন শক্তি হ্ৰাস, সময়মতে বয়সস্থ পশুধন আতৰাব নোৱাৰা, পানীযোগানৰ অভাৱ, ঘাহৰ অভাৱ ইত্যাদি আয় নিম্নগামী হোৱাৰ মূল কাৰণ।

* Speech not corrected

(ঘ) কৃত্ৰিম প্ৰজনন পদ্ধতি প্ৰচলনৰ পৰা গোপালনৰ গুৰুত্ব কমি আহিছে। বৰ্ত্তমানৰ এই গো পাম খনত গাহৰিৰ জাত উন্নত কৰিবৰ কাৰণে লোৱা হৈছে। সময়ত এই পামখনত গাহৰিৰ জাত উন্নত কৰিবৰ কাৰণে লোৱা হৈছে সময়ত এই পামখনত গাহৰী পামলৈ ৰূপান্তৰিত কৰাৰ কথা ভবা হৈছে।

* শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৭-৮৮ চনৰ কলিয়াপানীৰ পশু ফাৰ্মৰ আয়ৰ যিটো হিচাব দিছে সেইটো মোৰ হাতত থকা তথ্য মতে ২ লাখ ৬১ হাজাৰ ৯৮ টকা আৰু সেই দৰে ১৯৯০-৯১ চনৰ যিটো হিচাব সেই মতে ১ লাখ ৩০ হাজাৰ টকা। গতিকে মন্ত্ৰী মহোদয়ে হিচাবটো ভুলকৈ দিছে নেকি ? এই বিষয়ে জনাবনেকি ?

* শ্ৰীনকুল দাস (পশুপালন, মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, বিভাগীয় তথ্যপাতিৰ হিচাব মতেই দিয়া হৈছে। তথাপিতো মাননীয় সদস্যা গৰাকীয়ে যেতিয়া জনাইছে সেইটো চোৱা হব।

* শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ অধ্যক্ষ মহোদয়, এইটো হিচাব সেই পশু ফাৰ্মৰ পৰাই অনা হৈছে আৰু সেই কাৰণেই কৈছো।

* শ্ৰীনকুল দাস (পশুপালন মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, তেখেতৰ পৰামৰ্শটো গ্ৰহন কৰিছো, এই বিষয়ে অনুসন্ধান কৰি ব্যৱস্থা কৰা হব।

* শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ অধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্ৰী আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয় তালৈ যাওতে কলিয়াপানী ফাৰ্মখনৰ মাটি ভূমিহীন লোকক পট্টন দিয়া কথাটো সচাঁ নেকি ?

* শ্ৰীনকুল দাস (পশুপালন মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, নতুন প্ৰশ্ন কৰিলে চাব পাৰিম।

* শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ অধ্যক্ষ মহোদয়, কথাটো সেইটো নহয়, বিষয়টো ফাৰ্মৰ লগত জড়িত কথা।

* শ্ৰীনকুল দাস (পশুপালন মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই সম্পৰ্কত তথ্যপাতি বৰ্ত্তমান মোৰ হাতত নাই পিচত দিব পাৰিম।

* শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ অধ্যক্ষ মহোদয়, চৰকাৰী ফাৰ্ম এখনৰ মাটি মুখ্যমন্ত্ৰী মহোদয়ে কেনেকৈ ভূমিহীন লোকক দিছে ?

* শ্ৰীনকুল দাস (পশুপালন মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যদি সেইটো কৰিছে তেতিয়াহলে চৰকাৰে সেইটো আন্তৰিকতাৰে গ্ৰহন কৰিব।

* শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ অধ্যক্ষ মহোদয়, এখন চৰকাৰী ফাৰ্মৰ মাটি কেনেকৈ ভূমিহীন লোকক পট্টন দিয়া হৈছে, সেই বিষয়ে জনাবনে?

* শ্ৰীনকুল দাস (পশুপালন মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, সেই বিষয়ে ফাৰ্মৰ কৰ্তৃপক্ষৰ পৰা বিতং তথ্য-পাতি আনি সদনত প্লেচ কৰা হব।

---

* Speech not corrected

**Re : R.C.C. Bridge over Dessang River.**

Sri Promode Gogoi asked :

* 184 Will the Minister of P.W.D. be pleased to state :

(a) Whether the Government has decided to construct a R.C.C. Bridge over the Dessang river of Akhoiphutia under the Sibsagar P.W.D. Division.

(b) Whether the preliminary investigation and estimates have been completed?

(c) If so, whether the construction will begin during the next financial year?

Sri Golok Rajbonshi (Minister P.W.D.) replied :

a) Yes, Govt. has agreed to construct a R.C.C. Bridge over Dessang river at Akhoiphutighat under Sibsagar PWD Division.

b) Yes, preliminary investigation completed and estimate is under preparation.

c) Expected.

Mr. Speaker : Now Question No. 185, Hon'ble Member Shri Rameswar Dhanowar.

**বিষয় ঃ খনন কাৰ্য্যত কটাগছৰ সংখ্যা।**

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

* ১৮৫। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মাৰ্ঘেৰিটা কয়লা খনিয়ে কয়লা খনন কৰিবলৈ যাওঁতে ১৯৯০,৯১,৯২ চনত কিমান গছ কাটিলে?

(খ) উক্ত গছৰ বাবদ কিমান টকা চৰকাৰক ৰয়েলিটি দিছে আৰু বৰ্ত্তমান কিমান টকা আদায় পাবলৈ আছে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কোনো গছ কটা নাই।

(খ) প্ৰশ্ন নুঠে।

* শ্ৰীৰামেশ্বৰ ধানোৱাৰ ঃ চাৰ, ডিগবৈ ডিভিজনৰ লেখাপানী ৰেঞ্জৰ অধীনত মাৰ্ঘেৰিটা কয়লা

* Speech not corrected

খনি অঞ্চলৰ লালপাহাৰৰ ওচৰত কয়লা খানিবলৈ যাওঁতে ১৯৯০-৯১ চনত ৫৮ জোপা গছ কাটিছিল। ডিগবৈ ডিভিজনৰ পৰা ৰয়েল্টিৰ নটিচ জাৰি কৰা হৈছে। উক্ত টকাখিনি আদায় কৰিব নোৱাৰাটো মন্ত্ৰী মহোদয়ে জানেনে?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ ১৯৮৮-৮৯ চনত কাটিছিল।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ মাৰ্ঘেৰিটাৰ কয়লা খনিৰ ওচৰত যিখন পাহাৰ আছে তাত অপোন কাষ্ট মাইনিং চলি থকাৰ বিষয়ে অৱগতনে? যদি অৱগত, তেন্তে এই ক্ষেত্ৰত কি ব্যৱস্থা লৈছে জনাবনে?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ মই জনামতে অনুমতি পোৱা অঞ্চলত কৰি আছে অন্য ঠাইত নহয়।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ মই জনামতে অনুমতি পোৱা ঠাইৰ বাহিৰেও অন্য কিছু ঠাইত অপোন কাষ্ট মাইনিং কৰি আছে। এই ক্ষেত্ৰত কঠোৰ ব্যৱস্থা লবনে?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ তেনে ৰিপোৰ্ট মোৰ ওচৰত নাই। অনুসন্ধান কৰি ব্যৱস্থা লম।

* শ্ৰীৰামেশ্বৰ ধানোৱাৰ ঃ মই গম পোৱা মতে ৰয়েল্টিৰ বাবদ ভালেখিনি টকা পৰি আছে। এই টকা খিনি আদায় কৰাৰ কি ব্যৱস্থা লৈছে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ এই সম্পৰ্কত কেচ কৰা হৈছিল আৰু সেইমতে কিছু টকা দিছে। এতিয়া ২৭ লাখ টকা দিবলৈ বাকী আছে। এই সম্পৰ্কত ব্যৱস্থা লোৱা হৈছে।

* শ্ৰীৰামেশ্বৰ ধানোৱাৰ ঃ ইয়াৰ উপৰিও আৰু কিছু টকা পৰি আছে। গতিকে তথ্য সংগ্ৰহ কৰি সোনকালে টকাখিনি আদায় কৰাৰ ব্যৱস্থা কৰিবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ সৰ্বমুঠ ২৭ লাখ টকা আছে। এই খিনি উঠোৱাৰ ব্যৱস্থা কৰা হৈছে।

Mr. Speaker : Now Question No. 186, Hon'ble Member Shri Bhrigu Kumar Phukan.

বিষয় ঃ অসম চুক্তি।

শ্ৰীভৃগু কুমাৰ ফুকনে সুধিছে ঃ

25/3

* ১৮৬। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

অবৈধ প্ৰবজনকাৰী চিনাক্ত ন্যায়াধীকৰণ আইন খন(IMDT) বাতিল কৰিবৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক দাবী জনাবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী তথা মাননীয় মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

বৰ্ত্তমান ৰাজ্য চৰকাৰৰ এই বিষয়ে কোনো প্ৰস্তাৱ নাই।

---

* Speech not corrected

* শ্ৰীভৃগু কুমাৰ ফুকন ঃ অধ্যক্ষ মহোদয়, বিদেশী নাগৰিক চিনাক্ত কৰণ সম্পৰ্কত আই এম ডি টি এক্টখন অন্তৰায় বুলি অনুভৱ কৰেণে?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ, এই সম্পৰ্কত কিছু আপত্তি পাইছো। মই জনামতে এই আইন খনৰ ২ বছৰ আগতে কিছু সংশোধন কৰা হৈছে আৰু সেই মতে কাম চলি আছে।

* শ্ৰীভৃগু কুমাৰ ফুকন ঃ অধ্যক্ষ মহোদয়, ভাৰত চৰকাৰে অসমৰ প্ৰতি বৈযম্যমূলক আচৰণ দেখুৱাইছে। ভাৰতৰ বাবে এখন আইন আৰু অসমৰ বাবে আন এখন আইন কি উদ্দেশ্য ৰাখি প্ৰণয়ন কৰা হৈছে?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ চাৰ, বিদেশী খেদাৰ নামত যাতে ভাৰতীয় নাগৰিকক হাৰা শাস্তি নকৰে তাৰ ব্যৱস্থা কৰা হৈছে।

* শ্ৰীজয় নাথ শৰ্মা ঃ এই আইনখন ৰিপিল কৰিবৰ বাবে প্ৰয়াত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীৰ ওচৰত চৰকাৰৰ পৰা স্মাৰক পত্ৰ দিয়া হৈছিল। এইটো পুনৰ প্ৰস্তাৱ কৰিবনে?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ তেনে প্ৰস্তাৱ নাই।

* শ্ৰীজয় নাথ শৰ্মা ঃ আগৰ চৰকাৰে প্ৰস্তাৱ দিছিল। এই প্ৰস্তাৱটো বাহাল ৰাখিবনে?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ এই প্ৰস্তাৱ সমৰ্থন কৰিব নোৱাৰো।

* শ্ৰীজয় নাথ শৰ্মা ঃ এই আইনখন থকাৰ ফলত ভাৰতত থকা বিদেশী নাগৰিকক দুটা ভাগত ভাগ কৰিছে। অসমত থকা সকল অনুপ্ৰৱেশকাৰী আৰু অসমৰ বাহিৰৰ বিলাক বিদেশী। অসমৰ ক্ষেত্ৰত এইটো বৈযম্যমূলক ব্যৱস্থা লৈছে। এই আইনখন কি কাৰণত ৰিপিল কৰাৰ কথা বিবেচনা কৰিব নোৱাৰে?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অসমৰ পৰা বিদেশী খেদিবলৈ যাওঁতে যাতে ভাৰতীয় লোকক হাৰাশাস্তি নকৰে, সেই কাৰণে এই আইন কৰা হৈছে। ইতিমধ্যে যথেষ্ট অভিযোগ আছে যে বিদেশী খেদাৰ নামত বহুত ভাৰতীয় লোকৰ হাৰাশাস্তি হৈছে। সেই সকলৰ ৰক্ষণা বেক্ষণৰ কাৰণে এই আইন কৰা হৈছে।

* শ্ৰীজয় নাথ শৰ্মা ঃ এই আইনখন অসমত প্ৰযোজ্য হোৱাৰ কাৰণে ভাৰতত থকা বিদেশী নাগৰিকক দুটা ভাগত ভগোৱা হৈছে। অসমত থকা সকল হল অবৈধ অনুপ্ৰৱেশকাৰী আৰু বাহিৰৰ বিলাক বিদেশী। অসমৰ ক্ষেত্ৰত বৈযম্যমূলক ব্যৱস্থা হৈছে। অসমক চেকেণ্ড ক্লাছ প্ৰভিন্স হিচাবে দেখুৱা হৈছে। এই ক্ষেত্ৰত গোটেই ভাৰতত একে ধৰণৰ আইন কৰাত চৰকাৰৰ কি মত?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অসমত অবৈধ অনুপ্ৰৱেশকাৰীৰ যেনে সমস্যা আছে অন্য ঠাইত তেনে সমস্যা নাই। গতিকে তুলনা হব নোৱাৰে।

---

* Speech not corrected

(Starred Question Nos. 187 and 188 were lapsed)

Mr. Speaker : Now Question No. 189, Hon'ble Shri Samarendra Nath Sen.

**Re : Water Treatment Plant.**

Shri Samarendra Nath Sen asked :

* 189. Will the Minister of Public Health Engineering be pleased to state:

(a) Whether there is any scheme to start a new Water Treatment Plant for new Silchar area in Silchar Town ?

(b) If so, when ?

Shri Dinesh Prasad Goala (MInister of Public Health Engineering) replied.

(a) Not at present.

(b) Does not arise.

* Shri Samarendra Nath Sen : Is the Minister incharge aware of the fact that Deputy Commissioner, Cachar requisitioned some land in 1973 for construction of Water Treatment Plant for Silchar ?

* Shri Dinesh Prasad Goala (Minister) : No, Sir.

* Shri Samarendra Nath Sen : Whether it is a fact that a piece of land belonging to one Shri Ayubuddin Barbhuyan was requisitioned by Govt and he went to the Hon'ble High Court praying for early payment of compensation to him ?

* Shri Dinesh Prasad Goala (Minister) : It is not known to this Department since supply of water to Silchar town falls under Municipal Administration Deptt.

* Shri Samarendra Nath Sen : Whether it is a fact that the people of Silchar town are required to pay water tax inspite of the fact that they are not supplied with filter water ?

* Shri Dinesh Prasad Goala (Minister) : Sir, Public Health Engineering Deptt. is now supplying a meagre quantity i.e. about 2.50 lakhs gallons water daily to the new Silchar area through 370 street taps from existing treatment plant of Silchar Water supply Scheme.Request are coming from the inhabitants of the area and

---

* Speech not corrected

Silchar Municipality to provide atleast 1000 house connections. The proposal is under scrutiny.

* Shri Samarendra Nath Sen : Sir, is it sufficient to serve population of 50, 760 ?

* Shri Dinesh Prasad Goala (Minister) : Public Health Enginnering Deptt.feels that there is immediate need of a water supply scheme of new Silchar Town area. As urban water supply is the subject of Municipal Administration Deptt., schemes are to be executed through them.

* Shri Samarendra Nath Sen : Whether Govt. will take steps to supply water to the people of Silchar town ?

* Shri Dinesh Prasad Goala (Minister) : The scheme of supplying water to the people of urban areas fall under the Deptt. of M.A.D.

Mr. Speaker : Queation No. 190. Hon'ble Shri Ramendra Narayan Kalita.

বিষয় ঃ কাৰাগাৰ স্থানান্তৰ।

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতাই সুধিছে ঃ

* ১৯০। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গুৱাহাটীৰ মাজ মজিয়াত থকা জিলা কাৰাগাৰটো অন্য ঠাইলৈ স্থানান্তৰ কৰাৰ কথা চৰকাৰে ব্যৱস্থা কৰিছে নেকি?

(খ) যদি কৰিছে ক'ত ?

(গ) যদি কৰা নাই, তেনেহলে অন্য ঠাইলৈ স্থানান্তৰ কৰাৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, কৰা হৈছে।

(খ) জালুকবাৰী মৌজাৰ পশ্চিম বড়াগাওঁ অঞ্চললৈ।

(গ) প্ৰশ্ন নুঠে ।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে, অন্য ঠাইলৈ স্থানান্তৰ কৰা হৈছে। জালুকবাৰী মৌজাৰ পশ্চিম বড়াগাওঁ অঞ্চললৈ স্থানান্তৰ কৰাৰ সিদ্ধান্ত আজি ২ বছৰমানৰ আগতে লোৱা হৈছে। গতিকে এই বছৰৰ শিতানত জিলা কাৰাগাৰৰ নামত কিবা টকা আবন্টন দিয়া হৈছে নেকি?

---

* Speech not corrected

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ১৯৯১-৯২ চনত এই শিতানত ১০ লাখ টকা ধাৰ্য্য কৰা হৈছে। ১৯৯২ চনৰ পৰা ১৯৯৭ চনলৈ অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনাত এই শিতানত মুঠ ৩৯০ লাখ টকা ধাৰ্য্য কৰা হৈছে।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ অধ্যক্ষ মহোদয়, এই কাম এই বছৰৰ পৰা আৰম্ভ কৰিবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ কৰা হব।

* শ্ৰীআলাউদ্দিন সৰকাৰ ঃ অধ্যক্ষ মহোদয়, প্ৰায় চহৰ বিলাকেই ঘনবসতি পূৰ্ণ হৈছে। জনসংখ্যা বৃদ্ধি হৈছে। চহৰৰ মাজত থকা জিলা কাৰাগাৰ বিলাক পৰ্য্যায় ক্ৰমে স্থানান্তৰ কৰা হব নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, তেনে আচঁনি এতিয়া নাই।

Mr. Speaker : Question No. 191. Hon'ble Shri Bharat Ch. Narah.

**বিষয় ঃ গড়কাপ্তানী ৰাস্তা পকীকৰণ।**

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ

* ১৯১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ঘিলামাৰা গড়কাপ্তানী সংমণ্ডলৰ অৰ্ন্তগত সুৰেন বুঢ়াগোহাঁই গড়কাপ্তানী পথৰ ২৩,২৪ আৰু ২৫ কিলমিটাৰ পকীকৰণ কৰিবলৈ চৰকাৰে নিবিদা বন্দোবস্তি দিয়া কথাটো সচাঁ নে ?

(খ) যদি সচাঁ। বন্দোবস্তি দিয়া মতে পকীকৰণ কৰা হৈছে নে ?

শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) কেৱল মাত্ৰ ২৫ কিলোমিটাৰতহে পকীকৰণ কৰিবলৈ নিবিদা বন্দোবস্তি দিয়া হৈছে।

(খ) মাত্ৰ ২৫ কিলোমিটাৰত ২৪১২২ মিটাৰৰ পৰা ২৫০০০ মিটাৰলৈ বন্দোবস্তি দিয়ামতে কাম শেষ কৰা হৈছে।

শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ অধ্যক্ষ মহোদয়,আমাৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে কম সময়তে কৰা বুলি উত্তৰ দিছে। কিন্তু এই সমষ্টিৰ বিধায়ক হিচাবে আৰু গোটেই পঞ্চায়ত নিৰ্বাচনৰ সময়ত ১ মাহ মান ধৰি মই তাত আছিলো। মন্ত্ৰী মহোদয়ে কৈছে যে ২৫ কিলোমিটাৰত ৰাস্তা পকীকৰণ কৰা হৈছে। কিন্তু মই জনাত এতিয়াও সম্পূৰ্ণ হোৱা নাই। মন্ত্ৰী মহোদয়ে দিয়া উত্তৰ আৰু মই যিটো জানো তাৰ মাজত পাৰ্থক্য আছে । তেখেতে বিষয়া পঠিয়াই অনুসন্ধান কৰিবনে ? তেখেতে দিয়া উত্তৰটো সত্য নহয়।

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ২৪১২২ মিটাৰৰ পৰা ২৫০০০ মিটাৰ লৈকে কাম কৰা হৈছে। বাকী কাম কৰিব পৰা নাই। ৰাইজে মাটি দিয়া লৈ আপত্তি কৰিছে। মাটিৰ দিচপিউতৰ ষ্টেপ লোৱাৰ বাবে পুলিচ আৰু দিষ্ট্ৰিক্ট এদমিনিচষ্ট্ৰেচনৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে।

---

* Speech not corrected

শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ অধ্যক্ষ মহোদয়, ঘিলামাৰা গড়কাপ্তানী সংমণ্ডলৰ অৰ্ন্তগত ১৯৮৯-৯০,১৯৯০-৯১,১৯৯১-৯২ চনত প্ৰায় দুবছৰ ধৰি কিছুমান পথ পকীকৰণৰ বাবে টকা মঞ্জুৰ কৰা হৈছে আৰু নিবিদাৰো বন্দবস্তি দিয়া হৈছে। কিন্তু ঠিকাদাৰ সকলে কাম কৰা নাই। ঠিকাদাৰ সকলক গড়কাপ্তানী বিভাগৰ কাৰ্য্যবাহী অভিযন্তাই নিৰ্দ্দেশ দিয়া নাই। ঘিলামাৰা আমাৰ ঠিকাদাৰ সকলৰ কাৰণে ভু-স্বৰ্গ হৈছে। উদাহৰণস্বৰূপে জালচাৰী কেকুৰি ৰাস্তাটোৰ বাবে ১৯৯০-৯১ আৰু ১৯৯১-৯২ চনত ৬ লাখ টকা মঞ্জুৰ কৰা হৈছিল, নিবিদাৰো বন্দবস্তি কৰা হৈছিল কিন্তু আজি পৰ্য্যন্ত পকী কৰণৰ কাম আৰম্ভ কৰা নাই। ঘিলামাৰা গড়কাপ্তানী সংমণ্ডলৰ অধীনত থকা যিবিলাক ৰাস্তা পকীকৰণ কৰা বাবে টকা মঞ্জুৰ কৰা হৈছে সেই বিলাক ৰাস্তাৰ কাম কৰাৰ বাবে শীঘ্ৰে নিৰ্দ্দেশ দিবনে ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই বিষয়ে আমি বহুতো অভিযোগ পাইছো। বিধান সভা শেষ হোৱাৰ লগে লগে মই নিজে গৈ এই বিষয়ে ব্যৱস্থা লম।

Mr. Speaker : Question No. 192. Hon'ble Dr. Kamala Kalita.

**বিষয় ঃ কাৰ্য্যালয় স্থানান্তৰ।**

ডাঃ কমলা কলিতাই সুধিছে ঃ

* ১৯২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) পশ্চিম কামৰূপ বন সংমণ্ডল কাৰ্য্যালয়টো ছয়গাওঁলৈ স্থানান্তৰ কৰা হৈছিল নেকি?

(খ) বৰ্ত্তমান উক্ত কাৰ্য্যালয়টো ছয়গাওঁৰ পৰা উঠাই অনাটো সচানে?

(গ) যদি সঁচা, কেতিয়া আকৌ ছয়গাওঁলৈ স্থানান্তৰ কৰা হব?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) হয়।

(গ) এই বিষয়ে বৰ্ত্তমান চৰকাৰৰ হাতত কোনো প্ৰস্তাৱ নাই।

* ডাঃ কমলা কলিতা ঃ অধ্যক্ষ মহোদয়, পশ্চিম কামৰূপ বনসংমণ্ডল কাৰ্য্যালয়টো ছয়গাওঁৰ পৰা কিয় স্থানান্তৰ কৰা হৈছে জনাবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ১৯৮৯ চনৰ ৯ মাৰ্চ তাৰিখে চৰকাৰে চিঠিৰ যোগে পশ্চিম কামৰূপ বনসংমণ্ডল কাৰ্য্যালয়তো গুৱাহাটীৰ পৰা ছয়গাঁৱলৈ স্থানান্তৰ কৰা হৈছিল । কিন্তু তাত আৱাস গৃহ নথকা হেতুকে গুৱাহাটীৰ পৰা সৰহ সংখ্যক কৰ্মচাৰী ছয়গাৱলৈ অহা যোৱা কৰিব লগীয়া হোৱাত যথেষ্ট সমস্যাৰ সন্মুখীন হবলগীয়া হয়। সময়মতে কৰ্ত্তব্য স্থানত উপস্থিত হব নোৱাৰে। শেষত আমোলা সন্থাই দাখিল কৰা

---

* Speech not corrected

প্ৰতিবেদনৰ ভিত্তিতে এই ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে গুৱাহাটী উচ্চ ন্যায়ালয়ত বৰ্ত্তমান বিচৰাধীন হৈ আছে।

* ডাঃ কমলা কলিতা ঃ অধ্যক্ষ মহোদয়, যিবিলাক ঠাইত থকা মেলাৰ সুবিধা নোহোৱা কৰি কাৰ্য্যালয় আছে সেই সকলো বিলাক কাৰ্য্যালয় সেই ঠাইৰ পৰা গুৱাহাটীলৈ স্থানান্তৰ কৰি অনাৰ ব্যৱস্থা কৰিব নেকি?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো কৰা নহয়।

* ডাঃ কমলা কলিতা ঃ এই কাৰ্য্যালয়তো ৰাতি ২টা বজাত গোপনে কিয় স্থানান্তৰ কৰা হল জনাবনে?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই নাজানো ।

* ডাঃ কমলা কলিতা ঃ অধ্যক্ষ মহোদয়, ৰাতি দুটা বজাত অফিচ স্থনান্তৰ কৰাৰ বাবে তাত বহুতো চকী মেজ এতিয়াও পৰি থকাৰ কথাতো মন্ত্ৰী মহোদয়ে জানেনে?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ সেইটো খবৰ মোৰ হাতত নাই।

* ডাঃ কমলা কলিতা ঃ অধ্যক্ষ মহোদয়, যিটো ঘৰত এই কাৰ্য্যালয়তো আছিল, সেই ঘৰটোৰ ভাৰাৰ বাবদ যি টকা দিবলগা আছিল সেই টকা এতিয়াও নিদিয়া কথাটো সচাঁনে?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই এই বিষয়ে খবৰ কৰিব লাগিব।

Mr. Speaker : Question No. 193. Hon'ble Shri Asahaque Ali.

**বিষয় ঃ প্ৰস্তাৱিত ৰাষ্ট্ৰীয় ঘাই পথ।**

শ্ৰীএছাহক আলীয়ে সুধিছে ঃ

* ১৯৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) আমিনগাঁৱৰ পৰা হাজো বৰপেটা জনীয়া কৰাৰকুৰ হৈ উত্তৰ শালমাৰালৈ প্ৰস্তাৱিত বিকল্প ৰাষ্টীয় ঘাই পথ নিৰ্মাণ কাৰ্য্য কেতিয়াৰ পৰা আৰম্ভ হব?

(খ) উক্ত ৰাষ্টীয় ঘাই পথ অষ্টম পাঁচ বছৰীয়া পৰিকল্পনাত অৰ্ন্তভুক্ত কৰা হৈছে নে?

(গ) উত্তৰ পুব পৰিষদৰ (N.E.C.) যোগেদি উক্ত ঘাই পথ নিৰ্মান কৰা হবনে?

(ঘ) এই সম্পৰ্কে কি ব্যৱস্থা লোৱা হৈছে?

শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) তেনে কোনো অনুমোদিত প্ৰস্তাৱ নাই।

(খ) নাই হোৱা।

(গ) তেনে প্ৰস্তাৱ নাই।

(ঘ) বৰ্ত্তমান কোনো ব্যৱস্থা লোৱা নাই।

---

* Speech not corrected

* শ্ৰীএছাহক আলী ঃ অধ্যক্ষ মহোদয়, আমি প্ৰতি বছৰে প্ৰস্তাৱ ইলেকচনৰ আগে আগে পাই থাকো যে, আমিনগাঁৱৰ পৰা হাজো বৰপেটা জনীয়া কৰাৰকুৰ হৈ উত্তৰ শালমৰাঁলৈ ৰাস্তা চোৱা ৰাষ্ট্ৰীয় ঘাই পথ হব। কিয়নো নহলে আমাৰ বৰপেটাৰ লগত দাইৰেক্ট কানেকচন নাই। আমাৰ দিষ্ট্ৰিক্ট অফিচটো বৰপেটাত। তাৰোপৰি আমাৰ সংখ্যালঘু সম্প্ৰদায়ৰ মানুহো বেছি। আমাৰ সমষ্টিত যোৱা ৪০ বছৰৰ ভিতৰত মাত্ৰ ২ কিলোমিটাৰ ৰাস্তাহে পকী কৰা হৈছে। জিলা অফিচলৈ দাইৰেক্ট অহা যোৱা কাৰণে কোনো ধৰণৰ যাতায়ত ব্যৱস্থা নাই। গতিকে আমাৰ মানুহ বৰপেটালৈ অহা যোৱা কৰাতো বৰ কঠিন। আমাৰ সমষ্টিতো বৰপেটা চহৰৰ কাষে কাষে আছে। গতিকে কলগাছাৰ পৰা আহিবলগা হলে ৬০ কিলোমিটাৰ অতিৰিক্ত ৰাস্তা ঘূৰি আহিবলগা হয়।

মাননীয় অধ্যক্ষ ঃ আপুনি লেকচাৰ নিদিব। চাপ্লিমেন্টৰি সোধক। প্ৰশ্ন চৰ্ট আৰু দাইৰেক্ট হব লাগে।

* শ্ৰীএছাহক আলী ঃ অধ্যক্ষ মহোদয়, যদি এখন দলং দিয়া হয় বেকী নদীত তেনেহলে যোগাযোগৰ ব্যৱস্থা হয়। সেইটো চৰকাৰে কৰিবনে?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এটা অলটাৰনেটিভ নেচনেল হাইওৱে কৰাৰ বাবে আজি বহু দিনৰ পৰা দাবী আহি আছে। চৰকাৰে এই হাইওৱে কৰাৰ কাৰণে ৭৯.৩৩৮ কোটি টকাৰ কষ্ট প্ৰাইচ তৈয়াৰ কৰি ভাৰত চৰকাৰক দাখিল কৰিছে। ভাৰত চৰকাৰে মঞ্জুৰ কৰা নাই। তাৰ পিছত এন,ই,চিৰ ওচৰলৈ গলো তেওঁলোকেও মঞ্জুৰ কৰা নাই। গতিকে আমি ষ্টেট বাজেটৰ পৰা টকা খৰচ কৰি এটা নেচনেল হাইওৱে কৰিব নোৱাৰো।

* শ্ৰীভূপেন ৰয় ঃ অধ্যক্ষ মহোদয়, অলটাৰনেটিভ নেচনেল হাইওৱে কৰাৰ কাৰণে পুনৰ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেচা দিবনে?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, সেই সময়ত মই মন্ত্ৰী নাছিলো।

* শ্ৰীমতী ৰেনুপমা ৰাজখোৱা ঃ অধ্যক্ষ মহোদয়, যোৰহাট শিৱসাগৰ ৰাস্তাত কাকজানৰ ওচৰত এজাক বৰষুণ দিলেই ৰাস্তাৰ ওপৰেদি পানী বাগৰে। এই বিষয়ে বিভাগীয় মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা লবনেকি?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ এইটো এটা বেলেগ প্ৰশ্ন।

Mr. Speaker : Question No. 194. Hon'ble Shri Liakat Ali Khan.

বিষয় ঃ লেটাৰেল হাইওৱে ৰাস্তা।

শ্ৰীলিয়াকত আলী খানে সুধিছে ঃ

* ১৯৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উত্তৰ শালমাৰা, লেংটিশিঙা, কলগছিয়া, বৰপেটা,গুৱাহাটীৰ ৰাস্তাখন লেটাৰেল হাইওৱে কৰাৰ প্ৰস্তাৱ লোৱা হৈছিল নে?

* Speech not corrected

(খ) যদি হৈছিল, কি পৰ্য্যায়ত আছে ?

শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) প্ৰস্তাৱ লোৱা হোৱা নাই ।

(খ) প্ৰশ্ন নুঠে ।

* শ্ৰীলিয়াকত আলি খান ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো আগৰটো প্ৰশ্নৰ লগত একেই। আমি বহুত বছৰৰ আগতেই গম পাইছিলো যে বিভাগৰ ইঞ্জিনীয়াৰ গৈ এই ৰাস্তাটো জোখ-মাখ কৰি আনিছিল বা ৰাস্তাটো কৰাৰ কাৰণে কিন্তু আজিলৈকে একো কৰা হোৱা নাই। এই ৰাস্তাটো যদি নেচনেল হাইওৱে কৰা হয় তেন্তে আমাৰ গুৱাহাটী লৈ অহাৰ সময় দুঘন্টা চেভ হব। লগতে টাউনখনৰ লগত এক ভাল যোগাযোগ হব। এই ৰাস্তাটোৰ কথা মন্ত্ৰী মহোদয়ে চিন্তা কৰিবনে?

* শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ৰাজ্য চৰকাৰৰ তৰফৰ পৰা এই দাবী কৰা হৈছে কিন্তু কেন্দ্ৰীয় চৰকাৰে মনা নাই।

* শ্ৰীনগেন শৰ্মা ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যে কষ্ট এপ্ৰাইজেলটো কেতিয়াৰ?

* শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো এ,জি,পি চৰকাৰৰ দিনৰ পৰাই নেচনেল হাইওৱে কৰাৰ প্ৰস্তাৱ পৰি আছে। ৭-১০-৮৭ তাৰিখেই কষ্ট এপ্ৰাইজেল কৰা হৈছিল।

* শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাব নেকি যে নেচনেল হাইওৱেৰ কনচেন্টটো নেথাকিব নেকি?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়,একজিষ্টিং নেচনেল হাইওৱে যিটো আছে তাৰ পেৰেলেল কৰি আন এটা নেচনেল হাইৱে হব নোৱাৰে বুলি কেন্দ্ৰীয় চৰকাৰে কৈছে।

* শ্ৰীচন্দন সৰকাৰ ঃ অধ্যক্ষ মহোদয়,মাননীয় মন্ত্ৰী মহোদয়ৰ ৫ বছৰীয়া কাৰ্য্যকালত এই ৰাস্তাটো কমপ্লিট হব নেকি জনাবনে?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, টকা পালে কেৱল এইটো ৰাস্তাই নহয় আৰু বহুত ৰাস্তা কৰা হব।

* শ্ৰীঅঞ্জন দত্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে মোৰ এটা প্ৰশ্নৰ উত্তৰত কৈছে যে শিৱসাগৰৰ দিখৌ দলংখনৰ কাম অহা বিত্তীয় বছৰত আৰম্ভ কৰিব। চৰকাৰৰ হাতত বৰ্তমান টকা মজুত আছেনে নাই জনাবনে?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই প্ৰশ্নৰ সময় গৈছে। মই এতিয়া নেচনেল হাইৱেৰ কথা কৈ আছো, দিখৌ দলংৰ কথা কব নোৱাৰো।

---

* Speech not corrected

* শ্ৰীপানী ৰাম ৰাভা ঃ অধ্যক্ষ মহোদয়, বৰমা টাউনৰ বাহিৰে নেচনেল হাইৱে দিয়াৰ বাবে ৫-৬ বছৰৰ আগতেই বিভাগীয় বিষয়া সকলে চাৰ্ভে কৰিছিল। এইটো পৰিবৰ্তন কৰা হবনে, মন্ত্ৰী মহোদয়ে জনাবনে?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে চেপাৰেট নোটিচ লাগিব।

* শ্ৰীঅঞ্জন দত্ত ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে দিখৌ দলংখন গধুৰ যান বাহনৰ কাৰণে বন্ধ কৰি দিয়া হৈছে। অ', এন, জি, চিয়ে গড়কাপ্তানি বিভাগক এই দলং খনৰ কাৰণে টকা দিছে বুলি শুনিছো। এইটো সচাঁনে? এই দলংখন বন্ধ হৈ থকাৰ কাৰণে শিৱসাগৰৰ নতুন চিভিল হস্পিটেললৈ অহা যোৱা কৰাত যথেষ্ট অসুবিধা হৈছে।

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া নেচনেল হাইৱেৰ উত্তৰ দি আছো।

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ এটা বিষয়ৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো সেইটো হৈছে নলবাৰী-গুৱাহাটী, বৰপেটা-হাজো-গুৱাহাটী এই ৰাস্তাটো অসমৰ ভিতৰতেঅতি ব্যস্ত ৰাস্তা। ইয়াৰ ওপৰেদি অসংখ্য বেচৰকাৰী বাছ চলাচল কৰে। এই ৰাস্তাটোত অলপতে দুখন বাছ বাগৰি পৰি বহুতো মানুহ মৰিছে। এই ৰাস্তাটো বৰ দুৰ্বল ৰাস্তা। এই ৰাস্তাটো উন্নত কৰাৰ কাৰণে চৰকাৰে বিবেচনা কৰিবনে?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, অন্য ৰাস্তাৰ তুলনাত এই ৰাষ্টাটোৰ কাৰণে বেছি টকা দিয়া হৈছে।

Mr. Speaker : Question No. 195. Hon'ble Shri Gahin Ch. Das.

**বিষয় ঃ জনতা চৰকাৰৰ আমোলত জৰীপ আৰু অনুমোদিত ৰাস্তা।**

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে ঃ

* ১৯৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) নগাওঁ জিলাৰ ৰহা সমষ্টিৰ অৰ্ন্তগত লাউপানীৰ (কামপুৰ ৰহা P.W.D. Road ) পৰা পুহুপুৰী গাৱলৈ (ভায়া জাকৰুৱা দেউৰালি হৈ ফুল গুৰি ৰাষ্ট্ৰীয় পথ) আৰু (অন্য এটা পথ দীঘলদৰী শৰাগাওঁ হৈ ৰাষ্ট্ৰীয় পথ) এটা সংযোগী পথ নিৰ্মাণৰ বাবে পূৰ্ব্বৰ জনতা চৰকাৰৰ আমোলতে জৰীপ আৰু অনুমোদন হৈছিল। এই বিষয়ে বৰ্ত্তমান চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, এই পথটো নিৰ্মান কৰিবলৈ আচনি ললে Black topping সহ কিমান টকাৰ প্ৰয়োজন হব?

(গ) কাম কেতিয়াৰ পৰা আৰম্ভ কৰিব ?

শ্ৰীগোলোক ৰাজবংশী (গড়কীপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

---

* Speech not corrected

(ক) চৰকাৰৰ অৱগত নহয় ।

(খ) প্ৰশ্ন নুঠে ।

পথটো নিৰ্ম্মান কৰিবলৈ দলংসহ ১ কোটি ৫০ লাখ টকাৰ প্ৰয়োজন হ'ব।

(গ) পুঁজিৰ অভাৱত বৰ্ত্তমান কোনো কথা দিব পৰা নাযায়।

* শ্ৰীগহীন চন্দ্ৰ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে ৰহা সমষ্টিটো এটা বান বিধস্ত সমষ্টি। ইয়াত প্ৰায় ৬০ হেজাৰ জনসংখ্যা আছে। এই মানুহখনি নগাওঁ সদৰলৈ যাবলৈ হলে কামপুৰৰ পৰা ৭০ কিঃ মিঃ আৰু ৰহাৰ পৰা ৬০ কিঃ মিঃ যাবলগা হয়। এই ৰাস্তাটো হলে নগাওঁ চহৰ পাবলৈ মাত্ৰ ১৭ কিঃ মিঃ পথহে হ'ব। ৰাইজৰ প্ৰয়োজনৰ কথা উপলব্ধি কৰি চৰকাৰে এই ৰাস্তাটো লোৱাৰ ব্যৱস্থা কৰিবনে?

* শ্ৰীগোলোক ৰাজবংশী (গড়কীপ্তানী মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, পুঁজি সাপেক্ষে সকলো বেয়া ৰাস্তা লোৱাৰ ব্যৱস্থা কৰা হয়।

* শ্ৰীগহীন চন্দ্ৰ দাস ঃ অধ্যক্ষ মহোদয়, পুঁজি সাপেক্ষে সকলো বেয়া ৰাস্তা লোৱা হয় বুলি উত্তৰ দিছে। মন্ত্ৰী মহোদয়ে জনাবনে যে এফ,ডি,আৰৰ টকা গড়কাপ্তানি বিভাগে কি ধৰণেৰে বিতৰণ কৰে? ৰহা সমষ্টিত এই টকা দিয়া হোৱা নাই কিয়?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এফ, ডি,আৰৰ টকা আমি নিদিও, উপায়ুক্তৰ প্ৰতিবেদনৰ ওপৰত নিৰ্ভৰ কৰিহে টকা দিয়া হয়।

* শ্ৰীগহীন চন্দ্ৰ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদন আৰু মাননীয় মন্ত্ৰী মহোদয়ৰ অৱগতৰ কাৰণে মই জনাব খোজো যে ৰহা এটা সম্পূৰ্ণভাবে বানবিধস্ত সমষ্টি কিন্তু এই সমষ্টিয়ে এফ,ডি,আৰৰ টকা নেপালে। আনহাতে নগাওঁ সদৰ সমষ্টি য'ত মিউনিচিপেলিটি আছে আৰু একাংশ গাওঁ আছে কিন্তু সমূদায় টকা নগাওঁ সদৰ সমষ্টিতে খৰচ কৰা হ'ল, ৰহাই নেপালে, মন্ত্ৰী মহোদয়ৰ এই বিষয়টো অৱগতনে?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এফ,ডি,আৰৰ টকা উপায়ুক্তৰ ৰিপোৰ্ট দিয়া মতেহে বিতৰণ কৰা হয়।

* শ্ৰীগহীন চন্দ্ৰ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যে ৰহা সমষ্টিত উপায়ুক্তই টকা দিব নেলাগে বুলি ৰিপোৰ্ট দিছে নেকি? এই টকা বিতৰণত ৰাজনৈতিক স্বাৰ্থক উৰ্দ্ধত ৰখা নহয় নেকি?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, উপায়ুক্তই ৰাজনীতি নকৰে।

* শ্ৰীগহীন চন্দ্ৰ দাস ঃ এই টকা বিতৰনত বৈষম্য মূলক ভাবে বিতৰণ কৰা হয়নেকি?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, বৈষম্য মূলক ভাবে টকা বিতৰণ কৰা নহয়।

---

* Speech not corrected

Mr. Speaker : Question No. 196. Hon'ble member Smti Pramila Rani Brahma

**Re : Landless families of Kokrajhar District**

Shri mati Pramila Rani Brahma asked :

* 196. Will the Chief Minister be pleased to state :

(a) Whether it is a fact that the Government in its letter No. FRS. 373/69/Pt.I/79 dt. 19th April, 1971 allowed de-reservation of an area of land measuring 2000 (Two thousand) Bighas in pheripherie of the Chirang R.F. under Haltugaon Divn. for settlement of about two hundred landless familes of Kokrajhar District ?

(b) If so, whether notification has been issued to dereserve the land ?

(c) If not, why ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) Govt. vide letter No. FRS. 373/69/Pt.I/99 dt, 19-4-71 asked for a proposal for dereservation from the Conservator of Forest. But no order for dereservation have so far been issued.

(b) No.

(c) In view of the valuable trees available on the said land Govt. decided not to dereserve this area.

* শ্ৰীতাজেন্দ্ৰ নাৰ্জাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিছাৰিছো যে যোৱা ২০/২৫ বছৰ আগতে দিয়া ডিৰিজাৰভেচনৰ অৰডাৰটো কিয় কাৰ্যকৰি কৰা হোৱা নাই ? তাত কেনে ধৰণৰ মূল্যবান গছ আছে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো। ১৯৭১ চনতে ডিৰিজাৰ্ভ কৰিবলৈ দিয়া অৰডাৰটো কিয় কাৰ্য্যকৰি কৰা হোৱা নাই ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো বৰ পুৰণি কথা। কোকৰাঝাৰ ডিচট্ৰিক্টৰ চিৰাম ৰিজাৰ্ভ ফৰেষ্টৰ দুই হাজাৰ বিঘা মাটি ১৯৭১ চনত ডিৰিজাৰ্ভেচনৰ অৰডাৰ থকাটো কাৰ্য্যকৰি কৰিব পৰা নহ'ল। তাত ভালেমান পৰিয়াল বসবাস কৰি আছিল। তেওঁলোকক নিদি আনক দিয়াটো সম্ভৱপৰ নহয়। সেয়ে কামটো কাৰ্য্যকৰি কৰিব পৰা নগ'ল।

Shri Parameswar Brahma : This order was issued about 23 years back for settlement of 200 tribal landless people in 2000 bighas of Chirang

---

* Speech not corrected

Reserve Forest. These people have developed the land and they have been living there. It is now almost a permanent settlement . Now, whether the Govt. would on humanitarian ground consider dereservation of the said land and give permanent settlement of these landless tribal people ?

Shri Hiteswar Saikia (Chief Minister) : Mr Speaker Sir, with the introduction of the Forest Dereservation Act 1980, we have no power to deserve any Forest Reserve without obtaining the prior approval of the Govt of India. We will move to the Central Govt. for their approval.

Shri Giasuddin Ahmed : Mr. Speaker Sir, If there is any difficulty for the concerned area, whether the Govt. can consider for an alternative plan for rehabilitation of these tribal people ? Atleast this can be done. Whether the Govt. would look into the matter ?

Shri Hiteswar Saikia (Chief Minister) : Mr. Speaker Sir, at present, there is no such proposal.

* শ্ৰীভৰত নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে কনজাৰভেচন এক্ট মতে ডি-ৰিজাৰ্ভ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ অনুমতি লাগে। মাননীয় অধ্যক্ষ মহোদয়, মইও তেতিয়া বন মন্ত্ৰী আছিলো। তেতিয়া মই দেখিছো কোনো চৰকাৰৰ অনুমতি বা ৰিককগনেচন নোহোৱাকৈয়ে সেই ৰিজাৰ্ভ বিলাক ডিৰিজাৰভেচন হৈ আছে। তাত যিবিলাক পৰিয়ালে বসবাস কৰি আছে সেই সকলক কোনো দিনেই উঠোৱা সম্ভৱ নহয়। এনে ধৰণে জোনাই আদি অঞ্চলত বহুত ফৰেষ্ট আছে। তেওঁলোকে কেৱল ৰাজহ বিভাগৰ পৰা সা-সুবিধা খিনিহে পোৱা নাই। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰো যে, যিবিলাক ৰিজাৰ্ভ এই দৰে এনক্ৰোচ কৰি আছে, অৱশ্যে এই বিলাকত ট্ৰাইবেল মানুহেই বেচি তথাপি তেওঁলোক কিন্তু ভূমিহীন, সেয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি ডি-ৰিজাৰ্ভ কৰাৰ ব্যৱস্থা কৰিব লাগে যিহেতুকে ইয়াতো কংগ্ৰেছ চৰকাৰ আৰু কেন্দ্ৰটো কংগ্ৰেছ চৰকাৰ, মুখ্যমন্ত্ৰী মহোদয়ে নিজেই গৈ ফৰেষ্ট মিনিষ্টাৰৰ লগত এই বিষয়ে আলোচনা কৰিব পাৰে বুলি মোৰ ধাৰণা। ইয়াৰে যিটো আচল ছবি সেই ছবি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাঙি ধৰি এই বনাঞ্চল বিলাক ডিৰিজাৰ্ভ কৰাৰ চেষ্টা কৰিব নে?

* Speech not corrected

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে আগেও কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দৃষ্টিগোচৰ কৰা হৈছে। মই জনাত প্ৰত্যেকটো চৰকাৰেই এই বনাঞ্চল সমূহ ডিৰিজাৰ্ভ কৰিবলৈ আগবাঢ়ি গৈছে। ধেমাজী, জোনাই এই অঞ্চল বিলাক বিশেষকৈ ডিৰিজাৰ্ভ নকৰাকৈও এনক্ৰোচমেন্ট হৈ আছে। মই কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি গোচৰ কৰিছো কিন্তু কিছু অসুবিধাৰ সৃষ্টি হৈছে ডিৰিজাৰ্ভ কৰিবলৈ চেষ্টা কৰিব পাৰো।

Mr. Speaker :Now Question No. 197. Hon'ble member Sri Padmeswar Doley.

**বিষয় ঃ পথ মেৰামতি ।**

শ্ৰীপদ্মেশ্বৰ দলেই সুধিছে ঃ

* ১৯৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গত ১৯৯১ চনত হোৱা প্ৰলয়ংকাৰী বান-পানীত মাজুলী মহকুমাৰ গড়কাপ্তানীৰ প্ৰধান পথবোৰ ভাগি চিগি যোৱা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, চৰকাৰে উক্ত ভগা অংশবোৰ পুণৰ নিৰ্মানৰ কাৰণে তৎকালীন ব্যৱস্থা হাতত লৈছেনেকি ?

(গ) এনে কামৰ বাবে মহকুমাটোলৈ কিমান ধন আবন্টন দিয়া হৈছে ?

(ঘ) যদি দিয়া নাই, তেন্তে কিয় দিয়া হোৱা নাই ?

শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) জানো।

(খ) আংশিক ভাৱ লোৱা হৈছে ।

(গ) ১৪.৯৫ লাখ টকা বান বিধ্বস্ত শিতানত আবন্টন কৰা হৈছিল।

(ঘ) প্ৰশ্ন নুঠে ।

* শ্ৰীপদ্মেশ্বৰ দলে ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যোৰহাট ডিচট্ৰিক্টত ৮ লাখ টকাৰ আবন্টন দিয়া হৈছে বুলি কৈছে। তাৰ ভিতৰত মাজুলীত দুই লাখ টকা দিছে। মই ভাৱো মাজুলী বাদ দি যোৰহাট ডিভিজনৰ কোনো অৰ্থ নাই । গতিকে দুটা ডিভিজন কৰিব লাগে। চৰকাৰে ইষ্ট আৰু ওৱেষ্ট দুটা ডিভিজন কৰিব লাগে। ওৱেষ্টটো মাজুলী কৰিব পাৰে কিন্তু যোৰহাটত থাকিলে ব্ৰহ্মপুত্ৰ নৈ পাৰ হৈ অহাটো সম্ভৱপৰ নহয়। যোৱা ১৯৯১/৯২ চনৰ বানপানীত মাজুলীত এশ চিঙা হৈছে । সেই বিলাক মেৰামতি কৰিবলৈ মাত্ৰ ২ লাখ টকা যথেষ্ট হবনে ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি ডিভিজন বিলাক ওৱৰ্ক লোডৰ ওপৰত দিছো। কামৰ অনুপাতে যোৰহাটৰ ইষ্ট আৰু ওৱেষ্ট ডিভিজন কৰা হৈছে। মাজুলী

* Speech not corrected

ফ্লাড ডেমেজৰ কাৰণে তিনি কোটি টকা খৰছ কৰিব লাগিছিল। কিন্তু গোটেই অসমৰ ফ্লাড ডেমেজৰ কাৰণে গ্ৰান্ট পাইছো মাত্ৰ ২৭ কোটি টকা।

* শ্ৰীপদ্মেশ্বৰ দলে ঃ মাননীয় অধ্যক্ষ মহোদয়, কামৰ পৰিমাণ হিচাবে ওৱেষ্ট ডিভিজনটো সম্পূৰ্ণ মাজুলীত হব লাগে। এডজুকেটিত ইঞ্জিনিয়াৰ মাজুলীৰ বাবে হব লাগে। এইটো যোৰহাটত ৰখাৰ কাৰণ কি? তাৰোপৰি মন্ত্ৰী মহোদয়ে কৈছে তিনি কোটি টকা ধৰিব লাগিছিল। কিন্তু শতকৰা হিচাবত যোৰহাটতকৈ মাজুলীত বেচি বাজেট হব লাগিছিল ১৯৯১/৯২ চনত যি বানপানী হৈছিল সেই বানপানীত যিমান ক্ষতি হ'ল আজিলৈকে কোনো কাম হোৱা নাই। তাৰোপৰি আহিব ধৰা বানপানীত অৰ্থাৎ যেতিয়া মনচুন আহিব তেতিয়া কাৰ্য্যালয়ৰ কৰ্মচাৰী, ছাত্ৰ ছাত্ৰী সকলোকে ধৰি কোনেও নিজৰ নিজৰ কামত ওলাব সোমাব নোৱাৰিব। যিটো প্ৰধান আলিবাট সেইটোৱেই মেৰামতি কৰাৰ ব্যৱস্থা লোৱা হোৱা নাই। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ৰাস্তাঘাট অতি আৱশ্যকীয় যানবাহন চলিব পৰাকৈ মেৰামতি কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বানবিধ্বস্ত অঞ্চল কেৱল যে মাজুলীত আছে এনে নহয়। চাউথ শালমৰা, মৰিগাওঁ আদি অঞ্চলৰো একে অৱস্থা। আমাক বহুত টকা লাগিছিল। সেয়ে মই কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰি গোটেই ৰাজ্য খনৰ বাবে ফ্লাড ডেমেজ গ্ৰান্ট বঢ়াবলৈ চেষ্টা কৰিছো গোটেই অসমৰ কাৰণে মাত্ৰ ৩০ কোটি টকা দিছে। তাৰ পৰা ফ্লাড ডেমেজত গড়কাপ্তানী বিভাগৰ বাবে ২৭ কোটিৰ অলপ বেচি টকা দিছে। ফ্লাড ডেমেজৰ বাবে টকাটো বঢ়াই দিব লাগে বুলি কৈছো কিন্তু এতিয়ালৈকে আমি সহানুভূতি-সূচক ফল পোৱা নাই। গতিকে মাননীয় সদস্যই যিটো কথা কৈছে সেই দিশত চাবলৈ গলে মই নিজেই ফ্লাড ডেমেজ এৰিয়ালৈ গৈছো আৰু একোটা ৰাস্তা প্ৰায় ১০/১২ জেগাত ভাঙিছে। সেই অনুপাতে আমাৰ আৰ্থিক অনুদান যথেষ্ট নহয়। অহা প্লেনত অৰিজিনেল ওৰ্কক কিছুমান কৰিব পৰা হব আৰু তেতিয়া হলে কিছু ৰেহাই পাম বুলি আশা কৰিছো।

* শ্ৰীপদ্মেশ্বৰ দলে ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে আশ্বাস দিয়া কাৰণে ভাল পাইছো। মূল প্ৰশ্ন মই কব বিচাৰিছো যে পশ্চিম ডিভিজনটো মাজুলীলৈ নিয়াৰ ব্যৱস্থা কৰিব নে? পৃথিবীৰ বৃহত্তম নদী দ্বীপ মাজুলী, কলা-সংস্কৃতিৰ বৃহত্তম দ্বীপ মাজুলী অথচ এই কলা-কৃষ্টিৰ প্ৰাণকেন্দ্ৰ মাজুলীত বছৰে বছৰে পানী হৈ বিধ্বস্ত কৰি আছে। দক্ষিণ শালমাৰতো বানপানী হয়। মই জানো আমাৰ আবেদীন চাহাবে ভালকৈ জানিব। এই দুখন ঠাইতে অসমৰ বেছি বিধ্বস্ত হয়। সেই কাৰণে পশ্চিম ডিভিজনটো মাজুলীলৈ নিয়াৰ ব্যৱস্থা লব নেকি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

---

* Speech not corrected

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ বিষয়টো মই পৰীক্ষা কৰি চাম। প্ৰতিশ্ৰুতি নিদিওঁ।

* শ্ৰীনজমুল হক ঃ অধ্যক্ষ মহোদয়, বান বিধ্বস্ত অঞ্চল হিচাবে অবিভক্ত গোৱালপাৰাৰ বিষয়ে কব বিচাৰিছো। মানকাচাৰলৈ যাবলৈ হলে মেঘালয়ৰ ৰাস্তাৰে মেঘালয়ৰ মাজেদি যাব লাগে। মেঘালয় বন্ধ হলে ৰাস্তাও বন্ধ হয়। আন্তৰ্জাতিক সীমাত পৰা কাৰণে এনেকুৱা হৈছে। গতিকে গড়কাপ্তানী মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি মানকাচাৰলৈ ৰাষ্ট্ৰীয় ডিফেন্স ৰোড বা এন-ই-চিৰ ফালৰ পৰা ৰোড এটা কৰিব পাৰি নেকি চাব লাগে।

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, তেনেকুৱা প্ৰস্তাৱ আমাৰ ফালৰ পৰা গৈয়েই আছে। ইন্টাৰ ষ্টেট ৰাস্তা হিচাবেও দিয়া হৈছে। বোৰ্ডাৰ ৰোড হিচাবেও দিয়া হৈছে। ইক'নমিক ৰোড হিচাবেও দিয়া হৈছে আৰু এন-ই-চিৰ লগতো আলোচনা কৰা হৈছে এই ৰাস্তাটো দিয়াৰ কাৰণে কিন্তু বোৰ্ডাৰ ৰোড পাচটাৰ ভিতৰত তিনিটাই কাটিছে, এন-ই-চিয়ে নতুন ৰাস্তা লোৱাই নাই তথাপিও ইন্টাৰ-ষ্টেট ৰাস্তা হিচাবে বা ইক'নমিক ৰাস্তা হিচাবে লোৱাৰ কাৰণে চেষ্টা কম কৰা হোৱা নাই। কিন্তু সেই মতে সহাঁৰি পোৱা নাই।

* শ্ৰীঅঞ্জন দত্ত ঃ অধ্যক্ষ মহোদয়, দিখৌ নৈৰ কাৰণে অ'-এন-জি-চিৰ পৰা টকা দিয়াৰ কথা আছিল। সেই বিলাক পাইছেনে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ Sir, I want a separate question.

* শ্ৰীবুবুল দাস ঃ অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে বিভাগটোৰ কাৰণে দুই কোটি টকা পোৱাৰ কথা কৈছে। এনে অৱস্থাত মৰিগাওঁ জিলাৰ কাৰণে কিমান টকা এফ-ডি-আৰৰ পৰা পোৱা হৈছে জনাবনে?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ মৰিগাওঁৰ হিচাবটো বৰ্ত্তমান লগত নাই। পিচত জনাব পৰা হ'ব।

Mr. Speaker :Now Question No. 198. Hon'ble member Shri Phanibhusan Choudhury.

বিষয় ঃ কিনাৰৰ **Pipe Water Scheme.**

শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

* ১৯৮। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বঙাইগাওঁ বিধান সভা সমষ্টিৰ অন্তৰ্গত কিনাৰৰ Pipe Water Scheme টো কোন চনত মঞ্জুৰ কৰা হৈছিল ?

(খ) উক্ত আচঁনিটো বৰ্ত্তমান কি অৱস্থাত আছে ?

(গ) উক্ত পানী যোগান আচঁনিটোৰ জৰিয়তে জনসাধাৰণক বিশুদ্ধ খোৱা পানী যোগান ধৰা হবনে ?

* Speech not corrected

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮২-৮৩ চনত ।

(খ) আঁচনিটোৰ কাম প্ৰায় ৭৫ শতাংশ সম্পূৰ্ণ হৈছে ।

(গ) অহা জুন মাহৰ ভিতৰত উক্ত আঁচনিৰ যোগেদি পানী যোগান ধৰাৰ কথা কোৱা হৈছে ।

* শ্ৰীফণীভূষণ চৌধুৰী ঃ অধ্যক্ষ মহোদয়, ইয়াতে 'খ' প্ৰশ্নৰ উত্তৰ মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে আঁচনিৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। এইটো বাদ দি আচলতে কিমান অংশ সম্পূৰ্ণ কৰিবলৈ কিমান দিন লাগিব সেইটো মন্ত্ৰী মহোদয়ে জনাবনে ?

* শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী) ঃ এই আঁচনি খনৰ কাম ১৯৮৪ চনত আৰম্ভ কৰা হৈছিল। বিতৰণ আদিৰ কাম সম্পূৰ্ণ নোহোৱাৰ কাৰণে পাইপৰ কাম সম্পূৰ্ণ হোৱা স্বত্বেও কাম ভাল নহ'ল কাৰণে দীপ টিউবওৱেলৰ যোগেদি কৰাৰ ব্যৱস্থা কৰা হৈছিল। ১৯৮৭ চনতে আৰম্ভ কৰা আঁচনি ১৯৮৮ চনত শেষ কৰা কথা আছিল কিন্তু এজিটেশ্বন আদিৰ কাৰণে সম্পূৰ্ণ নহ'ল। এতিয়া কাম পুনৰ আৰম্ভ কৰা হৈছে আৰু অহা জুন মাহৰ ভিতৰতে সম্পূৰ্ণ হোৱাৰ আশা আছে।

* শ্ৰীফণীভূষণ চৌধুৰী ঃ অধ্যক্ষ মহোদয়, জুন মাহত সম্পূৰ্ণ হব নেকি জানিব বিচাৰিছো।

* শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়। হয় হব।

* শ্ৰীহিতেশ্বৰ ডেকা ঃ অধ্যক্ষ মহোদয়, বিধান সভাৰ যোৱা অধিৱেশনত জনস্বাস্থ্য বিভাগৰ মুখামন্ত্ৰী মহোদয়ৰ হাতত থকা সময়ত তেখেতে স্বীকাৰ কৰিছিল যে ৰঙিয়া সংমণ্ডলত কাৰ্য্যালয়ত ব্যাপক দুৰ্নীতি আছে সেইটো তদন্ত কৰি জনাব বুলি কৈছিল যদিও আজি পৰ্য্যন্ত সদনত জনোৱা নাই। এই সন্দৰ্ভত সদনত জনোৱাৰ ব্যৱস্থা কৰিবনে ?

* শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী) ঃ চাৰ, এইটোৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব।

* শ্ৰীচন্দন সৰকাৰ ঃ অধ্যক্ষ মহোদয়, বঙ্গাইগাওঁ জিলাত তিনিটা মহকুমা আছে। অভয়াপুৰী, বঙ্গাইগাওঁ আৰু বিজনী। এই তিনিটা মহকুমাত ১৭ টা আঁচনি আছে। মোৰ সমষ্টিটো চাৰিটা আছে অসম্পূৰ্ণ ভাৱে। এই আঁচনিৰ বিপৰীতে ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈ বিভাগৰ পৰা কিমান টকা দিছে জনাবনে ?

* শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী) ঃ ইয়াৰ কাৰণে বেলেগ প্ৰশ্নৰ প্ৰয়োজন হব।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ অধ্যক্ষ মহোদয়, মোৰ সমষ্টিটো কেইবাটাও আঁচনি আছে তাৰ ভিতৰত তথ্য মতে অৰ্থাৎ বিভাগীয় তথ্য মতে আঁচনি বিলাক সম্পূৰ্ণ হৈছে। কিন্তু উদাহৰণ হিচাবে কব পাৰো যে খানাপাৰা আঁচনিৰ কাম সম্পূৰ্ণ হোৱা নাই জনসাধাৰণে এটোপাও পানী খোৱা নাই। মন্ত্ৰী মহোদয়ে বিভাগীয় তদন্ত কৰি ইয়াৰ ব্যৱস্থা কৰিবনে ?

* Speech not corrected

* শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী) ঃ এই বিষয়ে তদন্ত কৰি ব্যৱস্থা লোৱা হব।

(Starred Question Nos. 199 & 200 could not be taken up as the Question Hour was over. However, the replies of the same deemed to have been laid on the lable of the House).

বিষয় ঃ **K.B.S.** পথ ।

শ্ৰীপানী ৰাম ৰাভাই সুধিছে ঃ

* ১৯৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰমা সমষ্টিৰ K.B.S. (P.W.D.) পথটো পকীকৰণৰ ব্যৱস্থা লবনে ?

(খ) যদি ব্যৱস্থা গ্ৰহণ কৰে কেতিয়াকৈ ?

(গ) ধমধমা কলেজলৈ যোৱা চেং নৈৰ ওপৰৰ ফুল গুৰীৰ দলংখন নিৰ্মাণৰ আঁচনি চৰকাৰৰ হাতত আছে নে ?

(ঘ) যদি নাই কেতিয়াকৈ লব ?

শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১-৯২ চনৰ বাৰ্ষিক পৰিকল্পনা (ট্ৰাইবেল চাব প্লেন)ত আংশিক ভাবে পকীকৰণৰ আঁচনি অনুমোদন কৰা হৈছে।

(খ) আংশিক পকীকৰণৰ কামৰ প্ৰক্ৰিয়া অহা মাহত আৰম্ভ কৰা হব ।

(গ) এনে আঁচনি এই বিভাগৰ হাতত বৰ্ত্তমান নাই ।

(ঘ) পুঁজি সাপেক্ষেহে কব পৰা যাব ।

বিষয় ঃ বর্ষা শুরু হওয়ার পুর্বেই বর্ণিত রাস্তা ।

শ্রীপ্রণব কুমার নাথ জিজ্ঞাসা করছেন ঃ

* ২০০। মাননীয় গড়কাপ্তানী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ?

(ক) গোবিন্দগঞ্জ-নগেন্দ্র নগর সড়ক, কায়স্থগ্রাম-ঘুবরাকোনা সড়ক নিলাম বাজার দত্ত গ্রাম সড়ক দির্ঘদিন ধরে বন্যায় ক্ষতি গ্রস্থ হয়ে যানবাহন চলাচলের অনুপযোগি, এব্যপারে সরকার অবহিত আছেন কি ?

(খ) যদি অবহিত আছেন বর্ষা সুরু হওয়ার আগে বর্ণিত রাস্তাগুলির কাজ শেষ করার জন্য প্রতিটি রাস্তায় কত টাকা করে ধার্য্য করেছেন এবং কত তারিখের ভিতর কাজ সম্পূর্ণ হবে ?

(গ) গোবিন্দগঞ্জ বাজারের নিকটবর্ত্তী স্থানে বাজারঘাট বসন্তপুর সড়কে বিগত বন্যায় ক্ষতি

গ্ৰস্থ হওয়া একটি কাঠের সেতু নির্মাণ করার জন্য (P.W.D. Communication Branch, Dispur-Letter NO CRD 22/88/222 - 9th January '92 উক্ত পত্রের মর্মমতে Executive Engineer P.W.D. (Roads) করিমগঞ্জ কি কার্য্যকরী ব্যবস্থা নিয়েছেন এবং সরকার উক্ত সেতু নির্মাণ কল্পে কত টাকা মঞ্জুর করেছেন ও কোন তারিখের ভিতর সেতু নির্মাণের কাজ সমাপ্ত হবে ?

শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়,

(খ) ১৯৯১-৯২ চনৰ এম.এনে.পি (এচ. চি. এৰিয়া) আঁচনিত গোবিন্দ গজ নগেন্দ্ৰ নগৰ পথৰ নামত ১·১১ লাখ টকা ধাৰ্য্য কৰা হৈছে।

প্ৰশ্নত উল্লেখিত কায়স্থ গ্ৰাম ঘুঘৰাকোনা নামৰ কোনো গড়কাপ্তানী ৰাস্তা নাই ।

নীলাম বজাৰ দত্ত গ্ৰাম ৰাস্তাৰ নামত বৰ্ত্তমান কোনো পুঁজি ধাৰ্য্য কৰা হোৱা নাই ।

সেই বাবে কাম সম্পূৰ্ণ কৰাৰ প্ৰশ্ন নুঠে ।

(গ) গোবিন্দগজ বজাৰৰ ওচৰৰ বজাৰঘাট বসন্তপুৰ ৰাস্তাৰ ১।১ দলং খনৰ নিৰ্মাণৰ বাবে ১·৫০ লাখ টকাৰ আঁচনি চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

## Unstarred Questions & Answers

**বিষয় ঃ অসামৰিক চিকিৎসালয়ৰ নিৰ্মাণ কাৰ্য্য ।**

শ্ৰীঅঞ্জন দত্তই সুধিছে ঃ

২৪২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) শিৱসাগৰৰ ২০০ খন বিচনাযুক্ত অসামৰিক চিকিৎসালয়খনৰ নিৰ্মাণ কাৰ্য্য এতিয়ালৈকে সম্পূৰ্ণ হোৱা নাই কিয় আৰু এই কাম কেইটা পৰ্য্যায়ত শেষ কৰাৰ আঁচনি লোৱা হৈছে?

(খ) ২০০ খন বিচনা যুক্ত অসামৰিক চিকিৎসালয়ৰ ঠিকাদাৰ সকলক কিমান টকাৰ বিলৰ ধন আদায় দিবলৈ বাকী আছে আৰু বৰ্ত্তমান এই কামকেইটা কোন ঠিকাদাৰে কৰি আছে ?

(গ) এই কাম সম্পূৰ্ণ কৰিবৰ বাবে পুনৰ নিবিদা আহবান কৰা হৈছে নেকি ?

শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) নিৰ্দ্ধাৰিত শিতানত আৱশ্যকীয় পুঁজিৰ অভাৱ হোৱাত কাম এতিয়ালৈকে সম্পূৰ্ণ হৈ উঠা নাই। এই কাম তিনিটা পৰ্য্যায়ত কৰাৰ আঁচনি লোৱা হৈছিল ।

(খ) ঠিকাদাৰ সকলক মুঠতে ৬.৭৫ লাখ টকা আদায় দিবলৈ বাকী আছে। শ্ৰীখগেন নেওগ আৰু শ্ৰীপংকজ বৰগোঁহায়ে বৰ্ত্তমানে কাম কৰি আছে ।

(গ) হয় ।

বিষয় ঃ বিদেশী নাগৰিকৰ চিনাক্ত কৰণ ।

শ্ৰীহিতেশ্বৰ ডেকাই সুধিছে ঃ

২৪৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) 'অসম চুক্তি'ৰ ৫ (৩) নং দফা অনুযায়ী ১৯৪৬ চনৰ বিদেশী নাগৰিক আইন আৰু ১৯৬৪ চনৰ বিদেশী নাগৰিক (ন্যায়াধিকৰণ) আদেশৰ ব্যৱস্থা অনুসাৰে এতিয়ালৈ কিমান বিদেশী নাগৰিক চিনাক্ত কৰা হৈছে ?

(খ) চুক্তিৰ ৫ (৪) নং দফা অনুযায়ী এনেদৰে চিনাক্ত হোৱা কিমান বিদেশীৰ নাম ১৯৩১ চনৰ বিদেশী নাগৰিকৰ নাম পঞ্জীয়ন আইন আৰু ১৯৩৯ চনৰ বিদেশী নাগৰিক পঞ্জীয়ন সংক্ৰান্ত বিধিৰ অধীনত পঞ্জীভূক্ত কৰা হৈছে আৰু কিমান বিদেশীৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিয়া হৈছে ?

(গ) চুক্তিৰ ৫ (৫) নং দফা অনুযায়ী এই উদ্দেশ্যে ভাৰত চৰকাৰে চৰকাৰী ব্যৱস্থা গ্ৰহণ কৰিছেনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী তথা মাননীয় মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২৯-২-৯২ তাৰিখলৈ মুঠ ১৬,৪৫৫ জন বিদেশী বুলি চিনাক্ত কৰা হৈছে ।

(খ) ২৯-২-৯২ তাৰিখলৈ মুঠ ৪২৮৮ জনক পঞ্জীভূক্ত কৰা হৈছে আৰু ৮৪১৩ জনৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিয়া হৈছে ।

(গ) মুঠ ১৫৯ টা তালাচী চকী স্থাপন কৰা হৈছে আৰু বৰ্ত্তমানএই সংখ্যা বঢ়োৱা হোৱা নাই। তথাপিতো সীমান্ত ৰক্ষী বাহিনীৰ আৰু নদী পথৰ ওপৰতো বিদেশী অনুপ্ৰৱেশকাৰীক বাধা প্ৰদানৰ বাবে চোকা দৃষ্টি ৰাখিবলৈ ব্যৱস্থা কৰা হৈছে ।

বিষয় ঃ ৰাস্তা জাতীয় কৰনের আঁচনি ।

শ্ৰী চিত্তেন্দ্ৰ নাথ মজুমদাৰে সুধিছে ঃ

২৪৪। মাননীয় গড়কাপ্তানী বিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাবেন কি ?

(ক) হাইলাকান্দি জেলার আন্তঃরাজ্য পৰ্ত্তু বিভাগের পাঁচগ্রাম হাইলাকান্দি লালা-কাটলীছড়া ভৈরবী-রাস্তা জাতীয়করণ করা হয়েছে কি ?

(খ) যদি জাতীয়করণ হয় থাকে ঐ তারার সংস্কারের কাজ কবে পর্য্যন্ত আরম্ভ করা হবে ?

(গ) লালা-গাগলাছড়া শিলচর পৰ্ত্তূ রাস্তার কাটাখাল নদীর উপরে গাগলাছড়ায় স্থায়ী সেতু নির্মাণ করার কোন পরিকল্পনা সরকারের আছে কি ?

(ঘ) যদি কোন পরিকল্পনা থাকে তরে তাহা রূপায়ণ করা হবে ?

শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কৰা হোৱা নাই ।

(খ) প্ৰশ্ন নুঠে ।

(গ) চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

(ঘ) বিত্তীয় অৱস্থা সুচল হলে আঁচনি অনুমোদন কৰিব পৰা যাব ।

**বিষয় ঃ ভৰলী নদীৰ ওপৰত দলং ।**

শ্ৰীকুশল চাহুই সুধিছে ঃ

২৪৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) চতিয়া সমষ্টিৰ অৰ্ন্তগত কান্দাৰি ঘাট আৰু গটা ইমাৰাত ভৰলী নদীৰ ওপৰত এখন দলং কৰাৰ প্ৰস্তাৱ চৰকাৰৰ আছেনে ?

(খ) যদি আছে, তেন্তে উক্ত দলঙৰ নিৰ্মাণ কাৰ্য্য কোন পৰিকল্পনাত আৰম্ভ হব ?

(গ) উক্ত দলঙৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন লাগিবনে ?

শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) চকীঘাট গটা ইমাৰাত (তেজপুৰ জামুগুৰি গড়কাপ্তানী পথৰ) জিয়া ভৰলী নদীৰ ওপৰত এখন পকা দলং নিৰ্মাণৰ প্ৰস্তাৱ আছে। কিন্তু প্ৰশ্নত উল্লেখিত কান্দাৰিঘাটত কোনো দলং নিৰ্মাণৰ প্ৰস্তাৱ নাই ।

(খ) উক্ত দলং নিৰ্মাণৰ প্ৰস্তাৱ অষ্টম পৰিকল্পনা আঁচনিৰ অৰ্ন্তভুক্ত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক (Ministry of Surface Transport, Govt of India) প্ৰয়োজনীয় নথি পত্ৰ যোগে প্ৰচেষ্টা চলোৱা হৈছে আৰু উক্ত আঁচনিত অৰ্ন্তভুক্ত হোৱাৰ পিছত যাৱতীয় প্ৰাককলন আদিত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন পোৱাৰ লগে লগে নিৰ্মাণ কাৰ্য্যত আগবাঢ়িব পৰা হব ।

(গ) হয়, লাগিব ।

**বষয় ঃ মেৰামতিৰ অভাৱত পৰিত্যক্ত হস্ত নলীনাদ ।**

শ্ৰীজীউৰাম বড়োৱে সুধিছে ঃ

২৪৬। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কলাইগাওঁ সমষ্টিৰ অৰ্ন্তগত জনজাতি অধ্যুষিত এলেকাৰ গাওঁবোৰত বেয়া হৈ থকা হস্ত নলীনাদ সমূহ পুনৰ মেৰামতি আৰু এনেধৰণৰ হস্ত নলীনাদ নথকা গাওঁবোৰলৈ নলপূপ আদি যোগান ধৰাৰ ব্যৱস্থা কৰিছে নেকি ?

(খ) যদি ব্যৱস্থা গ্ৰহণ কৰিছে, কেতিয়া এইবোৰ সম্পূৰ্ণ হ'ব ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয় ।

(খ) নলীনাদৰ মেৰামতি অহা বিত্তীয় বছৰত সম্পূৰ্ণ কৰিবলৈ যত্ন কৰা হৈছে আৰু আৱশ্যকীয় নতুন নলীনাদ বহুৱা কাম পৰ্য্যায়ক্ৰমে চলি থাকিব ।

**বিষয় ঃ মন্ত্ৰী চিকিৎসাৰ বাবে Escort.**

শ্ৰীযতীন মালীয়ে সুধিছে ঃ

২৪৭। মাননীয় সংসদী পৰিক্ৰমা মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মন্ত্ৰী সকলে চিকিৎসাৰ বাবে অসমৰ বাহিৰলৈ গলে লগত দুজন Escort লৈ যাব পাৰেনে ?

(খ) সকলো পৰ্য্যায়ৰ মন্ত্ৰীৰ ক্ষেত্ৰতেই প্ৰযোজ্য নে ?

(গ) ১৯৮০ চনৰ পৰা ১৯৯২ চনৰ ফেব্ৰুৱাৰী লৈ কিমান জন মন্ত্ৰীয়ে চিকিৎসাৰ সময়ত অসমৰ বাহিৰলৈ যাওঁতে দুজন Escort লগত নিছিল ?

(ঘ) কোনো মন্ত্ৰী আছে নেকি যিয়ে চিকিৎসাৰ বাবে দুজন Escort লগত লৈ গৈয়ো বৰ্ত্তমানেও পাবলগীয়া টকা খিনি পোৱা নাই ?

শ্ৰীগোলক ৰাজবংশী (সংসদী পৰিক্ৰমা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) নোৱাৰে ।

(খ) হয় ।

(গ) ১৯৮০-১৯৯২ চনৰ ভিতৰৰ কালছোৱাত কেইজন মন্ত্ৰীয়ে ৰাজ্যৰ বাহিৰলৈ চিকিৎসাৰ কাৰণে যাওঁতে দুজন দেহৰক্ষক নিছিল তাৰ কোনো তথ্য-পাতি নাই । অৱশ্যে ১৯৮৬ চনৰ জুন মাহত, ১৯৮৮ চনৰ মে মাহত আৰু ১৯৯০ চনৰ জুন মাহত স্বাস্থ্য সঞ্চালকালয়ৰ চুপাৰিশ ক্ৰমে আৰু চিকিৎসা কৰি থকা চিকিৎসকৰ প্ৰমাণ পত্ৰ আৰু ৰোগীৰ গুৰুত্তৰ অৱস্থাৰ প্ৰতি লক্ষ্য কৰি প্ৰচলিত বিধি শিথিল কৰি তিনিজন মন্ত্ৰীক দুজনকৈ দেহৰক্ষক নিবলৈ অনুমতি দিয়া হৈছিল।

(ঘ) হয়, ১৯৯০ চনৰ এপ্ৰিল মাহত এজন মন্ত্ৰীৰ ক্ষেত্ৰত এনে এটা ঘটনা ঘটা দেখা যায়। দুৰ্ভাগ্যবশতঃ এই বিষয়টো চৰকাৰৰ বিত্ত বিভাগত অনুমোদিত নহ'ল। কাৰণ উপৰোক্ত নিয়ম অনুযায়ী দুজন দেহৰক্ষক নিয়াৰ কোনো ব্যৱস্থা নাই ।

**বিষয় ঃ গড়কাপ্তানী পথৰ বাৰ্ষিক পৰিকল্পনাৰ ধন ।**

শ্ৰীনজমুল হকে সুধিছে ঃ

২৪৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৯১-১৯৯২ চনৰ বিত্তীয় বছৰত গড়কাপ্তানী (পথ) বিভাগে বাৰ্ষিক পৰিকল্পনাৰ (Annual Plan). মুঠ কিমান টকা খৰচ কৰিব আৰু এই টকাৰ কোন সমষ্টিত কিমান টকা আবন্টন দিয়া হৈছে ?

(খ) গোৱাল পাৰা সংমণ্ডলৰ কোন সমষ্টিত কিমান টকা দিয়া হৈছে ?

শ্ৰীগোলক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১-৯২ চনৰ বাৰ্ষিক পৰিকল্পনাত সাধাৰণ এলেকাত ২৯৪৫ লাখ, পাৰ্বত্য এলেকাত ৰাজ্যিক যোজনাত ১৩২৫ লাখ আৰু অতিৰিক্ত যোজনাত ১১৮৩ লাখ, মুঠ ৫৪৫৩ লাখ টকা খৰছ কৰা হয়। এই টকা সমষ্টি অনুযায়ী আৱন্তন দিয়া নহয়। সাধাৰণ এলেকাত মহকুমা ভিত্তিত আৰু পাৰ্বত্য এলেকাত জিলা ভিত্তিত আৱন্তন দিয়া হয়।

(খ) উক্ত উত্তৰৰ পৰিপ্ৰেক্ষিতত ই প্ৰযোজ্য নহয় ।

**Re : P.W.D. Road from Rangia to Bhutan.**

Shri Derhagra Musha asked :

249. Will the Minister of P.W.D. be pleased to state :

(a) Whether Government is aware that the P.W.D. Road from Rangia to Bhutan Border is narrow and not convenient for vehicular traffic ?

(b) Whether Government propose to improve road considering the importance as a link road bordering the foreign country ?

(c) If so, when ?

Shri Golok Rajbonshi (Minister P.W.D.) replied :

(a) Yes, Rangia Darranga P.W.D. road leading to Bhutan is a single lane road having 3.6 M (average) carriage width.

(b) At present there is no proposal for improvement of the road.

(c) Does not arise.

**Re : Gumra Natanpur - PWD Road.**

Shri Kali Ranjan Deb asked :

250. Will the Minister of Public Works Department be pleased to state:

a) Whether there is any proposal for taking up of Gumra Natanpur P.W.D. Road in Cachar District by the N.E.C. ?

b) Whether there is any proposal for construction of a bridge over river Boleswar on the above mentioned road ?

c) If so, when ?

Shri Golok Rajbonshi (Minister P.W.D.) replied:

a) There is no proposal for taking up of Gumra Natanpur P.W.D. Road in Cachar District by the N.E.C. (upto 8th Plan).

b) There is no proposal to construct a bridge over river Baleswar on Gumra Natanpur Road at Mahadevpur under N.E.C. Programme but the scheme is since decided to be dropped by N.E.C.

c) Does not arise.

বিষয় ঃ দলং কালভার্ট পুনঃ নির্মাণ ।

শ্রীআলাউদ্দিন সৰকাৰে সুধিছে ঃ

২৫১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

গোলোকগঞ্জ সমষ্টিৰ (১) হালাকুৰা-পোকালাগী, (২) প্রতাপগঞ্জ-খৈৰাবাৰী, (৩) ছাগলীয়াবটেৰ হাট পথৰ দলং কালভার্ট সমূহ পুনঃনির্মাণ- মেৰামতি আৰু খহনীয়া জনিত কাৰণত হোৱা খাল বন্ধ কৰি পথবোৰ চলাচলৰ যোগ্য কৰি তোলাৰ ব্যৱস্থা কৰা হবনে?

শ্রীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্রী)য়ে উত্তৰ দিছে ঃ

পুঁজিৰ অভাৱত (১) হালাকুৰা পোকালাগী পথ আৰু (২) প্রতাপ গঞ্জ-খৈৰাবাৰী পথৰ ১১ কিলোমিটাৰৰ পৰা ১৪ কিলোমিটাৰৰ খণ্ড মেৰামতিৰ ব্যৱস্থা হাতত লব পৰা নাই। (৩) ছাগলীয়া বাটৰ হাট পথৰ ২ কিলোমিটাৰৰ খহনীয়া জনিত খালটো ১৯৯১-৯২ বিত্তীয় বছৰত বন্ধ কৰি চলাচলৰ যোগ্য কৰি তোলা হ'ব।

বিষয় ঃ রামকৃষ্ণ নগরে **P.H.E. Sub-division.**

শ্রীরামপ্যারে রবি দাস জিজ্ঞাসা করছেনঃ

* ২৫২। মাননীয় জনস্বাস্থ্য কারিগরী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করি জানাবেন কি ?

(ক) করিমগঞ্জ জেলার রামকৃষ্ণ নগরে একটি P.H.E. Sub-division sanction করা হয়েছিল কি ?

(খ) যদি হয়ে থাকে, কখন থেকে এই Sub-division এর কাজ চালু করা হবে ?

শ্রীদীনেশ প্রসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰীবিভাগেৰ মন্ত্রী)য়ে উত্তর দিছে ঃ

(ক) না ।

(খ) প্রশ্ন উঠেনা ।

**Re : T.A. & D.A. OF MINISTERS.**

Shri Parimal Suklabaidya asked :

253. Will the Chief Minister be pleased to state :

(a) How many Ministers visited & halted in Cachar in General and

Badarpur area in particular between November 1, 1991 and November 15th, 1991, and how much T.A. & D.A. they draw for the aforesaid tour ?

(b) Whether the Ministers used Government vehicle for electioneering purposes for the election held last in the Badarpur L.A. Constituency during the said period of their visit ?

Sri Hiteswar Saikia (Chief Minister) replied :

(a) 12 Ministers visited in Cachar District in General, and 4 of them visited and halted at Badarpur Area in particular during the period from 1-11-91 to 15-11-91. A total amount of Rs. 30,856.00 was drawn by the Ministers as T.A. & D.A. for their aforesaid tours.

(b) No.

**Re : Wooden Bridge of Longaighat.**

Shri Mission Ranjan Das asked :

254. Will the Minister of Public Works Department be pleased to state.

(a) Whether it is a fact that the work of the wooden bridge of Longaighat on the rever Longain which was started last year has not yet been completed ?

(b) If so, when the work will be completed ?

Shri Golok Rajbonshi (Minister, P.W.D) replied :

(a) Yes.

(b) The work is expected to be completed within March 1992.

**বিষয় ঃ পবিতৰা অভয়াৰণ্যত গড়ৰ সংখ্যা ।**

শ্ৰীবুবুল দাসে সুধিছে ঃ

২৫৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্ত্তমান বছৰত কাজিৰঙা অভয়াৰণ্য, লাওঁখোৱা অভয়াৰণ্য আৰু জাগীৰোড সমষ্টিৰ অন্তৰ্গত পবিতৰা অভয়াৰণ্যত থকা মুঠ গড়ৰ সংখ্যা কিমান ।

(খ) বৰ্ত্তমানৰ চৰকাৰৰ কাৰ্য্যকালত চোৰাং চিকাৰীয়ে কিমানটা গড় নিধন কৰিছে আৰু ইয়াৰে পবিতৰা অভয়াৰণ্যত কিমানটা মাৰিছে।

(গ) পৃথিৱীৰ বিখ্যাত এই বিধ এশিঙিয়া গড় চোৰাং চিকাৰীৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে নতুন আঁচনি গ্ৰহণ কৰিব নেকি ?

(ঘ) বৰ্ত্তমানলৈকে কোনো চোৰাং চিকাৰীক ধৰা পেলাই শাস্তি বিহিছে নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, লাওঁখোৱা অভয়াৰণ্য আৰু পবিতৰা অভয়াৰণ্যত গড়ৰ সংখ্যা যথাক্ৰমে ১১২৯ টা, ২ টা আৰু ৬০ টা।

(খ) বৰ্ত্তমান চৰকাৰৰ কাৰ্য্যকালত গোটেই অসমত চোৰাং চিকাৰীয়ে ২৪ টা গড় নিধন কৰিছে। তাৰে ভিতৰত পবিতৰাত ২ টা গড় মৰা হৈছে।

(গ) দৰকাৰ হলে লোৱা হব। বৰ্ত্তমান যিখিনি আঁচনি আছে তাৰে ভিত্তিত ৰক্ষণা বেক্ষণ কৰা হৈছে।

(ঘ) চোৰাং চিকাৰী ধৰা পেলোৱা হৈছে । কিন্তু আদালতত তৰা গোচৰৰ পৰা কোনো শাস্তি বিধান হোৱা নাই ।

**বিষয় ঃ ভঙা দলং পুঃ নিৰ্মাণ ।**

শ্ৰীবিনোদ গোৱালাই সুধিছে ঃ

২৫৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) সৰুপথাৰ সমষ্টিৰ অন্তৰ্গত উৰিয়াম ঘাটৰ পৰা জোলাঘাটলৈ যোৱা ৰেংমাই পথৰ অৱস্থা শোচনীয় আৰু দলংবোৰ ভাঙি থকা চৰকাৰে জানেনে ?

(খ) যদি জানে তেন্তে দলং আৰু উন্নয়ন কৰাৰ ব্যৱস্তা চলিত বিত্ত বছৰত লবনে ?

শ্ৰীগোলক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয় , জানে ।

(খ) চলিত বিত্ত বছৰত (১৯৯১-৯২) উক্ত দলং আৰু পথৰ উন্নয়নৰ কাম হাতত লোৱাৰ ব্যৱস্থা কৰা হৈছে ।

**বিষয় ঃ দুগ্ধজাত খাদ্যৰ উৎপাদন ।**

শ্ৰীবদন বৰুৱাই সুধিছে ঃ

২৫৭। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত বছৰি দুগ্ধ আৰু দুগ্ধজাত খাদ্যৰ উৎপাদন কিমান ?

(খ) আন্তজাৰ্তিক মানদণ্ড অনুযায়ী অসমৰ প্ৰতিজন ব্যক্তিয়ে (গড় হিচাপত) দুগ্ধ আৰু দুগ্ধজাত খাদ্য কিমান কৈ খাব লাগে ?

শ্ৰীনকুল দাস (পশুপালন মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) অসমত দুগ্ধ আৰু দুগ্ধজাত খাদ্যৰ উৎপাদন বছৰি প্ৰায় ৬৪৫ নিযুত লিটাৰ।

(খ) আন্তজার্তিক মানদণ্ড অনুযায়ী প্ৰতিজন ব্যক্তিয়ে (গড় হিচাপত) দুগ্ধ আৰু দুগ্ধজাত খাদ্য গড়ে ২৮৫ গ্ৰাম প্ৰতি দিনে খাব পাব লাগে।

**বিষয় ঃ অবৈধ অনুপ্ৰৱেশকাৰী আইন।**

শ্ৰীহিতেশ্বৰ ডেকাই সুধিছেঃ

২৫৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম চুক্তিৰ ৫ (৯) দফা অনুযায়ী অবৈধ অনুপ্ৰৱেশকাৰী (ন্যায়াধীকৰণৰ দ্বাৰা নিৰ্দ্ধাৰণ) আইন, ১৯৮৩ ৰ কাৰ্য্যকৰী কৰণৰ ক্ষেত্ৰত অসম চৰকাৰ, আছু আৰু গণ সংগ্ৰাম পৰিষদে উল্লেখ কৰা অসুবিধাবোৰ আঁতৰ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে কি কাৰ্য্য ব্যৱস্থা হাতত লৈছে ?

(খ) চুক্তিৰ ৫ (৭) নং দফা মৰ্মে বে-আইনী ভাৱে অসমত সোমোৱা (পূৰ্বতে বহিষ্কৃত) কিমান বিদেশী লোকক পুনৰ বহিষ্কাৰ কৰা হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) অবৈধ অনুপ্ৰবেশকাৰী (ন্যায়াধীকৰণৰ দ্বাৰা নিৰ্দ্ধাৰণ) আইনে, ১৯৮৩ অসমৰ বিদেশী চিনাক্তকৰণৰ কাৰ্য্যত সহায়ক নোহোৱাৰ হেতুকে ১৯৮৮ চনত অসমৰ মুখ্যমন্ত্ৰীয়ে এই আইনখন বাতিল কৰিবৰ বাবে তেতিয়াৰ প্ৰধান মন্ত্ৰীক পত্ৰ দাখিল কৰিছিল। ১৯৯০ চনৰ ২০ চেপ্তেম্বৰত হোৱা ত্ৰিপাক্ষিক (অসম চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ, সদৌ অসম ছাত্ৰ সন্থা) আলোচনাত এই আইল খন বাতিলকৰণৰ বিষয়টো ৰাজনৈতিক পৰ্য্যায়ত সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা কেন্দ্ৰই দোহাৰে।

(খ) চুক্তিৰ ৫ (৭) দফা অনুযায়ী ৮৪৬ জন পুনঃ অনুপ্ৰৱেশকাৰীক ২৯/২/৯২ তাৰিখলৈ ধৰা পেলাই বহিষ্কাৰ কৰা হয়।

**বিষয় ঃ পশু চিকিৎসালয়।**

শ্ৰীপ্ৰণৱ কুমাৰ নাথে সুধিছেঃ

২৫৯। মাননীয় পশুপালন বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ?

(ক) বসন্তপুর, নগেন্দ্ৰ নগর, উজান গ্ৰাম, সুপ্ৰাকান্দি, জাকতাপন, বরুয়ালা, মইনা এলাকায় কোন পশু হাস্পাতাল নাথাকায় উক্ত এলেকার গৃহপালিত পশুরা বন্যা ও প্ৰখর সময়ে মারাত্মক ব্যাধিত আক্ৰান্ত হয় থকাপারে সরকার অবহিত আছেন কি ?

(খ) বৰ্ত্তমান অৰ্থবছরে বৰ্ণিত স্থান সমূহে পশুহাস্পাতাল স্থাপন করিছেন কি ?

(গ) বর্ত্তমান অর্থবছরে আসামে সর্বমোট কয়টি পশুহাস্পাতাল স্থাপন করিবেন, তন্মধ্যে করিমগঞ্জে জিলায় কয়টি এবং দক্ষিণ করিমগঞ্জ এলাকায় কয়টি ?

শ্ৰীনকুল দাস (পশুপালন মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) আছে। উক্ত এলেকা সমূহত হোৱা বানপানী আৰু খৰংবতৰত কোনো সংক্ৰামক ৰোগ বা মহামাৰীত গৰু, ম'হ আক্ৰান্ত হোৱাৰ কোনো খবৰ আমি পোৱা নাই।

(খ) বৰ্ত্তমান বিত্তীয় বছৰত উক্ত স্থান সমূহৰ ভিতৰত বৰগাবালাত অনুসূচীত জাতি আঁচনিৰ অধীনত এখন পশু উপস্বাস্থ্য কেন্দ্ৰ স্থাপনৰ বাবে প্ৰস্তাৱ আছে।

(গ) অসমত সৰ্বমুঠ ১৮ খন পশু হাস্পাতাল স্থাপনৰ বাবে প্ৰস্তাৱ পোৱা হৈছে। চলিত বিত্তীয় বছৰত কৰিমগঞ্জ জিলাত কোনো পশু হাস্পাতাল স্থাপনৰ প্ৰস্তাৱ নাই। দক্ষিণ কৰিমগঞ্জ এলেকাটো কোনো প্ৰস্তাৱ বৰ্ত্তমান বিত্তীয় বছৰত নাই।

**বিষয় ঃ গ্ৰামীন জল সরবরাহ প্ৰকল্প ।**

শ্ৰীপ্ৰণব কুমাৰ নাথে সুধিছেঃ

২৬০। মাননীয় জনস্বাস্থ্য ও কারিকরী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ?

(ক) করিমগঞ্জ জিলার সব কমিটি গ্রামীন জল সরবরাহ প্রকল্প হতে প্রত্যেহ কত মিনিট পর্য্যন্ত জলসরবরাহ করা হয় ?

(খ) বাজারঘাট গ্রামীন জলবরাহ প্রকল্পে প্রত্যহ কয়বার এবং কত মিনিট করে জলসরবরাহ করা হয় ?

(গ) নিলাম রেলষ্টেসন সংলগ্ন, হাস্পাতাল সংলগ্ন, নয়াগ্রাম ও বিদ্যানগর এলাকায় বার বার দাবি জানানো সত্বেও টেপ স্থাপন ও জলসরবরাহ না করায় উক্ত এলাকায় জনসাধারণ ভীষন জলের জন্য কষ্ট ত্যাগ করছেন, এব্যাপারে সরকার অবহিত আছেন কি ?

(ঘ) এহেন সমস্যা সমাধানেৰ জন্য সরকার কি কার্য্যকরী ব্যৱস্থা গ্রহণ করেছেন ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কারিকরী মন্ত্ৰী)য়ে উত্তর দিছেঃ

(ক) সাধারণতঃ প্রত্যহ সকাল ও বিকালে দুই বেলায় প্রতি বেলায় ৬০ মিনিট করে জল দেওয়া হয়। বৈদ্যুতিক কিংবা যান্ত্রিক গোলযোগেয় জন্য কখনও কখনও উপরোক্ত সময়ের পরিবর্ত্তন করা হয়।

(খ) বৈদ্যতিকরন না হওয়ার জন্য Submersible pump এর বদলে সাময়িক ভাবে ডিজেল ইঞ্জিন চালিত Centrifugal pump এর সাহায্যে সাধারণতঃ দিনে একবার ৩০ মিনিট করে জল দেওয়া হয়। বৈদ্যুতিকরণ হলে এবং Submersible pump বসানো হলে নিয়মিত জল সরবরাহ করা হবে ।

(গ) এই ব্যাপারে বিস্তৃত ভাবে অনুসন্ধানের জন্য নির্দ্দেশ দেওয়া হইয়াছে।

(ঘ) ”

বিষয় ঃ অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগত আন্দোলন।

শ্রীপানী ৰাম ৰাভাই সুধিছে ঃ

২৬১। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগৰ অৰাজপত্ৰিত কৰ্মচাৰী সকলে পদোন্নতিৰ হাৰ হ্ৰাস কৰাৰ প্ৰতিবাদত বিভিন্ন দিনত বিভিন্ন ধৰণৰ আন্দোলনৰ কাৰ্য্যসূচী পালন কৰাটোৰ বিষয়ে চৰকাৰ অৱগত নে ?

(খ) যদি অৱগত হয়, আগৰ পদোন্নতিৰ শতাংশ হাৰটো বাহাল ৰখাৰ ব্যৱস্থা লবনে ?

শ্ৰীআনোৱাৰ হুছেইন, (পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

**Re : Illegal felling/cuting of trees in Forests.**

Shri Samarendra Nath Sen asked :

262. Will the Chief Minister be pleased to state :

a) Whether the Government is aware of the illegal felling/cutting of trees in Forests of Cachar District ?

b) If so, what steps Government is taking to stop such felling/cutting of trees ?

Sri Hiteswar Saikia (Chief Minister) replied :

a) Yes.

b) Steps have been taken by posting Forest Staff and Assam Forest Protection Force in vulnerable points intensifying patrolling enforcing control over movement of Forest produce by arranging imposition of Section 144 under Cr.P.C. through Deputy Commissioner in the area.

**Re : Bridge over Gaurang.**

Sri mati Pramila Rani Brahma asked :

263. Will the Minister of P.W.D. be pleased to state :

(a) Whether Govt. propose to construct a bridge over river Gaurang on the link road of Kokrajhar and Dhubri District ?

(b) Whether any fund has been allotted for the above bridge ?

(c) If so, the amount ?

(d) When the work will be started ?

Shri Golok Rajbonshi (Minister P.W.D.) replied :

(a) Yes.

(b) No.

(c) Does not arise.

(d) Work will be started after the scheme is formally sanctioned.

বিষয় ঃ দিখৌ দলং।

শ্ৰীঅঞ্জন দত্তই সুধিছে ঃ

২৬৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) শিৱসাগৰৰ দিখৌ দলং খন আজি কেইবাবছৰ ধৰি যানবাহনৰ চলাচলৰ বাবে বন্ধ কৰি ৰখা হৈছে নেকি ?

(খ) এই দলংখন নতুনকৈ নিৰ্মাণ কৰাৰ আঁচনি চৰকাৰে লৈছে নেকি ?

(গ) যদি লৈছে কেতিয়াৰ পৰা নিৰ্মাণ কাৰ্য্য আৰম্ভ হ'ব ?

শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) দলংখন কেৱল গধুৰ যান বাহনৰ কাৰণেহে বন্ধ ৰখা হৈছে।

(খ) এখন পকী দলঙৰ বাবে আঁচনি অনুমোদন কৰা হৈছে।

(গ) কামটো অহা বিত্তিয় বছৰত আৰম্ভ কৰা হব।

বিষয় ঃ পশু চিকিৎসালয় উপকেন্দ্ৰ।

শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ

২৬৫। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) সমগ্ৰ অসমত কিমান পশু চিকিৎসালয় বাবে উপকেন্দ্ৰ আছে ?

(খ) নতুনকৈ পশুচিকিৎসা উপকেন্দ্ৰ খোলাৰ আঁচনি আছে নে ?

(গ) যদি আছে, কিমান খোলা হব ?

(ঘ) বৰপেটা জিলাত এনে পশু চিকিৎসা উপকেন্দ্ৰ খোলা হব নে আৰু যদি হয় কিমান ?

শ্ৰীনকুল দাস (পশুপালন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত সৰ্ব মুঠ ১১১৭ (এহেজাৰ এশ সোতৰ) খন পশুচিকিৎসা উপকেন্দ্ৰ আছে।

(খ) হয়, আছে।

(গ) অসমত্ ১৯৯১-৯২ বিত্তীয় বছৰত ৩৪ খন উপকেন্দ্ৰ খোলাৰ প্ৰস্তাৱ আছে।

(ঘ) হয়, বৰপেটা জিলাত ৩ খন খোলা হব।

**বিষয় ঃ গুনিয়াল গুৰিত পানী যোগান আঁচনি।**

শ্ৰীএছাহক আলিয়ে সুধিছে ঃ

২৬৬। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) জনিয়া সমষ্টিৰ গনিয়াল গুৰিত অৱস্থিত পানী যোগান প্ৰকল্পৰ দ্বাৰা কেতিয়াৰ পৰা জনসাধাৰণক পানী যোগান ধৰা হব ?

(খ) উক্ত প্ৰকল্প অসম্পূৰ্ণ অৱস্থাত কিয় পেলাই থোৱা হৈছে ?

(গ) উক্ত প্ৰকল্পটোত কিমানজন কৰ্মচাৰী নিয়োগ কৰা হৈছে ?

(ঘ) উক্ত কৰ্মচাৰীবোৰ উক্ত স্থানত থাকেনে ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৬ চনৰ পৰা সম্পূৰ্ণ কৰা অংশইদি, গভীৰ নলীনাদৰ পৰা পোনপটীয়াকৈ ডিজেল চালিত পাম্পেৰে পানী যোগান দি থকা হৈছে।

(খ) যোগাযোগ ব্যৱস্থাৰ অসুবিধা আৰু বানপানীত ক্ষতি হোৱা বাবে আঁচনিখন সম্পূৰ্ণ হোৱাত পলম হৈছে।

(গ) দুজন।

(ঘ) থাকে।

**বিষয় ঃ বানপানীত ক্ষতিগ্ৰস্ত দেৰগাওঁৰ ৰাস্তা।**

শ্ৰীহেম প্ৰকাশ নাৰায়নে সুধিছে ঃ

২৬৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৭-১৯৮৮ আৰু ১৯৮৯ এই তিনিটা বছৰত বানপানীত ক্ষতিগ্ৰস্ত দেৰগাওঁ বিধান সভা সমষ্টিৰ ৰাস্তা আৰু বানে উঠাই নিয়া বহু দলং নিৰ্মাণ নোহোৱাৰ বিষয়ে চৰকাৰে জানেনে?

(খ) যদি জানে তেনেহলে এই দলং আৰু ৰাস্তা সমূহ তৎকালীন ভাবে নিৰ্মাণৰ ব্যৱস্থা কৰিবনে?

শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, চৰকাৰ অৱগত।

(খ) পৰ্য্যায়ক্ৰমে মেৰামতি কৰি থকা হৈছে আৰু আৱশ্যকীয় পুঁজি পালে পৰ্য্যায়ক্ৰমে সম্পূৰ্ণ কৰা হ'ব।

**বিষয় ঃ কঠোৰ আলি পথ ।**

ডাঃ কৃষ্ণ কান্ত লহকৰে সুধিছে ঃ

২৬৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) পাঠশালাৰ পৰা বাঘমৰা হৈ অঞ্চললৈ যোৱা 'কঠোৰ আলি' নামৰ পথটো বাৰিষাৰ সময় ছোৱাত যাতায়তৰ বাবে বন্ধ হোৱা সম্পৰ্কে চৰকাৰ জ্ঞাতনে ?

(খ) উক্ত 'কঠোৰ আলি' নামৰ পথটো "জৱাহৰ ৰোজগাৰ" যোজনাৰ অৰ্ন্তভূক্ত কৰি উন্নতিৰ ব্যৱস্থা লোৱাৰ বাবে আগৰ চৰকাৰৰ দিনত কিবা সিদ্ধান্ত গ্ৰহণ কৰা সম্পৰ্কেও চৰকাৰে জানেনে ?

(গ) যদি জানে, বৰ্ত্তমান উক্ত পথ সম্পৰ্কে কি ব্যৱস্থা লোৱা হৈছে ?

(ঘ) বজালী মহকুমাৰ পাঠশালাৰ পৰা সৰ্থেবাৰীলৈ (ডাঃ জিনাৰাম ৰাস্তা) যোৱা ৰাস্তাটো শোচনীয় হোৱা বুলি চৰকাৰে জানেনে ?

(ঙ) যদি জানে, তেন্তে ইয়াৰ উন্নতি কল্পে কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰ অৱগত নহয় ।

(খ) বিগত চৰকাৰৰ দিনত "জৱাহৰ ৰোজগাৰ" যোজনাত ৰাস্তাটো উন্নতি কৰণৰ বাবে লোৱা হোৱা নাই ।

(গ) প্ৰশ্ন নুঠে ।

(ঘ) ৰাস্তাটোৰ অৱস্থা ভাল নহয় যদিও ১২ কিলোমিটাৰলৈকে যাতায়তৰ ব্যৱস্থা কৰি ৰখা হৈছে ।

(ঙ) পুঁজিৰ অভাৱত ৰাস্তাটো যাতায়তৰ বাবে সুচল কৰি ৰাখিব পৰা হোৱা নাই । পুঁজিৰ ব্যৱস্থা হলেই ৰাস্তাটোৰ কাম হাতত লব পৰা যাব ।

**বিষয় ঃ পাৰৈবন গাওঁৰ পথৰ দলং ।**

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

২৬৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) তিনিচুকীয়া পথ সংমণ্ডলৰ অধীনত থকা পাৰৈবন গাওঁৰ পথটোৰ দলং আৰু কালভাৰ্ট কেইটা আছে ?

(খ) দলংখন যাতায়তৰ বাবে উপযোগী হৈ আছেনে ?

শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) তিনিচুকীয়া পথ সংমণ্ডলৰ অধীনত IX টন বহন কৰিব পৰা দুখন দলং আছে। দলং

দুখনৰ নং ১।১ আৰ ৩।১ । ইয়াৰ দৈৰ্ঘ্য ক্ৰমে ১৭.০০ মিটাৰ আৰু ১২.৬৫ মিটাৰ। ইয়াৰ উপৰিও ১৩ টা হিউম পাইপ কালভাৰ্ট আছে।

(খ) উক্ত দলং কেইখন যাতায়তৰ উপযোগী নহয় ।

**Re : Makum Dhelakhat Road.**

Sri Rameswar Dhanowar asked :

270. Will the Minister of P.W.D. be pleased to state :

(a) The amount spent for the Makum-Dhelakhat Road, under Tinsukia Division during the year 1989-90 and 1990-91 ?

(b) Whether the road was constructed according to the specification of P.W.D. ?

(c) Whether the Government has taken up any scheme to develop the said Road ?

(d) Whether the Government has any scheme to reconstruct the Digboi-Pengreri P.W.D. Road within this Financial Year ?

Shri Golok Rajbongshi (Minister P.W.D.) replied :

(a) Rupees 1,14,964.00 during 1989-90 and Rs. 1,23,942.00 during the year 1990-91.

(b) Yes.

(c) No.

(d) No.

**Re : BLACK TOPPING.**

Shri Samarendra Nath Sen asked :

271. Will the Minister of P.W.D. be pleased to state.

(a) Whether Govt. would take necessary steps to make Silchar Mahanpur Road Via Kuarpar an all weather one ?

(b) Whether the Govt. is aware that all the roads and bridges in Barak Valley including Silchar Town are in a deplorable condition ?

(c) If so, whether any steps Govt. is being taken to repair those roads and bridges and if so ?

Shri Golok Rajbongshi (Minister P.W.D.) replied :

(a) Yes, subject to availability of fund.

(b) No, all roads and bridges are not in deplorable condition.

(c) Yes, action is being taken from time to time to take up repairs to damaged roads and bridges according to availability of funds.

**বিষয় ঃ অসম মেঘালয় সীমান্তৰ বনাঞ্চল ।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতাই সুধিছে ঃ

২৭২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) পশ্চিম গুৱাহাটী সমষ্টিৰ অসম মেঘালয় সীমান্তত বিশেষকৈ গড়ভাঙা, ৰাণী, লুকী, বাললাপাৰা আদি বনাঞ্চলৰ পৰা অবাধ গতিত বনাঞ্চল ধ্বংস কৰা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, এই সম্পৰ্কত কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অবাধ গতিত বনাঞ্চল ধ্বংশ কৰা কথাটো সচাঁ নহয় ।

(খ) তেনেকুৱা ঘটনা ঘটিলে আইনমতে ব্যৱস্থা লোৱা হব ।

**বিষয় ঃ 'বান্ধ' পথ হিচাবে ব্যৱহাৰ ।**

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে ঃ

২৭৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) নগাওঁ জিলাৰ অৰ্ন্তগত গড়কাপ্তানী বিভাগৰ পশ্চিম খণ্ডৰ কলংসুতিৰ উত্তৰ পাৰে অৱস্থিত দক্ষিণ পাট গাওঁৰ পৰা ফুলগুৰি, আৰু ফুলগুৰিৰ পৰা মূলানকাটা গাঁৱলৈ এই সুদীৰ্ঘ বান্ধটো বহুবছৰ ধৰি ৰাইজে পথ হিচাবে ব্যৱহাৰ কৰি অহা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, এই বান্ধটো গড়কাপ্তানী পথলৈ উন্নিতকৰণ কৰি যাতায়তৰ সু-ব্যৱস্থা চৰকাৰে লবনে ?

শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) দক্ষিণপাট গাৱঁৰ পৰা ফুলগুৰি, আৰু ফুলগুৰিৰ পৰা মোলানকাটা গাওঁলৈকে এই সূদীৰ্ঘ বান্ধটো ৰাইজে পথ হিচাবে ব্যৱহাৰ কৰি আহিছে নে নাই এই কথাটো এই বিভাগৰ অৱগত নহয়, যি হেতুকে উক্ত বান্ধছোৱা E & D বিভাগৰ অধীনত আছে ।

(খ) প্ৰশ্ন নুঠে । উক্ত বান্ধছোৱা গড়কাপ্তানী পথলৈ উন্নিত কৰিবৰ হ'লে E & D বিভাগ গড়কাপ্তানী বিভাগক উক্ত বান্ধছোৱা হস্তান্তৰ কৰিব লাগিব। যথোপযুক্ত পুঁজিৰ আবন্টন সাপেক্ষে এই বান্ধছোৱা ৰাইজৰ যাতায়তৰ সুবিধাৰ বাবে সু-ব্যৱস্থা কৰিব পৰা যায়।

**বিষয় ঃ সচিবালয় প্ৰশাসন (সংস্থাপন) বিভাগৰ গাড়ীৰ সংখ্যা ।**

শ্ৰীজয় নাথ শৰ্মাই সুধিছে ঃ

২৭৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) সচিবালয় প্ৰশাসন বিভাগৰ (S.A.D.) অধীনত সৰ্বমুঠ কিমান খন গাড়ী আছে আৰু উক্ত গাড়ী সমূহ ক'ত কেনেকৈ ব্যৱহৃত হৈ আছে।

(খ) প্ৰতিখন গাড়ীৰ বাবদ ১৯৯০-৯১ চনত আৰু ১৯৯১-৯২ চনত কিমান টকা মেৰামতিৰ বাবদ ব্যয় কৰা হৈছে ?

(গ) প্ৰতিখন গাড়ীৰ বাবদ পেট্ৰোল আদিত কিমান টকা ব্যয় হৈছে।

(ঘ) নতুনকৈ কিমানখন গাড়ী S.A.D. বিভাগে কিনিছে ?

(ঙ) নতুন গাড়ী বোৰৰ মূল্যৰ হাৰ কি আৰু সৰ্বমুঠ ব্যয় কিমান হ'ল ?

শ্ৰীহিতেশ্বৰ শইকীয়া (অসম সচিবালয় প্ৰশাসন (সংস্থাপন) বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সৰ্বমুঠ ৬১ খন । এই গাড়ী সমূহৰ ব্যৱহৃত প্ৰবিৱৰণী এখন সদনৰ মেজত ৰখা হ'ল। (See the Annexure-I)

(খ) প্ৰতিখন গাড়ীৰ ১৯৯০-৯১ চনত আৰু ১৯৯১-৯২ চনত মেৰামতিৰ বাবদ খৰচৰ তালিকা এখন সদনৰ মেজত ৰখা হ'ল। (See the Annexure-II)

(গ) আসাম মিনিষ্টাৰচ/মিনিষ্টাৰচ অব ষ্টেট এন্দ ডেপুটি মিনিষ্টাৰচ (এলাৱেন্স এন্দ প্ৰিভিলেইজেচ) ৰোলচ ১৯৫৮ ৰ ৰোল ২৮ অনুসৰি পোৱা পেট্ৰোলৰ নিৰিখ এনেধৰণৰ ঃ

মুখ্যমন্ত্ৰী ———————— ১৫০ লিটাৰ প্ৰতি মাহে ।

অন্যান্য মন্ত্ৰী সকলে ———————— ১২৫ লিটাৰ প্ৰতি মাহে ।

যোৱা ১৯৯১ চনৰ জুলাই মাহৰ পৰা ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহলৈকে মন্ত্ৰী সকলৰ লগত থকা প্ৰতি খন গাড়ীত মাহে ১৪৮৮.২৫ দৰে ৩২ খন গাড়ীত ৮৬,৩৬০.০০ টকা, প্ৰাক্তন মন্ত্ৰী শ্ৰীকেশৱ গগৈ, শ্ৰীচিত্ৰৰঞ্জন পাটোৱাৰী আৰু শ্ৰীদেবেশ চক্ৰৱৰ্ত্তীৰ গাড়ীত যথাক্ৰমে ৭,২৮৬.২৫,৮৮৬৯.৫৫ আৰু ১৫৮৬.২৫ আৰু মুখ্যমন্ত্ৰীৰ লগত থকা ৫ খন গাড়ী আৰু সময়ে সময়ে সাময়িক ভাৱে দিয়া বিকল্প গাড়ীকে ধৰি যোৱা ১৯৯১ চনৰ জুলাই মাহৰ পৰা ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহলৈকে পেট্ৰোলৰ মুঠ খৰচ ৬৪,৬৫৯.০০ টকা । সৰ্বমুঠ ব্যয় হয় ১,১২,১৭৩.৫৫ টকা ।

(ঘ) ২৫ খন ।

(ঙ) ১৬ খন গাড়ী ১৯৯১ চনৰ জুন মাহত প্ৰতিখন গাড়ী ১,৭৮,৫২১.৮৮ দৰে চেপ্তেম্বৰৰ পৰা ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত ৯ খন গাড়ী প্ৰতিখনত ১,৯৩,২৫১.২২ দৰে কিনা হয় । এই গাড়ী সমূহ কিনোতে সৰ্বমুঠ ব্যয় হয়, ৪৭,৮৮,৮৬২.২৮ টকা ।

**Re : R.C.C. BRIDGE OVER DIKHOW RIVER.**

Sri Promode Gogoi asked :

275. Will the Minister of P.W.D. be pleased to state :

(a) Whether it is a fact that the construction of a R.C.C. Brigde over river Dikhow in Sibsagar town was approved by the Government ?

(b) Whether the Oil and Natural Gas Commission has agreed to contribute for the construction of the bridgde ?

(c) If so, when the construction will commence ?

Sri Golok Rajbonshi (Minister P.W.D.) replied :

(a) Yes.

(b) Yes. O.N.G.C. has agreed to contribute 60% of the approved amount.

(c) Award of contract for the Bridge proper to contractor is under process.

**বিষয় ঃ কলাইগাওঁ সমষ্টিৰ অৰ্ন্তগত গাৱঁত খোৱাপানী আঁচনি ।**

শ্ৰীজীউৰাম বড়োৱে সুধিছে ঃ

২৭৬। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কলাইগাওঁ সমষ্টিৰ অৰ্ন্তগত ভোলাবাৰী, ভেহগুৰি, নাহৰবাৰী, নিজদলা, মৌগাওঁ মেছ্‌কা পুখুৰী, টোকনকাটা, জিলিকাপাৰা, কালজুৰি, ৰঙাগাওঁ, বৰজামগুৰি আৰু টোকনকাটা গাওঁৰ খোৱা পানীৰ আঁচনি (পাইপ ওৱাটাৰ স্কীম)য়ে পানী যোগান এতিয়ালৈ দিব পৰা নাই। এই কথাটো সত্য নেকি ?

(খ) যদি সত্য হয়, ইয়াৰ কাৰণ বোৰ দুৰ কৰিবলৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) জিলিকাপাৰা আৰু ৰঙাগাওঁ পানী যোগান আঁচনিত বাদে বাকী কেইখন Piped Water Supply Scheme ৰ যোগেদি পানী দি থকা হৈছে।

(খ) হয়, কৰিছে ।

**বিষয় ঃ ১৯৭৮ চনৰ আঁচনি ।**

শ্ৰীনজমুল হকে সুধিছে ঃ

২৭৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গোৱালপাৰা চহৰবাসীৰ খোৱা পানীৰ বাবে ১৯৭৮ চনত গ্ৰহণ কৰা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ আঁচনি আজিলৈকে কাৰ্যকৰী নকৰাৰ কাৰণ কি ?

(খ) ১৯৯২-৯৩ চনৰ বিত্তীয় বছৰত উক্ত আঁচনিৰ কাম আৰম্ভ কৰা হবনে ?

(গ) গোৱালপাৰা জিলাৰ বগুৱান আমবাৰী পানী যোগান আঁচনি ১৯৭৬ চনৰ পৰা আৰম্ভ কৰি আজিলৈকে শেষ নোহোৱাৰ কথাটো সচাঁনে ?

(ঘ) যদি সচাঁ উক্ত আঁচনিৰ কাম কেতিয়ালৈ সম্পূৰ্ণ হব ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক)

আৰু

(খ) ১৯৭৮ চনত জনস্বাস্থ্য কাৰিকৰী বিভাগে গোৱালপাৰা চহৰবাসীৰ খোৱাপানীৰ বাবে কোনো আঁচনি গ্ৰহণ কৰা নাই । অৱশ্যে ১৯৮৬ চনত এখন আঁচনি অনুমোদিত হয়। পিছত ১৯৯০ চনত আঁচনি খন অসম নগৰ পানী যোগান আৰু পয় প্ৰণালী পৰিষদৰ হাতলৈ হস্তান্তৰ কৰা হয়। পৰিষদে জনোৱা মতে আঁচনিৰ কাম বৰ্ত্তমানলৈকে ভালেখিনি আগবাঢ়ি আছে ।

(গ) বগুৱান আমবাৰী পানী যোগান আঁচনি খন ১৯৭৮ চনতে অনুমোদিত হৈছিল। আঁচনি খন সম্পূৰ্ণ হোৱা নাই যদিও ১৯৮৪ চনৰ পৰা বিজুলী শক্তিৰ অভাৱত ডিজেল চালিত পাম্পৰ জৰিয়তে পানী যোগান ধৰি থকা হৈছে।

(ঘ) আঁচনি খন অহা বাৰ্ষিক বছৰৰ ভিতৰতে সম্পূৰ্ণ কৰি উলিওৱা হব ।

**বিষয় ঃ বানপানীত ক্ষতিগ্ৰস্ত Forest Village.**

শ্ৰীযতীন মালীয়ে সুধিছে ঃ

২৭৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৯১ চনৰ অক্টোবৰ মাহৰ বানপানীত পলাশবাৰী সমষ্টিৰ মুঠ কিমান খন বনগাওঁৰ Forest Village ক্ষতি সাধন হৈছে ?

(খ) ক্ষতি হোৱা বনগাওঁ সমূহৰ লোক সকল বৰ্ত্তমান ক'ত আছে ?

(গ) চৰকাৰৰ তৰফৰ পৰা উক্ত লোক সকলক সংস্থাপন অথবা আৰ্থিক সাহাৰ্য্য দিয়া হৈছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) ১১ খন বনগাওঁৰ ক্ষতিসাধন হৈছে ।

(খ) আগৰ ঠাইত আছে ।

(গ) ক্ষতিগ্ৰস্ত লোকসকলক কাকো নতুনকৈ অন্যস্থানত চৰকাৰে সংস্থাপন কৰা নাই। বন বিভাগৰ ফালৰ পৰাও কোনো আৰ্থিক সাহাৰ্য্য দিয়া হোৱা নাই ।

**Re : Repairing of P.W.D. roads.**

Shri Kali Ranjan Deb asked :

279. Will the Minister of P.W.D. be pleased to state :

(a) What steps the Government taken for urgent repairs of P.W.D. roads damaged by floods in 1991 in Cachar District before on set of Monsoon ?

(b) The amount allotted to Cachar District for repairs of roads damaged by flood in 1991 ?

Shri Golok Rajbongshi (Minister, Public Works Department) replied :

(a) All possible steps were taken before and after floods of May'91 to maintain road communication within the limitation of fund made available to the Department.

(b) Rs. 37.00 Lakhs (Thirty Seven Lakhs)

**বিষয় ঃ ত্ৰিশখন বিছনাযুক্ত চিকিৎসালয় ।**

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ

২৮০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ঢকুৱাখানাত ত্ৰিশখন বিছনাযুক্ত চিকিৎসালয় নিৰ্মাণ কৰি থকা কথাটো সঁচা নে ?

(খ) যদি সঁচা, উক্ত চিকিৎসালয়ৰ নিৰ্মাণ কাৰ্য্য বৰ্ত্তমান কি পৰ্য্যায়ত আছে ?

শ্ৰীগোলক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সঁচা ।

(খ) মূল চিকিৎসালয় ভৱনৰ কাম আৰু কৰ্মচাৰীৰ আৱাস গৃহৰ কাম যথাক্ৰমে ৮০ শতাংশ (আশী) আৰু ৩৮ (আঠত্ৰিশ) শতাংশ সম্পূৰ্ণ হৈছে ।

**বিষয় ঃ কৰ সংগ্ৰহ ।**

শ্ৰীদেৰহাগ্ৰা মুছাহাৰীয়ে সুধিছে ঃ

২৮১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ বাহিৰলৈ কয়লা কঢ়িয়াৰ বাবদ দিনে চৰকাৰে কিমান কৰ আদায় কৰিব পাৰে ?

(খ) উক্ত কৰ নিৰ্দ্ধাৰণ কয়লাৰ ওজন হিচাবে নিৰ্দ্ধাৰণ কৰা হয় নে ট্ৰাক হিচাবে আৰু ৰেলেৰে লৈ গলে কি হিচাবে নিৰ্দ্ধাৰণ কৰা হয় ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) ১৯৯১-৯২ বছৰটোত ১৯৯২ চনৰ ফেব্রুৱাৰী পর্য্যন্ত ১৩,৭১,৭২৬৮৩ টকা বিক্রি কৰৱ বিপৰীতে security হিচাবে আদায় কৰা হৈছে।

(খ) কয়লাৰ মূল্যৰ ওপৰত নির্ভৰ কৰি কৰ নির্দ্ধাৰণ কৰা হয়।

**বিষয় ঃ বন বিভাগৰ মুঠ মাটি ।**

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছেঃ

২৮২। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) অসমত বর্ত্তমানলৈকে বন বিভাগৰ হাতত থকা মাটিৰ পৰিমান কিমান ?

(খ) ইয়াৰ কিমান অঞ্চল সংৰক্ষিত বনাঞ্চলৰ ভিতৰত পৰে আৰু কিমান অংশ সংৰক্ষিত বনাঞ্চল নহয় ?

(গ) কিমান অংশ বেদখল মুক্ত আৰু কিমান অংশ বেদখল হৈ আছে ?

(ঘ) মেঘালয়, অৰুণাচল আৰু নাগালেণ্ড অসমৰ কিমান (মাটিকালী) বনাঞ্চল বেদখল কৰি ৰাখিছে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) অসমত বর্ত্তমানলৈকে বন বিভাগৰ হাতত থকা মাটিৰ পৰিমান ১৭৮৬৭ বর্গ কিঃমিঃ ।

(খ) বন বিভাগৰ হাতত থকা ১৭৮৬৭ বর্গ কিঃমিঃ পৰিমানৰ মাটিৰ ১৭৫৬৭ বর্গ কিঃমিঃ সংৰক্ষিত বনাঞ্চলৰ ভিতৰত পৰে আৰু বাকী ৩০০ বর্গ কিঃমিঃ মাটি সংৰক্ষিত। বনাঞ্চলৰ ভিতৰত নপৰে ।

(গ) অসমৰ বন বিভাগৰ হাতত থকা মাটিৰ ১৫৬০৯ বর্গ কিঃমিঃ মাটি বেদখল মুক্ত হৈ আছে আৰু ২২৫৮ বর্গ কিঃমিঃ মাটি বেদখল হৈ আছে ।

(ঘ) ওপৰোক্ত সীমান্তবর্ত্তী ৰাজ্য কেইখনে অসমৰ বনাঞ্চলত বেদখল কৰি থকা মাটি কালিৰ পৰিমাণ————

| | | | | |
|---|---|---|---|---|
| মেঘালয় ———— | ৭.৬২ | বর্গ কিঃমিঃ | | (৭.৬২) |
| অৰুনাচল ———— | ২৫০.০৯ | ” | ” | (২৫০.০৯) |
| নাগালেণ্ড ———— | ১০১৭.৫০ | ” | ” | (১০১৭.৫০) |
| মুঠ ———— | ১২৭৫.২১ | বর্গ কিঃমিঃ | | |

**বিষয় ঃ হাস্পাতালের ভবন নির্মাণ ।**

শ্রীৰামপ্যাৰে ৰবিদাসে জিজ্ঞাসা কৰেছেন ঃ

২৮৩। মাননীয় গড়কাপ্তানী বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ?

(ক) রাতাবড়ী সমষ্টির কালাছড়া চা বাগানে সরকারের অনুমোদিত কয়েকটি শয্যা বিশিষ্ট হাস্পাতালের ভবন নির্মানেৰ কাজ কি সমাপ্ত হয়েছে ?

(খ) যদি হয়ে থাকে, তবে ঐ হাস্পাতালটি চালু করার জন্যে সরকার কি ধরণের পদক্ষেপ গ্রহণ করছেন ?

শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, ঘৰৰ বাহিৰৰ বৈদ্যুতিকৰণ আৰু পাহীতোলা যন্ত্ৰ বহুৱাৰ বাদে, হস্পিতালৰ গৃহ নিৰ্মাণৰ ও স্বাস্থ্য ৰক্ষাৰ ব্যৱস্থা সমূহৰ কাম সম্পূৰ্ণ হৈছে।

(খ) প্ৰশ্ন নুঠে ।

**বিষয় ঃ বিদেশী অনুপ্ৰবেশকাৰীক বহিস্কাৰ ।**

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

২৮৪। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৩ চনৰ আই,এম,দি,টি, (IMDT) Act খনে বিদেশী নাগৰিক চিনাক্ত কৰণত প্ৰতিবন্ধকতা সৃষ্টি কৰাতো চৰকাৰৰ জ্ঞাতনে ?

(খ) ১৯৮৩ চনৰ IMDT আইনৰ অধীনৰ ত্ৰিবিউনেলৰ বিচাৰক সকলে বিদেশী চিনাক্তকৰণত এই আইনখন যথোপযুক্ত নহয় বুলি চৰকাৰক পৰামৰ্শ দিয়াটো চৰকাৰৰ জ্ঞাতনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী তথা মাননীয় মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) হয়।

**Re : Building Division of Karimganj.**

Shri Mission Ranjan Das asked :

285. Will the Minister PWD be pleased to state :

(a) Whether Building Division, Karimganj is still stationed at Karimganj.

(b) If so, why and when the Division will be transferred to Karimganj.

Shri Golok Rajbongshi (Minister P.W.D.) replied :

(a) There is no Building Division named as Karimganj Building Division Stationed at Silchar.

(b) Does not arise.

**বিষয় ঃ স্থায়ী চৰ আৰু অস্থায়ী চৰৰ পাৰ্থক্য ।**

শ্ৰীএছাহক আলীয়ে সুধিছে ঃ

২৮৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) স্থায়ী চৰ অস্থায়ী চৰৰ মাজত পাৰ্থক্য কি ?

(খ) অসমত সৰ্বমুঠ কিমানখন স্থায়ী চৰ আছে ?

(গ) কেনেকুৱা ধৰণৰ চৰ অঞ্চলৰ মাটিৰ পট্টা দিয়া হ'ব ?

(ঘ) আটাইতবোৰ চৰ অঞ্চলৰ মাটিৰ পট্টা দিয়া সংক্ৰান্তত জৰীপ কৰা হৈছেনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) স্থায়ী চৰত মানুহে বহুবছৰ ধৰি বসবাস কৰি খেতি বাতি কৰি আছে আৰু এনে গাওঁবোৰত কেডেষ্ট্ৰেল জৰীপ হোৱা মেপ আছে। এনে গাওঁৰ মাটিকালি সাধাৰণতে বহুকাল স্থিৰ হৈ থাকে। অস্থায়ী চৰৰ মাটি গড়া খহনীয়াত লুপ্ত হয় আৰু সেই চৰৰ মাটিকালি অদল-বদল হয় । এনে চৰবোৰ নানা কাৰণত স্থায়ী বসতিৰ উপযোগী নহয় । এই চৰবোৰত স্থায়ী বসতি আৰু স্থায়ী খেতি নোহোৱাত আৰু গাওঁৰ সীমা বদলি হৈ থকা কাৰণে কেডেষ্ট্ৰেল জৰীপ সম্ভৱ নহয়।

(খ) প্ৰায় ৭৭০ মান স্থায়ী চৰ আছে ।

(গ) স্থায়ী চৰত বসবাস কৰা মানুহক মাটিৰ ম্যাটি পট্টা দিয়া হয় ।

(ঘ) কেডেষ্ট্ৰেল জৰীপ হোৱা নাই ।

**বিষয় ঃ গ্ৰামীণ জলসৰবৰাহ প্ৰকল্প ।**

শ্ৰীৰামপ্যাৰে ৰবি দাসে জিজ্ঞাসা কৰেছেন ঃ

২৮৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবেন কি?

ৰাতাবাৰী সমষ্টির কয়েকটি গ্ৰামের জন্যে সরকার গত ২ বসর পূৰ্বেয়ে গ্ৰামীনে জলসরবরাহ প্ৰকল্পের (Water Supply Scheme) অনুমোদন করেছিলেন। ঐ Water Supply Scheme গুলির কাজ চালু করার জন্য সরকার কি সতবর পদক্ষেপ গ্ৰহণ করছেন।

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

গত ১৯৮৮-৮৯ ইংৰাজীতে ৰাতাবাৰী সমষ্টিতে ২৭ গ্ৰামের জন্য ১৮ টা পাইপ জলসরবরাহ প্ৰকল্প অনুমোদিত হয়েছিল। পৰ্য্যাপ্ত ধনের অভাবে পৰ্য্যায়ক্ৰমে এই প্ৰকল্প গুলির কাজ আরম্ভ করা হয়েছে। তাছাড়াও গত তিন বৎসরে Tube Well, Ring Well, Mark - II ৰ সাহায্যে ৰাতাবাৰী সমষ্টির অনেক গ্ৰামে জল সরবরাহের কাজ সরকার হাতে নিয়েছেন।

**বিষয় ঃ পাইপ ওৱাটাৰ স্কিম।**

শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ

২৮৮। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাত কিমানটা Pipe Water Scheme লোৱা হৈছে?

(খ) সৰভোগ সমষ্টিৰ অন্তৰ্গত গেলেপাৰা গাওঁত এটা Pipe water scheme লোৱাটো সচাঁনে?

(গ) যদি সঁচা, এই গেলেপাৰাৰ আঁচনিৰ কাৰণে মাটি লোৱা হৈছেনে?

(ঘ) যদি হৈছে, কি কাৰণে নিৰ্মাণ কাৰ্য্য আৰম্ভ হোৱা নাই?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৯০ টা

(খ) সঁচা।

(গ) ১৯৯১ চনৰ ডিচেম্বৰ মাহত ১ বিঘা ব্যক্তিগত মাটি দান হিচাবে পাই Register কৰা হৈছে, কিন্তু দখল লোৱা হোৱা নাই।

(ঘ) স্থানীয় কাৰ্য্যবাহী অভিযন্তাই স্থানীয় বিধায়কৰ পৰা আপত্তি পাই কামটো আৰম্ভ কৰা নাই।

**বিষয় ঃ ঘনশ্যাম বৰুৱা গড়কাপ্তানী আৰু ধুন্দাচাম N.C. পথ।**

শ্ৰীবিনোদ গোৱালাই সুধিছে ঃ

২৮৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) সৰুপথাৰ সমষ্টিৰ অন্তৰ্গত ঘনশ্যাম বৰুৱা গড়কাপ্তানী পথ আৰু ধুন্দা চাম N.C. পথ, শোচনীয় আৰু দলং ভাঙি থকা চৰকাৰৰ অৱগতনে আৰু যদি অৱগত তাত উন্নয়নৰ ব্যৱস্থা লবনে?

(খ) পংকা বৰচাপৰি গড়কাপ্তানী দলং আৰু পথটো বানপানীয়ে ভঙা চৰকাৰৰ অৱগতনে আৰু যদি অৱগত তেন্তে চলিত বিত্তীয় বছৰত উন্নয়ন কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অৱগত নহয়। উক্ত পথ দুটা শোচনীয় অৱস্থাত নাই। যা হওঁক দুয়োটা ৰাষ্টাৰ কাঠৰ দলং কেইখনৰ মেৰামতি কাম হাতত লোৱা হৈছে। উল্লেখযোগ্য যে শোচনীয় বানপানীৰ সময়টো যানবাহন চলাচল বন্ধ নাছিল। যা হওঁক যান বাহনৰ চলাচলৰ সঠিক অৱস্থালৈ নিবলৈ হলে পথ দুটা আৰু দলংবোৰৰ আৰু বেছি উন্নতিৰ প্ৰয়োজন।

(খ) ১৯৮৯-৯০ চনৰ বানপানীৰ দ্বাৰা কাঠৰ দলং আৰু পথ বান্ধৰ ক্ষতি হোৱা বাবে পথটো ৩ কিঃ মিঃ ৰ (মুঠ ৩.৪১ কিঃ মিঃ) পৰা যান বাহন চলাচলৰ বাবে উপযোগী নহয়। বৰ্ত্তমান বিত্তীয় বছৰত আৱশ্যকীয় অনুদান নোপোৱাৰ বাবে লাগতিয়াল মেৰামতিৰ কাম হাতত লব পৰা নাযাব।

**Re : Public Grievance cell.**

Sri Giasuddin Ahmed asked :

290. Will the Chief Minister be pleased to state :

(a) Whether there is a public grievance cell in each District and Sub-Divisional Head Quarter of the State?

(b) Whether those cells have been functioning the very purpose for which those cells were opened ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) & (b) The Government have received reports about the working of Public Grievance Cell in the offices of every Deputy Commissioner/Sub-Divisional Officer at all places except three Sub-Divisional Head Quarters, for which the reports are awaited.

**বিষয় ঃ হস্পিতালৰ গৃহ নিৰ্ম্মাণ।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতাই সুধিছে ঃ

২৯১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) আজাৰাত ত্ৰিশখন বিছনাযুক্ত হস্পিতালৰ নিৰ্ম্মাণৰ কাম কিমান শতাংশ সম্পূৰ্ণ হ'ল ?

(খ) বৰ্ত্তমানলৈকে উল্লেখিত হস্পিতালৰ গৃহ নিৰ্ম্মাণৰ বাবত কিমান টকা ব্যয় হ'ল ?

(গ) হস্পিতালৰ কাম কেতিয়া সম্পূৰ্ণ হৈ উঠিব ?

শ্ৰীগোলোক ৰাজবংশী (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১ চনৰ ৩১ ডিচেম্বৰলৈকে ৩৬ শতাংশ (চয়ত্ৰিশ) সম্পূৰ্ণ হৈছে।

(খ) বৰ্ত্তমানলৈকে (৩১ ডিচেম্বৰ '৯১ তাৰিখ পৰ্য্যন্ত) ১২,৯২,৯৬০.০০ টকা হৈছে।

(গ) পুঁজিৰ অভাৱ নহলে অহা বিত্তীয় বছৰত সম্পূৰ্ণ হোৱাৰ আশা আছে।

Speaker : Now it is 10 O'clock, Question hour is over.

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, এটা পইন্ট অৱ অৰ্ডাৰ আছে। মই এটা গুৰুত্বপূৰ্ণ বিষয় সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বিষয়টো হ'ল কেবাজনো বিধায়কে সদনৰ পৰা অধিকাৰ

হেৰাইছে। এই কথাটো কেবাখনো বাতৰি কাকতত ওলাইছে যে ৮ জন বিধায়কৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লোৱা হ'ব। (বিৰাট হুলস্থুল - একো শুনা নাযায়)

অগ্ৰদূত কাগজত ওলাইছে যে কংগ্ৰেছ প্ৰাৰ্থী মাতঙ্গ সিং থকা বিধান সভা আৱাসগৃহৰ পৰা ৫৫ লাখ টকা নোহোৱা হৈছে, এইটো নতুন দৈনিক আৰু কেবাখনো বাতৰি কাকতত ওলাইছে আৰু কংগ্ৰেছৰ ৮ জন বিধায়কৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লোৱা হ'ব বুলি বাতৰি কাকতত প্ৰকাশ পাইছে।

(কেবাজনো মাননীয় সদস্যই কব উঠে, একো শুনা নাযায়)

*Dr. Ardhendu Kumar Dey (Minister) : It is the rule, there cannot be any discussion, He is wasting time. There cannot be any discussion. There cannot be any point of order Sir. (noise in the house).

(মাননীয় অধ্যক্ষ মহোদয় কব উঠে, মাননীয় সদস্য সকলে কেবাজনেও কব উঠে — কাৰো কথা শুনা নাযায়)

ভইচ - প্ৰথমে ৮ জন বিধায়কৰ বিচাৰ হ'ব লাগে, এই কথা ইয়াত আহিব নোৱাৰে, চাৰ পইন্ট অৱ অৰ্ডাৰ আপুনি বহক ইত্যাদি)

Mr. Speaker : Order ............ Order............. Please take your seat. ভোটিং অন ডিমাণ্ড চলি থাকিলে অন্য কথা আহিব নোৱাৰে।

(বিৰাত হুলস্থুল, হাহিৰ ৰোল, একো শুনা নাযায়)

## VOTING ON DEMANDS FOR GRANTS

Mr. Speaker : Now Item No. 2 — Voting on Demands for Grants.

I request Hon'ble Chief Minister to move.

* Shri Hiteswar Saikia (Chief Minister) : Sir, on the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 3,66,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1993 for the administration of 'State Legislature'.

শ্ৰীজয়নাথ শৰ্মা ঃ (বিৰাট হুলস্থুলৰ মাজত)

"মুখ্য মন্ত্ৰীয়ে দায়িত্ব মূৰ পাতি লৈ পদত্যাগ কৰিব লাগে। কাৰণ ৮ জন কংগ্ৰেছ বিধায়কে তেওঁৰ নেতৃত্বত প্ৰত্যক্ষভাৱে অনাস্থা দিছে (পুনৰ হুলস্থুল) ..... (একো শুনা নাযায়)

মাননীয় অধ্যক্ষ ঃ এইটো পাৰ্টিৰ ভিতৰৰ কথা।

শ্ৰীজয়নাথ শৰ্মাঃ পাৰ্টিৰ ভিতৰৰা হলেও নৈতিক দায়িত্ব বা moral obligation আছে।

Mr. Speaker : There is no cut motion on this grant. I now put this grant before the house for approval.

(.......... noise .................. noise...........).

Now grant No. 1 is passed.

Now Grant No.2, Hon'ble Chief Minister to move.

* Shri Hiteswar Saikia (Chief Minister) : Sir, on the recommendation of the Governor of Assam, I beg, Sir to move that a sum of Rs. 1,01,52,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1991 for the administration of "Council of Ministers".

.............noise............noise..............noise.

Mr. Speaker : There cannot be any point of order মাননীয় সদস্য সকল You are all rule makers, you should obey ......... noise...............

* শ্ৰীজয়নাথ শৰ্মা ঃ পইন্ট অব অৰ্ডাৰ চাব।

Mr. Speaker : There cannot be any point of order. In the point of order, this cannot prevail. I speak on the rule .............noise.............noise.

.......... (interruption) ........

Please take your seat. Now the Hon'ble Members Sri Mission Ranjan Das, Sri Zoii Nath Sarma, Sri Padmeswar Doley, Sri Sahidul Alam Choudhury, Sri Nazmul Haque. Sri Dewan Jaynal Abedin, Sri Chandra Mohan Patowary to move the cut motions. Shri Mission Ranjan Das.

* Shri Mission Ranjan Das : Sir, that the total provision of Rs. 1,01,52,000 under Grant No. 2 in respect of "Council of Ministers" at pages 1-6 of volume II part IV of the budget be reduced to Re. 1.00 i.e. the amount of the whole grant of Rs. 1,01,52,000 do stand reduced to Re. 1.00.

............ (interruption) ...............noise.............

* Speech not corrected

* Shri Zoii Nath Sarma : Sir, that the total provision of Rs. 1,01,52,000 under Grant No.2 in respect of "Council of Ministers" at pages 1-6 of volume II part IV of the Budget be reduced to Re.1.00 i.e. the amount of the whole grant of Rs. 1,01,52,000 do stand reduced to Re.1.00.

..........noise................noise..............

Mr. Speaker : I request, do not break the procedure of the House.

* Shri Dewan Jaynal Abedin : Sir, that the total provision of Rs. 1,01,52,000 under Grant No.2 in respect of "Council of Ministers" at pages 1-6 of Volume II Part IV of the Budget be reduced by Rs. 100.00 i.e. the amount of the whole grant of Rs. 1,01,52,000 do stand reduced by Rs. 100.00.

Mr. Speaker : Shri Chandra Mohan Patowary.

* Shri Chandra Mohan Patowary : Sir, that the total provision of Rs. 1,01,52,000 under Grant No.2 in respect of "Council of Ministers" at pages 1-6 of volume II part IV of the Budget be reduced to Re. 1.00 i.e. the amount of the whole grant of Rs. 1,01,52,000 do stand reduced to Re. 1.00.

Mr. Speaker : Shri Mission Ranjan Das

.......(interruption)..........

মাননীয় অধ্যক্ষ ঃ .........এখন কাটমোশন চলছে। এরমধ্যে এটা আসে না।

* শ্রীমিশন রঞ্জন দাস ঃ মহোদয়, যে গ্রান্ট এসেছে – আমি তার বিরোধীতা করে বলছি। কারণ .....(সদনে গোলমাল)............। ভারতীয় সংবিধান মতে মন্ত্রী সভার সাইজ – সদস্যদের শতকরা ১০ ভাগের বেশী হওয়া উচিৎ নয়। এই ব্যাপারে ভারতের প্রধানমন্ত্রী এবং রাষ্ট্রপতি মহোদয়ের মন্তব্যও বিবেচনা করা উচিত। তাদের কথাও বিবেচনা করলে মন্ত্রীসভা ছোট করা উচিত। এবং এতে সরকারী অর্থের ব্যয় সংকোচ হবে। জনগনের টাকার অপব্যয় কম হবে। অনেক মন্ত্রীকে তো বিনা কাজে মন্ত্রীত্ব দেওয়া হয়েছে। এটা জনগণের কোনও কাজে লাগছে না। তাই সংবিধানের নির্দেশ সাপেক্ষে এটা শতকরা ১০ এ কমিয়ে আনা উচিৎ। (ইন্টারাপশন) কারণ এই সমস্ত মন্ত্রীরা কোন কাজ করছে না। কেবল ইলেকশ্বনে

---

* Speech not corrected

পিস্তল হাতে নিয়ে রিগিং করার জন্য এদেরে রাখা হয়েছে। বদরপুর বিধান সভা উপনির্বাচনে ২৪ জন মন্ত্রী অর্থাৎ প্রায় সম্পূর্ণ কেবিনেট সেখানে ইলেকশ্বন কেম্পেন করতে গিয়েছিল। এইভাবে তারা কেবল দুর্নীতিকে প্রশ্রয় দিচ্ছে। তারা রাতের অন্ধকারে বিভিন্ন বিভাগের এস ডি ও, অক্জিকীউটিভ ইঞ্জিনীয়েরর সঙ্গে যোগাযোগ করে। রাতের অন্ধকারে তাদের এই গোপন সফরের উদ্দেশ্য কি তা আমার জানা নেই। আর এই সফরের জন্য সরকারকে লক্ষ লক্ষ টাকা টি এ বিল দিতে হচ্ছে। এজন্য আমি এই বিল'র বিরোধীতা করছি।

* শ্রীহিৰণ্য বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রী জয়নাথ শৰ্মা ডাঙৰীয়াই যি ৫৫ লাখ টকা হেৰাইছে বুলি কৈছে, বাতৰি কাকতত ওলোৱা বুলি কৈছে সেইটো সত্য নহবও পাৰে। গতিকে এইটো এক্সপাঙ্চ কৰি দিব লাগে।

..... (হুলস্থুল)..........

Mr. Speaker : I do not depend upon the newspaper reports. I do not view it and that is not recorded.

Now Hon'ble member Sri Zoii Nath Sarma.

* শ্রীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো মুখ্যমন্ত্রীৰ বিৰুদ্ধে কাট মোচন অনা হৈছে। মাননীয় মুখ্যমন্ত্রী মহোদয়ে ৰাজহুৱা স্বাৰ্থৰ বিপৰীতে গৈ নিজৰ স্বাৰ্থ ৰক্ষা কৰিছে। আজি বাতৰি কাকতত ওলোৱা মতে ৰাজহুৱা আচৰণৰ ক্ষেত্ৰত স্বয়ং মুখ্যমন্ত্রী অপৰাধী হোৱা যেন দেখা গৈছে। কথা হ'ল ১ কোটি টকা কিয় লাগে। তাৰে ৫৫ লাখ টকা কমাই দিব লাগে। ৫৫ লাখ টকা হেৰুওৱা ঘটনাটো আজি আলোচনা কৰিবলৈ দিব লাগে। বাতৰি কাকতত যিধৰণে ওলাইছে সেইটো মই পঢ়ি দিছো। ষ্টাফ ৰিপৰ্টাৰ - খবৰটো অতি গুপুত কিন্তু গৰম। ৫৫ নম্বৰ পুৰণি বিধায়ক বাস গৃহৰ পৰা বিতৰ্কিত নেতা মাতঙ্গ সিংৰ ব্রিফ কেচটো হেৰুওৱা বুলি প্রকাশ।

* Dr. Ardhendu Kr. Dey (Minister).............noise............

Under Rule 275 (i) nobody should read any article or express anything which affects the dignity of the house. So what he is reading it has become indecent and offensive. He cannot do this............

.............. noise ...............

* শ্রীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, আজি মই এই বিষয়টোত কমেই। সেই ৫৫ লাখ টকা ক'ত আছে সেইটোৰ বিচাৰ-খোচাৰ হব লাগে। এতিয়াই আলমাৰী ভাঙিব লাগে। বাতৰিটোত কোৱা হৈছে যে বাহৰ পাতি থকা বিতৰ্কিত নেতা মাতঙ্গ সিংহৰ ব্রিফ কেচটো হেৰুৱা বুলি এই ঘটনাৰ সূত্ৰপাত হৈছে।

* Speech not corrected

Mr. Speaker : As per rule 275 of the Rules of Procedure and Conduct of Business of the Assam Legislative Assembly. I quote "While the house is sitting, a member shall not read any book, newspaper of letter except in connection with the business of the house". The matter that you have raised has no connection with Grant No.2 and have no relevance.

* শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, সেই ৰুল যদি মই ভুল কৰা নাই তেনেহলে বক্তৃতাৰ ৰেফাৰেঞ্চত এই কথাটো মই আনিব পাৰো। যদি আপুনি এই ৫৫ লাখ টকাৰ কথাটো পঢ়িব নিদিয়ে তেনেহলে মই নপঢ়ো।

Shri Holiram Terang : Mr. Speaker, Sir, the Hon. Member has also quoted one Rule where it is said that any member can read out any materials. Sir, what you have said is correct. No member can read any book, newspaper or any other materials having no relevance to the matter under discussion. But, then sir, when one hon. member is speaking on the floor of the house no member should read out or quote anyting. You should give direction in this regard. What I want to say is that if an hon. member quote anything which is connected with the matter then he should be allowed to read out of the paper. The other day, Hon. Chief Minister was all along reading out materials from papers. As you have allowed the hon. Chief Minister he should also be allowed to read out from the paper. There is ample scope for the Govt. to come up with a reply.

Mr. Speaker : I have quoted the Rule. As far as I know and understand one can read out anything in brief only. He cannot read out in detail. He can quote that "such and such has been stated in the paper" and sometime quotations can also be made. How is it possible to read out materials in detail ? The hon. member cannot read out in detail. If I allow him to do so then the entire time for discussing the grant will go.

Shri Holiram Terang : Sir, my contention is that a member can read out the relevant portions from the paper when it is necessary.

* Speech not corrected

Shri Promode Gogoi : Sir, I want to raise a point that is about the interpretation of the Rule. Sir, we are discussing about the functioning of the Council of Ministers. The mover of the cut motion may like to criticise and discuss the misdeeds and mistakes of the council of Ministers and functioning of the Ministry. In that context, the mover can refer to any document or paper. Sir, the other day you allowed the hon. Chief Minister to read out from the newspaper. In the same way you should allow the hon. member to make references from documents in support of his arguments.

Now, we are discussing about the grant and while discussing about the grant we have the right to discuss and criticise the misdeeds and mistakes or any other thing which casts a shadow on the functioning of the council of Ministers. This is the reason why we have moved the cut motion.

Mr. Speaker. I have heard the hon. member Shri Gogoi. The procedure for discussing a grant is written in the Rules of Precedure and Conduct of Business in the Assam Legislative Assembly. What I want to say is that the matter raised by the hon. member Shri Zoii Nath Sarma is not connected with Grant No.2

Shri Promode Gogoi : Mr. Speaker, Sir, yesterday, Chief Minister has told to the press that he has managed some opposition member. That is the statement of Chief Minister which not been denied by him. Is it the proper functioning of a Chief Minister nay the council of Ministers. The statement made by the Chief Minister has been brought by the press today.

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, মোৰ এটা পইন্ট অব ক্লিয়াৰিফিকেচন আছে। শ্ৰীগগৈ ডাঙৰীয়াই এই সম্পৰ্কত যিটো কথা কৈছে সেইটো আপুনি মানি লোৱা নাই। যিহেতু এই গ্ৰেন্টটো মন্ত্ৰীসভাৰ খৰচ সম্পৰ্কীয় আৰু যিহেতু এটা দলে মেজৰিটি লৈ মন্ত্ৰীসভা গঠন কৰিছে গতিকে তেওঁলোকে এইটো পাছ কৰিবই। কিন্তু এই ক্ষেত্ৰত বাতৰিত প্ৰকাশ হোৱা নিচিনা ঘটনা বিলাক আলোচনা কৰিব দিব লাগে।

* শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, মই বক্তব্য ৰখাৰ আগতে এটা পইন্ট অব অৰ্ডাৰ দিছো। এই বিষয়ত এজন সন্মানিত মন্ত্ৰীয়ে কৈছে ইয়াৰ দ্বাৰা এইটো মিচ ইন্টাৰপ্ৰিয়েট কৰিছে। যদি

* Speech not corrected

এই বিষয়টো সদনৰ কাৰ্য্য-বিৱৰণীৰ লগত সংলগ্ন নহয় তেনেহলে বাতৰি কাকত পঢ়িব নোৱাৰিব। মই মোৰ কাট মোচনৰ সমৰ্থনত কব খুজিছো যে এই ৫৫ লাখ টকা কৰ পৰা কেনেকৈ হেৰাল? এই বিষয়টো ইয়াৰ লগত সম্পৰ্ক আছে।

মাননীয় অধ্যক্ষ ঃ বাতৰি কাকতৰ ৰিপোৰ্ট সকলো বিলাক সত্য নহবও পাৰে। We cannot take any decision on the newspaper report. গতিকে সেইটো হবও পাৰে নহবও পাৰে। গ্ৰেন্ট নং ২ মন্ত্ৰীসভাৰ বাবে খৰচ কৰিব লগীয়া টকা সম্পৰ্কীয় গতিকে সেই বিষয়েহে কব লাগে।

* Shri Golok Rajbongshi (Minister) : Sir, the MLA Hostel is under the administration of the Hon' Speaker. If he wants to say anything then he should take your permission.

* শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, পাৰ্লিয়েমেন্টেৰী মিনিষ্টাৰে আকৌ এটা ভুল কথা কৈছে। এই কোৱাৰ্টাৰটো মুখ্যমন্ত্ৰীৰ অধীনত আছে আৰু তাত যিটো ৫৫ লাখ টকাৰ চোৰ কাৰ্য্য হৈছে সেইটোৰ বিচাৰ হব লাগিব। কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মই আকৌ কব খুজিছো বাতৰি কাকতৰ কোনো এটা বিষয়ত কব পাৰি বুলি মই ইমান দিনে কৈ আহিছো। যোৱা কালি মুখ্যমন্ত্ৰীয়েও তেখেতৰ দীঘলীয়া বক্তৃতাত বহুতো বাতৰি কাকতৰ বাতৰিৰ ওপৰত কৈছে। এই এক কোটি টকা মন্ত্ৰী সকলে ক'ত ব্যৱহাৰ কৰিব সেই বিষয়ে আলোচনা কৰোতে তেখেত সকলৰ আচৰণৰ কথাটোও আলোচনা কৰিব লাগিব। আজি বাতৰি কাকতত আকৌ এটা বাতৰি পঢ়িবলৈ পাইছো যে ৮ জন কংগ্ৰেছী বিধায়কে হুইপ মনা নাই। এই ৮ জন বিধায়কে মুখ্যমন্ত্ৰীৰ সমৰ্থন প্ৰত্যাহাৰ কৰিছে। যদি এই ৮ জন বিধায়কৰ সমৰ্থন মুখ্যমন্ত্ৰীয়ে হেৰুৱাইছে তেনেহ'লে তেখেতে সদনৰ নেতা হৈ থকাৰ অধিকাৰ হেৰুৱাইছে। গতিকে মুখ্যমন্ত্ৰীয়ে নৈতিক দায়িত্ব মূৰ পাতি লৈ পদত্যাগ কৰিলে অসমৰ ৰাজনীতিৰ বুৰঞ্জীত সঁচাকৈয়ে এটা স্মৰণীয় কথা হৈ থাকিব আৰু যদি সেইটো মূৰ পাতি নলয় তেনেহলে হেৰোৱা ৫৫ লাখ টকাৰ লগত তেখেতো জড়িত হব।

মাননীয় অধ্যক্ষ মহোদয়, লালবাহাদুৰ শাস্ত্ৰী যেতিয়া ৰেলৰে মিনিষ্টাৰ হৈ আছিল, ৰেল দুৰ্ঘটনাৰ কাৰণে তেখেতে পদত্যাগ কৰিছিল। এই ৫৫ নম্বৰ কোৱৰ্টাৰটো জি,এ,ডি,ৰ আন্দাৰত আছিল নেকি? এই কোৱাৰ্টাৰৰ পৰাই ৫৫ লাখ টকা হেৰাইছে। এতিয়া কথা হ'ল এই টকা কেনেকৈ হেৰাল। এই বিষয়ে কিবা ব্যৱস্থা লৈছে নেকি? মই কাৰো পৰা চাৰ্টিফিকেট বিচৰা নাই - এই গোটেই বিষয়টো বিচাৰ্য্যৰ কথা হৈছে। 'আজিৰ অসম' বাতৰি কাকতত এই বিষয়ে কৈছে, শিক্ষা মন্ত্ৰী শ্ৰীভুমিধৰ বৰ্মণ আৰু মুখ্যমন্ত্ৰী নিৰ্বাচনৰ দায়িত্বত আছিল। আপুনি শুনিলে আচৰিত হব যে কেনেকৈ ভোট দিব লাগে মুখ্যমন্ত্ৰীয়ে আগ দিনা ব্লেকবোৰ্ড লৈ বুজাইছিল।

* Speech not corrected

* শ্ৰীআব্দুল জেলিল ৰাগিবী ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি ৰাজ্য সভাৰ নিৰ্বাচনৰ বিষয়টো আজিৰ সদনত আলোচনাৰ বিষয় হ'ব নেলাগিছিল।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো কোন গ্ৰেন্টত আনিছে?

* শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, যোৱা কালি নিৰ্বাচনৰ কথাটো আছে নে নাই ?

* শ্ৰীআব্দুল জেলিল ৰাগিবী ঃ অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে মাননীয় সদস্য গৰাকীয়ে অভিযোগ কৰিছে যে ৮ গৰাকী বিধায়কে হুইপ মনা নাই। এইটো আমাৰ দলীয় কথা। কিন্তু তেখেত সকলৰ পৰাই ২০ জন সদস্য পাইছো।

মাননীয় অধ্যক্ষ ঃ এইটো কাটমোচনহে। এই বিষয়ে কওঁক।

* শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱৰ ওপৰতেই কম। প্ৰথমতে মই মুখ্যমন্ত্ৰীৰ কথাটোকে কৈছো ৫৫ নম্বৰ কোৱাৰ্টাৰ –

* শ্ৰীহিৰণ্য বৰা ঃ অধ্যক্ষ মহোদয়, এইটো মুখ্যমন্ত্ৰীৰ আন্দাৰত। আগৰ মুখ্যমন্ত্ৰীৰ দিনত চাৰ্কিউট হাউচত ১০ হেজাৰ টকা হেৰাইছিল। তেতিয়া মুখ্যমন্ত্ৰীয়ে পদত্যাগ নকৰিলে কিয়?

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, জাগীৰোডত তচকৰ পৰা ৫৫ লাখ টকা ওলাইছিল।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ অধ্যক্ষ মহোদয়,পয়ন্ট অব অৰ্ডাৰ, জাগীৰোডত যি ৫৫ লাখ টকা পোৱা বুলি কৈছে, এই ক্ষেত্ৰত কিবা প্ৰমাণ আছে নেকি? এই কথাটো এজন দায়িত্বশীল মন্ত্ৰীয়ে কৈছে, মুখ্যমন্ত্ৰীয়ে এই বিষয়ে কব লাগে। মন্ত্ৰীয়ে ইয়াৰ প্ৰমাণ দিব লাগিব, যদি তেখেতে প্ৰমাণ দিব পাৰে, তেতিয়া হলে মই পদত্যাগ কৰিম আৰু যদি প্ৰমাণ দিব নোৱাৰে তেতিয়া হলে মন্ত্ৰীয়ে পদত্যাগ কৰিব লাগিব।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ ডাঙৰীয়া, ডঃ দে ডাঙৰীয়াই যি বাতৰিৰ কথা কৈছে, এই বিষয়ে মই শুনা নাই। দ্বিতীয়তে মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই টকা হেৰোৱা বুলি যি কৈছে এই ক্ষেত্ৰত কোনো কম্‌প্লেইন দিয়া নাই।

* শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, যি ৮ জন বিধায়কে হুইপ অমান্য কৰিছে সেইটো হয় নে নহয়?

মাননীয় অধ্যক্ষ ঃ আপুনি যদি কব খোজে কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত কওঁক। পাৰ্লিয়ামেন্টত ১ মিনিটত বহুত টকা খৰচ হয়, ঠিক তেনেকৈ আমাৰ সদনতো এক মিনিটত ২০ হেজাৰ নে ২৫ হেজাৰ টকা খৰচ হয়। প্ৰতি চেকেণ্ডৰ মূল্য আছে, এই মহা মূল্যবান সময় খিনি নষ্ট কৰিব নেলাগে - আজি কিবা এটা কলে নহ'ব, বাতৰি কাকতৰ কথা নেলাগে। মই মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মাক অনুৰোধ জনাইছো কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত যিমান কয় কওঁক। মই মাননীয় সদস্য সকলক অনুৰোধ কৰিছো কাউন্টাৰ এটেক্ট যাতে নকৰে। আমি সদনৰ

* Speech not corrected

প্ৰত্যেকে এক লাখ মানুহৰ প্ৰতিনিধি হিচাবে ডিগনিটি ৰাখিব লাগে। Dignity and honour of the House must be maintained.

* শ্ৰীপ্ৰমোদ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি মাননীয় অধ্যক্ষ মহোদয়ে সদনত ৰুলিং দিছে সংবাদপত্ৰত গুৰুত্ব দিব নোৱাৰে। সংবাদতপত্ৰত গুৰুত্ব দিব নোৱাৰা কথাটো স্পষ্টভাবে ৰুলিং হয় তেতিয়াহলে সংবাদ পত্ৰৰ কোনো বিষয়ৰ ওপৰত আমি 'চৰ্ট নটিশ কোৱেশ্যন, জিৰ আৱাৰ আদি আনিব নোৱাৰো। সেই কাৰণে আপোনাৰ এই ৰুলিঙৰ লগত এই কথাবোৰ জড়িত। আপুনি যিটো ২৭৫(১) পঢ়ি দিছিল - "While the House is sitting a Member shall not read any book, newspaper or letter except in connection with the business of the House." এতিয়া আমি আলোচনা কৰিছো গ্ৰেন্ট'ৰ about the functioning of the Council of Ministers. গতিকে এই কানেকশ্যনৰ যিকোনো বিষয় বাতৰি কাকতলৈ ৰেফাৰ কৰাৰ অধিকাৰ মাননীয় সদস্যসকলৰ আছে। মই পুনৰ এইটো বিবেচনা কৰিবলৈ কওঁ সংবাদ পত্ৰৰ, কোনো কাকতৰ সংবাদত গুৰুত্ব যদি নিদিয়ে, এইটো যদি অধ্যক্ষই ৰুলিং হিচাবে দিছে, তেতিয়া এইটো পুনৰ বিবেচনা কৰাৰ দৰকাৰ। Media has to play a role. এই কথাটোত গুৰুত্ব দিব লাগে। সদস্য হৰও পাৰে, সেইটো বেলেগ কথা — When I am on my leg nobody has the right to speak and some of the Members should know how to behave. অধ্যক্ষ ডাঙৰীয়া, যদি আপুনি এইটো ৰুলিং দিছে তেতিয়াহলে মই পুনৰ বিবেচনা কৰিবলৈ অনুৰোধ কৰিছো।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ শ্ৰীগগৈ ডাঙৰীয়া, মই কোৱা কথাখিনি বোধহয় আপুনি উপলব্ধি কৰিব নোৱাৰিলে, ভুলকৈ বুজিছে নেকি? মই এইটো কোৱা নাই - I am connected with the newspaper. এইটো বিচৰা নাই। যিহেতু ৩৮ বছৰ ধৰি মই সংবাদপত্ৰৰ লগত জড়িত হৈ আছো- I am connected with the newspaper for the last 3 decades. গতিকে মোৰ সংবাদ পত্ৰৰ প্ৰতি অনাৰ আছে। বাতৰিত ওলাইছে - What kind of man he is, he cannot do that. সেইবিলাক হবও পাৰে নহবও পাৰে। বাতৰিত অমুকে কৈছে তমুকে কৈছে কিন্তু এই ক্ষেত্ৰত কোনে লিখিছে প্ৰকাশ নাই। মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াক আমি বিশ্বাস, কৰিম। এই বাতৰিটোৰ সম্পৰ্কত কোনোৱে কেচ দিয়া নাই কমপ্লেইন দিয়া নাই সংবাদ পত্ৰখনক দোষ দিব পাৰি। Question of dignity is there. এইটোৰ ওপৰত আৰু আলোচনা কৰিব নেলাগে। গ্ৰেন্ট নং যি আছে That was my personal opinion only. এইটো মন্ত্ৰীৰ লগত সম্পৰ্ক নাই। গতিকে মই আশা ৰাখিছো মাননীয় সদস্যই ভুল নুবুজে যেন for the greater interest of the House.

* Speech not corrected

* শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, ৫৫ নং কোৱাটাৰত যদি মন্ত্ৰী নাই, বিধায়ক নাই তেন্তে কোন আছিল সেইটো কব লাগে।

* শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মই অলপ কবলৈ বিচাৰিছো। এই বাতৰিটো সঁচা নে মিছা এইটো প্ৰশ্ন নহয়। প্ৰশ্ন হৈছে যে কৰ্ত্তন প্ৰস্তাৱ আলোচনা হৈ আছে। সেই প্ৰস্তাৱৰ লগত এই বিষয়ৰ কথা সম্পৰ্ক আছে নে নাই সেই কথাটো বিচাৰ কৰিব লাগে? যদি আপুনি ভাবে এইটো 'ইৰিভেলেন্ট' তেতিয়াহলে ৰুলিং দিব পাৰে। বাতৰিকাকতৰ ওপৰত কোনো গুৰুত্ব দিব নেলাগে বুলি কোৱাটো ঠিক নহয়।

মাননীয় অধ্যক্ষ ঃ এইটো ভুল বুজাবুজি হৈছে। Hon'ble Member, I am very much sorry. এই কথাটো আগতে কৈছে Please do not do that. মিছাতে সময় বিলাক কিয় নষ্ট কৰে।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মোৰ এটা অনুৰোধ আছে। যেতিয়া হাউচত কথা কয় মাননীয় সদস্য বা মাননীয় মন্ত্ৰীয়ে তথ্য সহকাৰে কয় বুলি ধৰা হয়। এইটো পৰম্পৰা চলি আহিছে। এই পৰম্পৰাটো লোক সভা বা ৰাজ্য সভাটো চলি আহিছে। হাউচত যেতিয়া কমেন্ট দিয়ে বা কথা কয় তেতিয়া মাননীয় মন্ত্ৰীসকলে তাৰ তথ্য বা প্ৰমাণ থাকিলে দিব লাগিব। সদনত যেতিয়া কথা কয় যুক্তিসহকাৰে, তথ্যসহকাৰে কওঁক।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ ডাঙৰীয়া, মই প্ৰাক্তন মুখ্যমন্ত্ৰীৰ কথাটো মানিছো। আজি এই অৱস্থাটো কোনে সৃষ্টি কৰিলে। তেখেত মন্ত্ৰী আছিল। মন্ত্ৰী অৰ্দ্ধেন্দু কুমাৰ দেয়ে যি ৫৫ লাখ টকা পাইছিল সেই কথাটো মই পঢ়িছিলো। পিচত এই সম্পৰ্কে কি হল মই নেজানো। দ্বিতীয়তে হল কোৱাৰ্টাৰত যি ৫৫ লাখ টকা হেৰাইছে সেই বিষয়ে কোনো 'কমপ্লেন নাই'। এইটো কথা থিক যে সদনত কোনো সদস্যই কিবা কথা কলে তথ্য সহকাৰে কব লাগে।

Shri Nakul Das (Minister Veterinary) : Mr. Speaker Sir, may I draw your attention to page 138 to the Rule 279 (A) of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly? It reads like that "No allegations of a defamatory of incriminatory nature shall be made by a member against any person unless the member has given previous intimation to the Speaker and also to the Minister concerned so that the Minister may be able to make an investigation into the matter for the purpose of a reply".

---

* Speech not corrected

Provided that the Speaker may at any time prohibit any member from making any such allegations if he is of opinion that such allegation is derogatory to the dignity of the House or that no public interest is served by making such allegation".

So Sir, you have every right to make allegations.

* শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীৰ চৰকাৰী বাসভৱনত ৫০ নম্বৰ ৰুমত আলহী থকা কথাটো এজন মানুহে মোক আহি কৈছিল। আৰু তাৰ ওপৰত ভিত্তি কৰিয়েই মই সদনত কথাটো উলিয়াইছো। কিন্তু মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰটো সঠিকভাবে নিদিলে।

* শ্ৰীহিতেশ্বৰ শইকীয়া ঃ (মুখ্যমন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱা মোৰ আলহী ক'ত আছে বা ক'ত থাকে এই কথাটো সদনৰ লগত জড়িত কেনেকৈ হব পাৰে।

মাননীয় অধ্যক্ষ ঃ অন্য কিবা কথা থাকিলে কওঁক। এই কথাটো বাদ দিয়ক কাৰণ সময় নষ্ট কৰি লাভ নাই।

* শ্ৰীজয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, ১ কোটি ৫০ লাখ টকাৰ অনুদানৰ কথাটো মই নীতিগতভাবে বিৰোধিতা কৰিছোঁ। বিৰোধীতা এই কাৰনেই কৰিছো মন্ত্ৰী সকলে অতিৰিক্তভাবে টকাৰ অপব্যৱহাৰ কৰাৰ প্ৰমাণ আমাৰ হাতত আছে। আজি আমাৰ ২৭৮ নং প্ৰশ্ন মই লিখিতভাবে কৰিছিলো। তাৰ উত্তৰ বিচাৰিছো যদিও দেখা গৈছে যে ১৬ খন গাড়ী মন্ত্ৰী সকলে নতুনকৈ কিনিছে যোৱা জুন মাহত আৰু ৮ খন গাড়ী কিনিছে যোৱা ফেব্ৰুৱাৰী মাহত। অধ্যক্ষ মহোদয়, এখন এম্বেচাদৰৰ দাম তুলনামূলকভাবে ২০ হাজাৰকৈ বেচি টকা দি কিনাত আঢ়েলাখ টকা অধিকভাবে ভৰিব লগা হৈছে। এতিয়া এই অতিৰিক্ত টকাখিনিৰ কাৰণে চৰকাৰে খৰচখিনি ক'ত দেখুৱাব, তাৰোপৰি এই নতুন গাড়ী কেইখন কিনি উঠিয়েই যদি মেৰামতি কৰিব লাগে তেনেহলে নতুন গাড়ী কিনাৰ অৰ্থ কি? অধ্যক্ষ মহোদয়, অসমৰ ভিতৰতে, গুৱাহাটীৰ ভিতৰতে যদি ইমান টকা ভৰিব লগীয়া হয় তেনেহলে বাহিৰত মেৰামতি কৰিবলৈ হলে আৰু বেচি ভৰিব লাগিব, এইটো সম্ভৱনে? এখন চিঠি পঢ়ি দিয়ে। অধ্যক্ষ মহোদয়, গাড়ী মেৰামতিৰ নামত বিলৰ টকা এতিয়ালৈকে মটৰ মেকানিকে বা গেৰেজৰ মালিকে পোৱা নাই। অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে প্ৰাক্তন মন্ত্ৰী সকলেও আগতে কিনি লৈছিল। মই কব খুজিছো আমাৰ হয়তো সেইটো ভুল হৈছিল সেইবুলি আপোনালোকেও আমাক ফ'ল কৰিবনে? মই কথাটো কৈছোঁ। খৰচ কমোৱাৰ কাৰণেহে, আমি মিত্যব্যয়িতাৰ কাৰণেহে অৱলম্বন কৰিব লাগে

* Speech not corrected

যাতে আমি সেই টকাখিনি অন্য এটা ভাল কামত লগাব পাৰো। মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী সকলে যেতিয়া ভ্ৰমনত যায় আৰু চৰকাৰী গাড়ী লৈ যায় আৰু নিজৰ সমষ্টি পৰিদৰ্শন কৰি আহে যেতিয়া তেতিয়া ভ্ৰমন বানচ কিয় লব লাগে কাৰণ বিভাগীয় গাড়ীত নিজৰ সমষ্টিত গলে কি খৰচ থাকিব পাৰে। অৱশ্যে মন্ত্ৰী সকল ভ্ৰমনত গলে চৰকাৰৰ পৰা বানচ লোৱাটো পৰম্পৰাভাবেই চলি আহিছে। মই অৱশ্যে নিজেই লোৱা নাছিলো। মোৰ দুই ঠাইত ভাৰা ঘৰো নাই।

* শ্ৰীচন্দন কুমাৰ সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে প্ৰমাণ দিব পাৰিবনে যে কোন কোন বিধায়কৰ দুই তিনিঠাইত ভাৰা ঘৰ আছে।

* শ্ৰীজয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়ালৈকে কোৱা নাই যে কোনোবা বিধায়কে দুই ঠাইত ভাৰা ঘৰ লৈ আছে বুলি, মইহে লোৱা নাই বুলি কৈছো। অধ্যক্ষ মহোদয়, পঞ্চায়ত নিৰ্বাচনৰ সময়তো চৰকাৰী গাড়ী ব্যৱহাৰ কৰা দেখা গৈছিল আৰু মন্ত্ৰী সকলে আনকি নিজৰ সমষ্টিত ইলেকচনৰ প্ৰচাৰৰ বাবে যাওঁতে ভ্ৰমন বানচ লোৱা দেখা গৈছিল। কিন্তু নিজৰ পাৰ্টিৰ স্বাৰ্থত গৈও কিয় ভ্ৰমন বানচ লোৱা হৈছিল সেই কথা মই নাজানো, আনকি বিধান সভাৰ নিৰ্বাচনৰ সময়ত বদৰপুৰলৈ প্ৰায়বিলাক মন্ত্ৰীয়ে চৰকাৰী গাড়ী লৈ নিৰ্বাচনৰ প্ৰচাৰৰ বাবে গৈছিল আৰু তেখেতসকলে চৰকাৰী গাড়ী নিয়া উচিত নাছিল। (ভইচ......... আপোনালোকেও নিছিল)। আমাক কিয় ফ'ল কৰিছে, আমি যি কৰিছিলো তাকেই কৰিব নেকি ? আজিৰ আমাৰ দৰেই আপোনালোকৰো অৱস্থা হবগৈ, চাই থাকক কালি দেখা পাইছে নহয়। মই এইবোৰ কোৱাৰ কাৰণে আপোনালোকেও অপ্ৰাসংগিক বুলিহে কব। মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ টেলিফোনৰ বিষয়ে কব খুজিছো যে টেলিফোনৰ বিলৰ কথা শুনিলে আচৰিত হব লাগে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইবিলাকত চকু দিলে ভাল আছিল কাৰণ টেলিফোনৰ বিলৰ নামত বহু টকা অপচয় হোৱা দেখা যায় আনকি যোৱা কালি ৰাজ্য সভাৰ নিৰ্বাচনৰ বাবে বাজপায়ীলৈ টেলিফোন কৰাৰ কথাও কোনোবা মন্ত্ৰীৰ ঘৰৰ পৰা কৰিছে। মই সেই কথা জানো। অধ্যক্ষ মহোদয়, মোৰ কোৱাৰ্টাৰলৈ টেলিফোনেৰে থ্ৰি-টেনিং দিছিল। মন্ত্ৰীৰ ঘৰৰ টেলিফোন বিলাক যেয়ে সেয়ে কৰাতো পৰিলক্ষিত হৈছে। মন্ত্ৰীৰ ল'ৰা-ছোৱালী, পুতেক-বোৱাৰীয়েক আদি কত কিমানে যে কৰে তাৰ সীমা নাই। গতিকে মুখ্যমন্ত্ৰী মহোদয়ে এই কথাবোৰলৈ অকণমান চকু ৰাখিব লাগে। অধ্যক্ষ মহোদয়, চৰকাৰী গাড়ীবোৰ মন্ত্ৰী সকলে ব্যক্তিগত কামত ব্যৱহাৰ কৰিব পাৰে নেকি ? অগ্ৰদূত কাকতত কোনোবা এজন মন্ত্ৰীয়ে নিজৰ পুতেকক এখন গাড়ী এৰি দিয়া বুলি বাতৰি ওলাইছে আৰু মন্ত্ৰীৰ ঘৰৰ ল'ৰা-ছোৱালী আৰু পুতেক-বোৱাৰীয়েককে আদি কৰি ক'ত কেনেকৈ গাড়ী চলায় তাৰ সীমা সংখ্যা নাই। গতিকে

* Speech not corrected

মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়ে চকু দিলে ভাল হ'লহেতেন। আৰু এটা কথা অধ্যক্ষ মহোদয়, সকলো বিলাক গাড়ীত ৰঙা লাইট লগোৱাটো উঠাই দিব লাগে। কেৱল মন্ত্ৰী সকলৰ গাড়ীতহে ৰঙা লাইট লগাব লাগে। কাৰণ ৰঙা লাইট মানেই ভি আই পি বুজায়। গতিকে যিকোনো গাড়ীতে ৰঙা লাইট দি চাইৰেন বজাই আহিলে বাকী ট্ৰেফিক সকলৰ অলপ অসুবিধা হয়, মুখ্যমন্ত্ৰী মহোদয়ৰ কথাটো বেলেগ। কাৰণ তেওঁৰ চিকিউৰিটিৰ কথা আছে। উদাহৰণ স্বৰূপে কেইদিনমান আগতে মই এম্বেচাদৰেৰে আহি আছিলো আৰু মোৰ পিচত চাইৰেন বজোৱা গাড়ীৰ শব্দ শুনি মই ড্ৰাইভাৰক কৈছিলো গাড়ী ৰাখি দিয়া ভি আই পি আহিছে। কিন্তু গাড়ী ৰাখি দেখো যে এজন সাধাৰণ বিধায়কহে। গতিকে যিকোনো গাড়ীতে ৰঙা লাইট বা চাইৰেন বজোৱাটো বন্ধ কৰিব লাগে।

অধ্যক্ষ মহোদয়, আজি কিছুদিন আগতে মোৰ ঘৰত ১৮ জন মানুহ আহিছিল আৰু তাৰে ৬ জন প্ৰাপ্তবয়স্ক। আনহাতে ঘৰুৱা অৱস্থা বেয়া। নিৰ্বাচনৰ সময়ত যথেষ্ট কষ্ট কৰিলো আপোনাৰ কাৰণে গতিকে এতিয়া কিবা এটা কৰক। তেতিয়া তেখেতে কলে যে মন্ত্ৰীৰ ওচৰলৈ গৈছিলো মন্ত্ৰীয়ে দৰখাস্তত চহীয়ে নকৰিলে কাৰণ চহী কৰাটো নিষিদ্ধ কৰি দিছে। আনফালে এই কথাটোত মই ভালপোৱা নাই কাৰণ মন্ত্ৰী সকলৰ অধিকাৰ খৰ্ব কৰা হৈছে আগতে মন্ত্ৰী বিধায়ক সকলে প্ৰচাৰ কৰিছিল যে ২ বছৰত ৬৫ হাজাৰ চাকৰি দিয়া হব তাৰ পিচত ওলাল ৬৩ হাজাৰ বুলি, তাৰ পিচত ওলাল ৫৫ হাজাৰ বুলি, তাৰ পিচত আকৌ ৪০ হাজাৰক চাকৰি দিব বুলি ওলাল। অৱশেষত মন্ত্ৰী সকলে দৰখাস্তত চহী কৰাটোৱেই বন্ধ। গতিকে গাওঁৰ নিবনুৱা ল'ৰা-ছোৱালীক ভুৱা দি নচুৱাই থকা হৈছে। গতিকে চৰকাৰে যদি চাকৰি দিবই নোৱাৰে, তেতিয়াহলে এনেকৈ ভুৱা প্ৰচাৰ কৰাৰ কি অৰ্থ থাকিব পাৰে। অধ্যক্ষ মহোদয়, এইবাৰ আকৌ পুনৰ কব খুজিছো যে মোৰ সমষ্টিত এজন মানুহে আহি ক'লে যে কংগ্ৰেছৰ বিধায়কে চহী কৰিলেহে চাকৰি হব আৰু যদি কংগ্ৰেছৰ বিধায়ক নহয় তেতিয়াহলে পাৰ্টিৰ সদস্যৰ দুটকীয়া টিকেট লব লাগিব। মই ক'লো - ঘৰৰ পৰিয়াল কিমান। ১৮ টা। তেতিয়া মই কলো যে কিমান পইচা লাগিব। তেখেতে তেতিয়া ক'লে ৯ জনৰ দুটকাকৈ ১৮ টকা লাগিব। মই ৫০ টকা উলিয়াই দিলো আৰু কংগ্ৰেছৰ টিকেট লৈ চাকৰি কৰি মোৰ তাত আকৌ আহিবি কিন্তু দুৰ্ভাগ্য যে আজিলৈকে কংগ্ৰেছৰ টিকেট লৈ চাকৰি কৰি উভতি অহা নাই। আজি ছমাহ হ'ল।

মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰীয়ে দৰ্খাস্তত চহী মাৰিব নোৱাৰে বুলি সিদ্ধান্ত লৈছে। এইটোত আমি ভাল পাইছো। কিন্তু এই সিদ্ধান্তটো আপোনালোকে খৰ্ব কৰিছে। প্ৰথমতে ২ লাখ দৰ্খাস্তকাৰীক চাকৰি দিম বুলি কলে। দুই লাখৰ পৰা ৬৫ হেজাৰ তাৰ পিচত ৬৩ হেজাৰ। আকৌ ৬৩ হেজাৰৰ পৰা ৪০ হেজাৰ হ'লগৈ। পিচত একেবাৰে চহী

মৰাই বন্ধ কৰি দিলে। এইবিলাকক মন্ত্ৰী সকলে প্ৰতাৰণা কৰা নাইনে? এজন ল'ৰাই মোৰ ওচৰলৈ আহি ক'লে মই আপোনাৰ লগত লাগি থকাৰ কাৰণে এতিয়া মোৰ চাকৰি নহয় কাৰণ মই কংগ্ৰেছী নহও। মোৰ পৰিয়ালৰ মানুহ ১৮ জন। তেতিয়া মই ল'ৰাজনক সুধিলো চাকৰি লব পৰা প্ৰাপ্তবয়স্ক লোক কেইজন আছে। তেওঁ কলে ৯ জন আছে। তেন্তে এটকা, ২ টকা নহয় ৪-৫ টকাৰ টিকট লৈ মানে কংগ্ৰেছৰ টিকট লৈ চাকৰিটো লোৱা। টিকটটো লৈ আহি মোক কলে দাদা চাকৰি হোৱা নাই। আপোনালোকে ক'ত কি কৰি আছে - বিশেষকৈ শিক্ষা মন্ত্ৰীয়ে ক'ত কেনেকৈ দ্ৰাইভ কৰিছে সেই সকলো তথ্য আমাৰ হাতত আছে। এগৰাকী মহিলা মিচেচ বৰুৱা বুলি তেখেতে মঙ্গলদৈত ভূমি উপদেষ্টা বৰ্ডৰ সদস্য হৈছে আৰু আনফালে ওদালগুৰি ভূমি উপদেষ্টা বৰ্ডৰ সদস্য হৈছে এইটো কেনেকুৱা কথা। আপোনালোকৰ গোটেই দ্ৰাইভ বিলাক আমি চলাই আছো। অধ্যক্ষ মহোদয়, আৰু এটা কথা হৈছে - এজন মন্ত্ৰীয়ে পিচত ১০ খন গাড়ী নিব পাৰে নেকি? মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ কথা সুকিয়া। তেখেতে নিৰাপত্তাৰ খাটিৰত পিচত ১০ খন গাড়ী নিয়াত আপত্তি কৰা নাই। ..... অধ্যক্ষ মহোদয়ে আনিবলৈ অনুমতি দিছে আনক সেই বিষয়ত আপত্তি কৰা নাই। মন্ত্ৰীৰ গাড়ীৰ পিচত ১০ খন গাড়ী যোৱাটো ভাল পাই যোৱা নহয়, তেল পাই যোৱাৰ দৰেহে হয়। এদিন চাৰ্কিট হাউচলৈ যাওঁতে দেখিলো কেইজনমান মানুহে মন্ত্ৰীৰ লগত কথা পাতি আছিল। মানুহ কেইজন ওলাই অহাত দেখিলো সেইকেইজন মোৰ লগত ফুৰা মানুহ। মানুহকেইজনৰ লগত কথাই নাপাতিলো। হব হব বুলি ক'লো। কাৰণ ঘামি-যামি অৱস্থা নোহোৱা হব। এজন লোকক বাইদেউৰ ওচৰলৈ পঠিয়াইছিলো। মই কলো যে বাইদেউৰ আগত জয়নাথ শৰ্ম্মাক দুষাৰ গালি পাৰি দিলে দৰ্খাস্তত চহী কৰি দিব। পিচে কোৱামতে কাম হ'ল। থিক তেনেকৈ কন্দৰ্প ডাঙৰীয়াৰ ওচৰলৈ পঠিওৱাত এজন লোকৰ হাইয়াৰ চেকেণ্ডাৰীৰ চাকৰিটো হ'ল। লোক জনৰ নামটো নকও কাৰণ চাকৰিটো নাথাকিবও পাৰে। আমি কেনেকৈ দ্ৰাইভ কৰিছো তাৰ কেইটামান উদাহৰণহে দিছো। আপোনালোকে ৰাইজক যিমানে প্ৰতাৰণা কৰিব আমি সিমানে আপোনালোকৰ সকলো দোষৰ কথা কব পাৰিম। মাতঙ্গ সিং ডাঙৰীয়াই এটা সাংঘাটিক কথা কলে "খৰিদ কৰেগা তো কৰেগা খুদ অন্দৰ মে কৰেগা"।

মাননীয় অধ্যক্ষ মহোদয়, খুদ অন্দৰমে হৈ গ'ল। কেইজনমানে দায়িত্ব মূৰ পাতি লৈ মাননীয় মুখ্যমন্ত্ৰীক প্ৰতাৰণা কৰাৰ দৰে যি ৮ জন বিধায়কে ভোট নিদিলে তেখেত সকলৰ কাৰণে সংখ্যালঘুত পৰিণত হবলগীয়া হল। সেই ৮ জনৰ ওপৰত কোনো বিশ্বাস নাথাকে। পৰোক্ষভাৱে নকৰি প্ৰত্যেক্ষভাবে সংখ্যালঘু কৰিলে। এই ৮ জন বিধায়কে পোনপটিয়াকৈ অনাস্থা আনিছে। এইখন মন্ত্ৰী সভা ভঙ্গ কৰি এখন নতুন মন্ত্ৰী সভা গঠন

কৰা হওক। আমি ৫ টা বছৰে বিৰোধী পক্ষত থাকি আপোনালোকৰ গোটেইখিনি নিৰীক্ষণ কৰি থাকিম। মাননীয় অধ্যক্ষ মহোদয়, ১ বছৰৰ ভিতৰত পাৱাৰ লছ হয় নে বৃদ্ধি হয় চাম কিন্তু এ, এচ, ই, বিয়ে চাৰ্কোলাৰ ইছু কৰিছিল যে পাৱাৰ বৃদ্ধি কৰা নহয়। এ, এচ, ই বিয়ে এটা ৰিজলিউচন লৈছিল যে ফাৰ্দাৰ এক্সটেনচন কৰা নহয় তেনে ক্ষেত্ৰত শক্তিমন্ত্ৰীয়ে কেনেকৈ কব পাৰে যে ১ বছৰৰ ভিতৰত শক্তি সঞ্চয় কৰিব? মই এটা চৰ্ট নোটিচ কুৱেচনত এটা কথা উল্লেখ কৰিছিলো যে মন্ত্ৰী সকলে ভাল কাম কৰিলে প্ৰতিযোগিতামূলক হ'ব লাগে। যাতে মন্ত্ৰী সকলৰ ভাল গুণ গাব পাৰো। বেয়া কাম কৰিলে জনসাধাৰণৰ মনত ৰাজনৈতিক ভাৱে কুফলৰ অধ্যায় হ'ব। নকল চাৰ্টিফিকেট আৰু নকল ঘৈনী একে কথা। যিজন মন্ত্ৰীয়ে ১ কোটি টকা বিচাৰিছে সেইজন মন্ত্ৰীয়ে দুখীয়া ৰাইজৰ দুখ মোচনৰ কামত লগাব লাগে। ৰাইজৰ টকা অন্য কামত কিয় খটাব? এ, জি, পিয়ে যোৱা ৫ টা বছৰ কি কৰিলে কি নকৰিলে আপোনালোকে কিয় অনুসৰণ কৰে? আমি কিবা বেয়া কাম কৰিব পাৰো আপোনালোকে ভাল কাম কৰক। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে এটা লিখিত প্ৰশ্নৰ উত্তৰ দিছে যে অভিযোগবিলাকৰ দিচকাচন কৰিব লাগে। মুখ্য মন্ত্ৰী মহোদয়ে কৈছে যে চি, বি, আই লগাব। আমি শৰ্ম্মা ডাঙৰীয়াক ভাল বুলি জানিছিলো কাৰণ পেপাৰত তেখেতৰ বিষয়ে ডাঙৰ ডাঙৰ হেডিঙত তেখেতৰ প্ৰসংসাৰ কথাই লিখা থাকে। আপোনালোকে এতিয়া নিয়ম কৰিছে যে দৰ্খাস্ত ফৰৱাৰ্ড কৰিব নালাগে, কিন্তু এতিয়াও দৰ্খাস্তবিলাকত মনে মনে ৰিকমেন্ড কৰি আছে। আমাৰ মাননীয় সদস্য শ্ৰীচন্দ্ৰমোহন পাটোৱাৰীয়ে কৈছিল যে মহিলা সমিতিৰ মহিলা সকলক মুখ্যমন্ত্ৰীয়ে সুতা দিব লাগে। আচলতে যি বিভাগত যি জন মন্ত্ৰী থাকে তেখেতকহে জনাব লাগে।

(Mr. Speaker vacated the chair and Mr. Deputy speaker occupied the chair).

মাননীয় উপাধ্যক্ষ মহোদয়, সেইদৰে আমি বিভিন্ন কামৰ কাৰণে মন্ত্ৰী সকলৰ ওচৰলৈ যাও, পৰিবহনৰ কথা হলে পৰিবহন মন্ত্ৰীৰ ওচৰলৈ যাও। সেইদৰে শিক্ষা মন্ত্ৰী, সমাজ কল্যাণ মন্ত্ৰীৰ ওচৰলৈ ২/৩ বাৰ গৈছো আৰু আৱশ্যক হলে আকৌ যাম। তাৰ পাচত চাওক মন্ত্ৰী সকলৰ বেছি ভাগেই দুখন দুখন গাড়ী ব্যৱহাৰ কৰি আছে। এখন তেওঁলোকে কাউনচিল অব মিনিষ্টাৰৰ ফালৰ এলোটেড গাড়ী ব্যৱহাৰ কৰি আছে আৰু বিভাগৰ ফালৰ পৰাও গাড়ী ব্যৱহাৰ কৰি আছে। সংশ্লিষ্ট বিভাগ বিলাকত গাড়ী আছেই, গতিকে তেওঁলোকে সেই বিভাগৰ পৰা গাড়ী আনি ব্যৱহাৰ কৰি আছে। আকৌ চৰকাৰৰ ফালৰ পৰা এখন চাৰ্কুলাৰ দিছে যে যদি বিভাগৰ ফালৰ পৰা গাড়ী দিয়া নহয় তেতিয়াহলে মন্ত্ৰীজনক ভ্ৰমণৰ সময়ত কোনো এচকোৰ্ট দিয়া নহ'ব। আপোনালোকে কওক হয় নে নহয় যে প্ৰত্যেক মন্ত্ৰীৰ হাতত দুখন দুখন গাড়ী আছে নে নাই? এইটো কোনেও নুই কৰিব

নোৱাৰে। তাৰ পাচত আৰু এটা সাংঘাটিক কথা এটা হৈছে — সেইটো হ'ল আমাৰ যি সকল মন্ত্ৰী আছে তেওঁলোকক এতিয়া একোজনকৈ কনফিদেনচিয়েল এচিষ্টেন্ট দিয়া হৈছে, এতিয়া তেওঁলোকক কনফিদেনচিয়েল এচিষ্টেন্ট বুলি কবনে, কলেকশ্যন এচিষ্টেন্ট কব। মন্ত্ৰী সকলৰ লগত পি, এচ, পি, একে ধৰি যথেষ্ট সংখ্যক ষ্টেনো আৰু কৰ্ম্মচাৰী দিয়া হৈছে। তেনে ক্ষেত্ৰত এই কনফিদেনচিয়েল এচিষ্টেন্টজন কিয় প্ৰয়োজন হ'ল? এজন বেচৰকাৰী মানুহক চৰকাৰী কামত কিয় প্ৰয়োগ কৰা হ'ল। অ' আমাৰ আপত্তি নাই যদি তেওঁলোকক নিয়মীয়া চাকৰিত নিযুক্তি দিয়ে। গতিকে এই কনফিদেনচিয়েল এচিষ্টেন্টজনক কলেকশ্যন এচিষ্টেন্ট বুলি কব পাৰি। এইবিলাক কথা বাতৰি কাকতত সঘনাই ওলাই আছে। ইপাধ্যক্ষ মহোদয়, এজন হাবিলদাৰৰ বয়স ৫৫ বছৰ হোৱাৰ পাচত তেওঁক আকৌ নিযুক্তি দিয়া হৈছে এজন মন্ত্ৰীৰ হস্তক্ষেপত। দেশখনৰ ৰাজ্যখনৰ সৰ্বসাধাৰণ ৰাইজৰ স্বাৰ্থৰ হকে এই ১ কোটি টকা কমাই আপোনালোকে অলপ আ...... ৰেচট্ৰেইন্ট কৰক। আপোনালোকক অসমৰ মানুহে বেয়া নাপায়, তেতিয়া ভাল পাব। দুখলগা কথা যে আপোনালোকে মন্ত্ৰী সভাৰ শপত গ্ৰহণ কৰাৰ কাৰণে ৩৪ লাখ টকা খৰচ কৰি বৃহত, পেন্ডেল দিলে, শপত গ্ৰহণ কৰাৰ কাৰণে কিয় ইমান টকা খৰচ কৰিব লগীয়া হ'ল? আপোনালোকক বিষয়া সকলে জেক দিয়ে আৰু আপোনালোকে জেকত উঠি যায়, কিয় আপোনালোকে জেকত উঠিযায়? দুখীয়া জনসাধাৰণৰ এই টকা-পইচা লৈ আপোনালোকে ৩৪ লাখ টকা খৰচ কৰি শপত গ্ৰহণ কৰিলে, আলোচনাৰ কালত মুখ্যমন্ত্ৰী মহোদয়ে অনুসন্ধান কৰিম বুলি কৈছিল কিন্তু কৰা নাই। আকৌ আলফাৰ যিমান টকা কলেকশ্যন হৈছে সেই বিষয়ে সুধিলে কয় চিকিয়োৰিটি কাৰণত এই বিষয়ে নকও বুলি কয়। পুলিচ মিলিটিৰীয়ে য'ত য'ত আলফাৰ টকা উদ্ধাৰ কৰিছে আৰু কিমান টকা কৰিছে সেইটো সঠিক কৈ নকয়, বাতৰি কাকতৰ যোগে আমি পাও যে এই টকাৰ পৰিমান বেচি হব পাৰে। এবাৰ আকৌ বেংকৰ কৰ্ম্মচাৰী এজনক লৈ গৈছে পিচত পুনৰ ঘুৰাই দিছে। মই ভাবো এই আলফাৰ পৰা উদ্ধাৰ কৰা পইচা খিনিৰে আপোনালোকে এটা ডেভেবলপমেন্ট ফান্ড খোলক তাৰে অসমৰ সমগ্ৰ বিধবা সকলৰ কাৰণে কল্যাণ মুলক আঁচনিৰ ব্যৱস্থা কৰক। গতিকে সৰ্বসাধাৰণ দুখীয়া ৰাইজৰ পইচা খিনি খৰচ কৰোতে আপোনালোকে অলপ আত্মসংযমী হওক। আৰু এটা কথা মনকৰিব লগীয়া আজি অমুক তমুকৰ সোহাত, গতিকে সেই জনক লগ ধৰিলেহে কাম বিলাক হব, এই কথাবিলাক আপোনালোকে বন্ধ কৰক. মই শিক্ষা মন্ত্ৰীক কৈছিলো আমাৰ দলীয় বিধায়কেই হওক বা বিৰোধী পক্ষৰ বিধায়কেই হওক তেওঁলোকে দিয়া পৰামৰ্শ সমূহ গুৰুত্ব সহকাৰে বিবেচনা কৰিব লাগে। অৱশ্যে শিক্ষা মন্ত্ৰীক লগ ধৰোতে ততকালিন ভাবে ফোন কৰি খবৰ কৰিলে আৰু একশ্যন লম বুলি জনালে, সেইদৰে মন্ত্ৰী জেহিৰুল ইচলাম ডাঙৰীয়াও ততকালে ললে আমি ভাল

পাও আৰু ৰাইজেও ভাল পাব কিন্তু দলীয় কৰ্ম্মীৰ কথাত এই কথাবিলাক তল পৰিব নালাগে। কিন্তু বেয়া কথা এটা হৈছে সেইটো হ'ল আপোনালোকে ডি, চি, এচ, পিক কৈ থয় আৰু মনে মনে মাতি আনি কয় যে বিৰোধী পক্ষৰ সদস্যই কিবা কলে কামটো নকৰিব। খবৰ কাগজত মোৰ বন্ধু এজনৰ লগত জৰিত কৰি এটা বাতৰিত ওলাইছে 'হিৰোয়িন চুৰি কৰাৰ কথা, এইবিলাক শুনিলে বেয়া লাগে কিয়নো তেওঁ মোৰ বন্ধু মানুহ।

* শ্ৰীগৌতম ৰয় (ৰাজ্যিক মন্ত্ৰী) ঃ (সেইটো মোৰ নহয়, আপোনালোকৰ চৈহিদুল আলম চৌধুৰীক পুলিচে বান্ধি নিছে।)

* শ্ৰীজয়নাথ শৰ্ম্মা ঃ এগৰাকী মন্ত্ৰীৰ কথা জড়িত কৰিছে অৱশ্যে সেইটো ডিচপিউটেড। মই আশা কৰো তেনে কাম তেখেতে নকৰে। তাৰ পাচত দেখা যায় ৰুৰাল দিপাৰ্টমেন্টৰ সম্পৰ্কত, আজি ৰুৰাল এৰিয়াৰ কাৰণে বন্টন কৰা টকা কেনেকৈ চহৰত খৰচ কৰিব পাৰে? আৰু এটা কথা শুনিবলৈ পাও কেবিনেট মন্ত্ৰী আৰু ৰাজ্যিক এই কাজিয়াৰ কথা ফাইল লৈ তেওঁলোকৰ মাজত টনাটনি লাগে, ৰাজ্যিক মন্ত্ৰীয়ে ট্ৰেন্সফাৰ কৰিলে কেবিনেট মন্ত্ৰীয়ে ষ্টে কৰে ফলত জড়িত মানুহ জনৰ বিলাই বিপত্তি নাইকিয়া হয়। তেতিয়া মই কলো আপোনালোকে মানুহজনৰ বিপদ সৃষ্টি নকৰিব আপোনালোক দুইজনেই চহী কৰি দিয়ক যাতে মানুহ জনৰ কিবা এটা ব্যৱস্থা হয়। আপোনালোকে এই ফাইল লৈ টনাটনি নকৰিব, এইবিলাক নীতি বিৰুদ্ধ কথা।

উপাধ্যক্ষ মহোদয়, মই এটা কথা মন্ত্ৰী সকলক কৈছো, যে আপোনালোক এটা কথাত নিশ্চয় একমত হব যে, বাস্তৱ ক্ষেত্ৰত আপোনালোকে ব্যয় সংকোচন কৰিবলৈ গৈ ব্যয় অতিমাত্ৰাহে কৰিছে। এজন মন্ত্ৰীয়ে অধিবেশন শেষ হোৱাৰ পিচত তেওঁ দিনে কিমান টকা চৰকাৰী ৰাজভৰালৰ পৰা খৰচ কৰিছে দিনে হিচাব কৰিব। ৰাইজক জনাব নালাগে, নিজে খৰচ কমোৱাৰ ব্যৱস্থা কৰক। মধ্যবৰ্ত্তী মানুহৰ ওপৰত চকু দিব লগা হৈছে। মই ব্যক্তিগত ভাবে বহুতো মন্ত্ৰীক দেখিছো যি কৰাপচনক প্ৰশ্ৰয় নিদিয়ে। পেটত কিবা আছে যদি নাজানো। এজন মধ্যবৰ্ত্তী লোকে নকুল দাসৰ নামত ফোন কৰিছিল কিন্তু পিচত জনা গল যে, এজন এম, পিয়েহে নকুল দাসৰ নামত ফোন কৰিছিল। এইবিলাক কথা আমি দেখিবলৈ পাইছো। কালি সমবায় মন্ত্ৰীৰ বিৰুদ্ধে ডেভেলপমেন্ট ফান্দৰ পৰা মাহে মাহে ১০ হেজাৰ কৰি টকা দিয়াৰ সকলো তথ্যপাতি ইয়াত দিছো। বিচাৰ হবনে নহয়? যদি বিচাৰ নহয়, মন্ত্ৰী সকলে এনেকুৱা কাম কৰাত উৎসাহ পাব। এই উৎসাহত আপোনালোকে কিয় ফুৱেল দিয়ে বা ইন্ধন যোগাইছে? এইখিনিতে মই পৰিবহন মন্ত্ৰীৰ এটা কথা কব বিচাৰিছো। এজন মাননীয় সদস্যই এ, এচ, টি, চিৰ গাড়ী এখন নি ভাঙি

* Speech not corrected

চিঙি পেলালে তাত মন্ত্ৰীয়ে একচন লবলাগে। ব্যক্তিগত কামত গাড়ী নি ভাঙি চিঙি পেলালে তাত পৰিবহন মন্ত্ৰীয়ে বিচাৰ কৰিবনে নকৰে? যদি বিচাৰ নকৰে তেনেহলে এইটো বুজা যাব যে, ১ কোটি টকা ৰাজহুৱা ধন ব্যক্তিগত স্বাৰ্থত খৰচ হব। সেইকাৰণে অনুৰোধ কৰিছো যে, মন্ত্ৰীয়ে নিজৰ আচৰণ ৰাজ্যখনৰ স্বাৰ্থৰ কাৰণে ব্যয় সংকোচনৰ কাৰণে ব্যৱহাৰ কৰক। নিজৰ আচৰণ শুদ্ধ কৰি ললে ৰাজ্যৰ আৰু ৰাইজৰ কাম কৰিব পাৰিব। গতিকে ব্যক্তিগত স্বাৰ্থত যিবিলাক খৰচ কৰিছে সেইবিলাক এৰাই চলিব পৰা খৰচ এৰাই চলিব লাগে। মুখ্যমন্ত্ৰী মহোদয়ে ৮ জন বিধায়কৰ সমৰ্থন হেৰুৱাইছে। গতিকে মুখ্যমন্ত্ৰীয়ে নৈতিক দায়িত্ব মূৰ পাতি লব লাগে আৰু নিজৰ দায়িত্ব দেখুৱাব লাগে।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ উপাধ্যক্ষ মহোদয়, মোৰ এটা পইন্ট অৱ অৰ্দাৰ আছে। সদনত কৰ্তন প্ৰস্তাৱ আলোচনা কৰোতে বিভাগীয় মন্ত্ৰী উপস্থিত থাকিব লাগে। যদি কাৰোবাক দায়িত্ব দিছে সেইটো ভাল কথা।

Mr. Dy. Speaker : It is not a point of order.

* শ্ৰীজয়নাথ শৰ্ম্মা ঃ মাননীয় মুখ্যমন্ত্ৰী উপস্থিত থকা উচিত। কাৰোবাক দায়িত্ব দিছে যদি ভাল কথা। মুখ্যমন্ত্ৰীয়ে এইটো ভুল নকৰে।

* শ্ৰীচন্দন কুমাৰ সৰকাৰ ঃ আমাৰ বন্ধু বিধায়ক শৰ্ম্মা ডাঙৰীয়াই বাৰে বাৰে এটা কথাকে কৈছে যে আমাৰ মুখ্য মন্ত্ৰীয়ে ৮ জন বিধায়কৰ সমৰ্থন হেৰুৱাইছে। তেওঁক পদত্যাগ কৰিবলৈ কৈছে। এটা কথা তেখেতৰ পৰা জানিব বিচাৰিছো যে, ৰাজ্যসভাৰ ইলেকচনত আমাৰ কেনদিদেটে কিমান ভোট পাইছে? যি ২০ টা ভোট পাইছে সেই কেইটা কৰ পৰা পাইছে? আপোনালোকেও সমৰ্থন কৰিছে।

Mr. Deputy Speaker : You are to pass the budget within a limited time allotted. So, please utilise this time properly and very effectively. We should not waste time.

* শ্ৰীজয়নাথ শৰ্ম্মা ঃ উপাধ্যক্ষ মহোদয়, কথাটো হৈছে যে, মন্ত্ৰী সকলৰ কথা কৈ থাকিলে ওৰ নপৰে। নৈতিকতা বোলা বস্তুতো মানুহৰ ওচৰলৈ টোপোলা বান্ধি নাহে। নৈতিকতা অন্তৰত গঢ় লব লাগিব। মন্ত্ৰী বিলাকে যিমান বেয়া কাম কৰিছে তাৰ বাবে তেওঁলোকে নিজে নিজে আত্মশুদ্ধি হব লাগিব। আপোনালোকে ৰাজ্যখনৰ উপকাৰ, ৰাজ্যখনৰ ভাল কাম কৰিম বুলি মন্ত্ৰীত্ব লৈছে। এতিয়া আপোনালোকে বেয়া কাম কৰিলে বা আপোনালোকৰ নামত কোনোবাই বেয়া কাম কৰিছে সেইটো চাব লাগিব। এ, জি, পিৰ দিনত ভুল কাম কৰা বুলি আপোনালোকেও বেয়া কাম কৰিব নেকি? অৱশ্যে

* Speech not corrected

আপোনালোকৰ পূৰ্বৰ বুৰঞ্জীও আছে ১৯৮৩ আৰু ১৯৮৫ চনৰ। সেইবিলাক হিচাব কৰিলে কাৰ কিমান ৰাজপ্ৰসাদ তুল্য ঘৰ ভাঙিব কব পৰা নহব। সেইকাৰণে আমি এটা হাউচ কমিটি দিয়াৰ বাবে কৈছিলো। মুখ্যমন্ত্ৰীয়ে কলে যে, হাউচ কমিটি দিলে কি হব? কিন্তু হাউচ কমিটিয়ে দিয়া ৰিকমেনদেচন ইপ্লিমেন্ট কৰাতো বিভাগীয় মন্ত্ৰীৰ দায়িত্ব। কিন্তু আজি হাউচ কমিৰ্টিয়ে দিয়া ৰিকমেনদেচন বিলাক বিভাগীয় মন্ত্ৰীয়ে ইমপ্লিমেন্ট কৰা নাই।

মাননীয় উপাধ্যক্ষ ঃ এই আলোচনাত হাউচ কমিটিৰ কথা কব নালাগে।

* শ্ৰীজয়নাথ শৰ্ম্মা ঃ হাউচ কমিটিয়ে ৰিকমেনডেচন দিলে বা ৰিপোৰ্ট দিলে সেইটো মন্ত্ৰীয়ে মানিব লাগে।

উপাধ্যক্ষ মহোদয়, এই ৮ মাহত আপোনালোকে যিবিলাক কাম কৰিলে কৈ শেষ কৰিব নোৱাৰি। আৰু এটা কথা কও যে, এগৰাকী বিধায়কৰ গাড়ীত উঠি যোৱা ৩ গৰাকী মহিলাক ৰাতি পুলিচে এৰেষ্ট কৰিছে। মন্ত্ৰীয়ে পুলিচক ফোন কৰি এৰি দিবলৈ কৈছে। এইটো নিউ হোষ্টেলৰ কথা। আমি বিৰোধী পক্ষৰ সদস্য সকলে আপোনালোকক বিৰোধিতা কৰি সমালোচনা কৰা নাই। আপোনালোকে ৰাজ্যখনৰ সুস্থিৰতা অনাৰ কাৰণে, ৰাজ্যখনৰ উন্নতিৰ কাৰণে, প্ৰগতিৰ কাৰণে, সংহতিৰ কাৰণে যি সিদ্ধান্ত লব তাত আমাৰ সহযোগিতা আছে। ৰাজ্যখনৰ উন্নতিৰ কাৰণে চৰকাৰৰ যি টকা সেই টকা যদি মিচইউজ হয় তেনেহলে গোটেই ৰাজ্যখনৰ জনসাধাৰণৰ অমঙ্গলজনক কথা হব।

Mr. Dy. Speaker : I call upon Shri Sahidul Alam Choudhury.

* শ্রীসহিদুল আলম চৌধরী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহোদয়, মন্ত্রীসভা পরিচালনা হেডে যে দাবী মঞ্জুরী উৎথাপন করেছেন আমি তার বিরোধীতা করে আমার বক্তব্য তুলে ধরছি। আমার পুর্ববর্তী বক্তা মাননীয় সদস্য শ্রী জয়নাথ শর্মার বক্তব্য সমর্থন করে আমি বলতে চাই যে আসামে বর্তমানে যে মন্ত্রীসভা গঠন হয়েছে এই মন্ত্রীসভার মন্ত্রীদের ভিতর কোন অনুশাসন নেই। আপনি হয়তো লক্ষ্য করে দেখেছেন যে আমরা বিরোধী পক্ষের সদস্যরা কোন মন্ত্রীমহোদয়ের কার্য্যের সমালোচনা করলে এইসব মন্ত্রীরা লাফিয়ে উঠেন।

মাননীয় উপাধ্যক্ষ ঃ আপনাদের বক্তব্য এমন কোন উস্কানী দেবেন না যাতে মন্ত্রীরা লাফিয়ে উঠে প্রতিবাদ করতে পারে।

* শ্রীসহিদুল আলম চৌধুরী ঃ মহোদয়, গত ৫ বছর আমরা সরকার চালিয়েছি এবং লক্ষ্য করেছি যে বিরোধী দলের সদস্যদের এই সদনে কি ভূমিকা ছিল। দীর্ঘ ৫ বছর মন্ত্রীসভার একজন সদস্য হিসাবে প্রশাসন চালানোর জন্য যে ভাবে শপথ নিয়েছিলাম ঠিক সেই ভাবেই

* Speech not corrected

আমরা কার্য্য পরিচালনা করেছি। কিন্তু আজকাল মন্ত্রীসভার সদস্যরা দলীয় কোন অনুশাসনই মানছে না। এটা একটা মন্ত্রী সভার জন্য নিশ্চয়ই লজ্জাকর ব্যাপার।

উপাধ্যক্ষ মহোদয়, এই সদনে কিছুদিন আগে সয়ম্ভু বিধায়ক নিয়ে দীর্ঘ আলোচনা হয়েছে। কিন্তু আমাদের রাজ্যে যেভাবে সয়ম্ভু বিধায়করা কাজ করছে ঠিক সেইভাবে আমাদের রাজ্যে সয়ম্ভূ মুখ্যমন্ত্রীও রয়েছে। স্বাধীনতার আগে আমাদের আসাম রাজ্যে ছিল প্রাইম মিনিষ্টার। তারপর হলো-মুখ্যমন্ত্রী। আর বর্তমানে আমরা দেখতে পাচ্ছি যে আসামে দুইজন মুখ্যমন্ত্রী কাজ করছেন।ব্রহ্মপুত্র উপত্যকার মুখ্যমন্ত্রী হলো মাননীয় হিতেশ্বর শইকীয়া মহোদয়। আর বরাক উপত্যকার একজন রাজ্যিক মন্ত্রী সেখানকার মুখ্যমন্ত্রী হিসেবে কাজ চালাচ্ছে। আমাদের গড়কাপ্তানি মন্ত্রী মহোদয়ের সামনেই ........(সদনে গোলমাল).......

* শ্রীগোলোক ৰাজবংশী (মন্ত্রী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এনে কথা মই কোৱা নাই। মই এনেয়ে ইনষ্টেন্স দিছিলো।

* শ্রীসহিদুল আলম চৌধরী ঃ গোলমাল ........ স্যার, এই যে রাজ্যিক মন্ত্রী যিনি বরাকে সয়ম্ভু মুখ্যমন্ত্রী হিসেবে পরিচিত তার সম্বন্দে আমি কিছু বলতে চাই। .... (গোলমাল)...... এই মন্ত্রী বরাকে ভ্রমণে গেলে তার গাড়ী সামনে থাকে সাইরেনের গাড়ী আর পেছনে থাকে এসকোর্ট। আজ আমরা রাজ্যিক মন্ত্রী, কেবিনেট মন্ত্রী বা মুখ্যমন্ত্রীর চলাফেরার মধ্যে কোন পার্থক্য দেখতে পাচ্ছিনা। কোন মন্ত্রীর কি ক্ষমতা বা আদের আচরনই বা কি এসব তাদের জানা নেই। আমাদের রাজ্যে একজন পঞ্চায়ক মন্ত্রী আছেন বলেই আমরা জানি। কিন্তু যিনি রাজ্যিক পঞ্চায়ত মন্ত্রী তিনি নিজেকে পঞ্চায়ত মন্ত্রী বলেই পরিচয় দিয়ে থাকেন। সুতরাং মুখ্যমন্ত্রী মহোদয়ের নিকট থেকে আমাদের জানা প্রয়োজন যে আসামের ২ টি ভেলির জন্য দুইজন পঞ্চায়ত মন্ত্রী রয়েছে কিনা ? আমাদের পরিষ্কার করে বলা হউক যে আসামের পঞ্চায়ত মন্ত্রী অমুক। তা নাহলে আমরা বুঝব যে আমাদের রাজ্যে দুজন পঞ্চায়ত মন্ত্রী বিভাগীয় কাজ চালাচ্ছেন। একজন রাজ্যিক মন্ত্রী হিসেবে তার কি ধরণের আচরণ হওয়া উচিত তা উনার জানা নেই। তাছাড়া এই মন্ত্রী নানা দুর্নীতিতে লিপ্ত বলেও নানা অভিযোগ উত্থাপন হয়েছে। তিনি আমাদের মাননীয় মুখ্যমন্ত্রীর চিকিৎসার জন্য বরাকভেলি থেকে অনেক টাকা কালেক্ট করেছেন। সমস্ত ব্যবসায়ীদের কাছ থেকে কয়েক লক্ষ টাকা সংগ্রহ করেছেন বলে আমরা জানতে পেরেছি। তাছাড়া গত পঞ্চায়ত ইলেকসনের আগে এইভাবে লক্ষ লক্ষ টাকা সংগ্রহ করা হয়েছে বলে আমরা শুনতে পেরেছি। এ ব্যাপারে মুখ্যমন্ত্রী মহোদয়ের নিকটও অভিযোগ এসেছে। ...... এ ব্যাপারে এটা তদন্ত হওয়া দরকার। আমি আশা করি তাহলে এর সতাসত্য নিরোপন হবে।

* Speech not corrected

মহোদয়, এইজন মন্ত্রী আজপর্যন্ত রুরাল ডেভলেপমেন্টর যে সব স্কীম উৎবোধন করেছেন এবং সেখানে যেসব নেম প্ল্যাট্ রসানো হয়েছে সেগুলিতে মাননীয় পঞ্চায়ত বিভাগের মন্ত্রী শ্রীগৌতম রায় হিসেবে নাম লেখানো হয়েছে। এইভাবে একজন রাজ্যিক মন্ত্রী নিজেকে মন্ত্রী হিসেবে পরিচয় দিতে পারেন কি? ......(সদনে গোলমাল)..... এটা কি ক্ষমতার অপব্যবহার নয়? আশাকরি মুখ্যমন্ত্রী মহোদয় এ বিষয়ে একটু নজর দিবেন। স্যার আগে এ সি এস'র ২ টি কেডারছিল। পরে প্রশাসনের সুবিধার জন্য এই দুই কেবার সামিল করে একটিকেডার কেরা হল। এর ফলে আজ আর এ সি এস - ১ এবং এ সি এস ২য় বলে কোন কেডার নেই। আমাদের রাজ্যেও বর্তমানে মন্ত্রীসভায় পঞ্চায়ত বিভাগের জন্য দুইজন মন্ত্রী রয়েছেন - একজন কেবিনেট আর অন্যজন রাজ্যিক মন্ত্রী। কিন্তু তাদের কাজ কর্মে এবং ক্ষমতায় কোন প্রার্থক্য নেই। সুতরাং আমাদেরে পরিস্কার করে জানানো উচিৎ যে এই দুইজন মন্ত্রীর ক্ষমতা এ ই কি না?

মহোদয়, হাইলাকান্দি মহকুমায় ১৪০ টি মিডল টিচারের পোষ্ট ছিল। কিন্তু এক মাসের মধ্যে এ সংখ্যা বেড়ে ৩৮৮ টি হয়ে গেল। .....ভয়েস..... গোলমাল.....। এই পোষ্টের সংখ্য বৃদ্ধি পাওয়া কোন খারাব কাজ নয়। কিন্তু কি পরিপ্রেক্ষিতে এবং কিসের বিনিময়ে এই পোষ্ট দেওয়া হয়েছে সেটা আমাদের জানা দরকার। ..... সদনে গোলমাল.......। আমরা শুনতে পেরেছি যে দিশপুর থেকে এই পোষ্টগুলি কিনে নিয়ে যাওয়া হয়েছে। এ বাবদ ৬০/৭০ লক্ষ টাকা কালেক্ট করা হয়েছে বলে একটা অভিযোগ উঠেছে। মাননীয় মুখ্যমন্ত্রী মহোদয়ের নিকটও এ ব্যাপারে অভিযোগ করা হয়েছে। সুতরাং এর একটা তদন্ত হওয়া দরকার। তাছাৰা হাইলাকান্দি এলিমেন্টারী বোর্ড গঠনের ক্ষেত্রে নানা ধরনের দুর্নীতির অভিযোগ বিভিন্ন পত্র পত্রিকায় প্রকাশ হয়েছে। অযোগ্য এবং নানা দুর্নীতিতে অভিযুক্ত লোকদেরে এই বোর্ডের মেম্বার করা হয়েছে। এই অভিযোগ শুধু যে আমরাই করছি তা নয়। কংগ্রেস দলরেই প্রাক্তন মন্ত্রী শ্রীআব্দুল মুহিব মজুমদার এই অভিযোগ উৎথাপন করেচেন। উনাকে এই বোর্ডের মেম্বার করা হয়েছিল। কিন্তু এই মেম্বার হতে অস্বীকার করেছেন। এ ব্যাপারে বিভিন্ন পত্র-পত্রিকায়ও উনার চিঠি প্রকাশ পেয়েছে। হাইলাকান্দিতে যা ঘটছে তার জন্য দায়ী ওখানকার রাজ্যিক মন্ত্রী। আজকাল এই অঞ্চলে একটা চাকরী পেতে হলে এই মন্ত্রীর এপ্রোভাল দরকাক, একটা বিল পাশ করাতে হলেউনার এপ্রোভালদরকার। উনার এপ্রোভাল ছাড়া আমাদের ওখানে তথা বরাকউপত্যকায় কোন কাজই হয় না। এই মন্ত্রীর খুঁটির জোর এত বেশী যে কেউ উনাকে কিছুবলতে পারে না। উনি খোলাখোলি ভাবে বলে থাকেন যে উনকে কেউ মন্ত্রীসভা থেকে সড়াতে পারবে না। এই যদি অৱস্থা হয় তাহলে গণতন্ত্র বাচবে কি করে? সুতরাং এ ব্যাপারে মুখ্যমন্ত্রী মহোদয়কে দৃষ্টি দিতে অনুৰোধ করছি।

মহোদয়, গ্রামীন উন্নয়নের টাকা সাধারণতঃ গ্রামের বিভিন্ন উন্নয়নমূলক কাজেই খরচ করা হয়ে থাকে। কিন্তু প্রকৃত পক্ষে আমরা কি দেখছি? আমরা দেখছি যে এই টাকা অন্যায় বাবে নিয়ে শহরের উন্নয়নের কাজে খরচ করা হচ্ছে। এইভাবে হাইলাকান্দি শহরে বিভিন্ন স্কুল কলেজে এই টাকা খরচ করা হয়েছে। এর একটা তদন্ত হওয়া দরকার। আজ বরাক উপত্যকায় একটা সন্ত্রাসের সৃষ্টি হয়েছে। এই সরকার একটা মাফিয়া সরকারে পরিনত হয়েছে বললেও বেশী বলা হবে না। যদি এইভাবে একজন রাজ্যিক মন্ত্রী জনসাধারণকে প্রতারনা করে থাকেন বা মুখ্যমন্ত্রীর নামে টাকা সংগ্রহ করে থাকেন তাহলে কি এই মন্ত্রীকে মন্ত্রী সভায় রাখা উচিৎ?

উপাধ্যক্ষ মহোদয়, কয়েকদিন আগে যখন আমরা হোজাই শহরের ঘটনা নিয়ে সরকারের সমালোচনা করেছিলাম তখন আমরা লক্ষ্য করেছি যে সরকার পক্ষের সব মন্ত্রী এক সঙ্গে লাফিয়ে উঠেছেন। এতে মনে হয় বিরোধীপক্ষের সমালোচনা সহ্য করার মত ক্ষমতা এইসব মন্ত্রীদের নাই। ..... সদনে গোলমাল ..... এই ব্যাপারে আমি মুখ্যমন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করে বলতে চাই যে যদি মন্ত্রীসভার মন্ত্রী বা তাদের আচৰণবিধি মেনে না চলে তাহলে এ ধরনের মন্ত্রীদের মন্ত্রী সভায় রাখা উচিত কি না ?

মহোদয়, আমাদের রাজ্যিক শিক্ষা মন্ত্রী শরৎ বরকটকী মহোদয় কাছার সহরে গিয়ে এই রাজ্যিক মন্ত্রী (পঞ্চায়ত)র প্রশংসা করে বলেছেন যে রাজ্যিক পঞ্চায়ত মন্ত্রী নাকি খুব পাওয়ারফুল। উনার নাকি দিল্লিতে খযটির খুব জোড়। তা যাই হউক, মন্ত্রী হিসেবে উনার কি আচরণ হওয়া সেটা উনি জানেন না। আমরা বিরোধী পক্ষের সদস্যারা অনেক কিছু সমালোচনা করতে পারি কিন্তু মন্ত্রী হিসেবে উনার এইভাবে রাগ করা উচিৎ নয়। মন্ত্রীরা যদি এইভাবে সদনে আচরণ করে তাহলে আমরা কি ভাবে আলোচনা করবো বুঝতে পারি না। ভবিষ্যতে মন্ত্রীসভার সদস্যদের কাছ থেকে ভাল ব্যবহার আশা করে যে কর্তন প্রস্তাব আলোচনার জন্য উৎখাপন হয়েছে তা সমর্থন করে আমার বক্তব্য শেষ করছি।

**Mr. Dy. Speaker :** Please sit down (referring to Shri Gautam Roy who stood up and made some comments in Bengali).

* **শ্রীদেৱান জয়নাল আবেদিন ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্রী সভাৰ ওপৰত ১ কোটি ১ লাখ ৫২ হাজাৰ টকাৰ যিটো মঞ্জুৰী আহিছে তাৰ বিৰোধীতাত যিটো কাটমোচন আনিছে তাত সমৰ্থন জনাই কেইটামান কথা মই সদনত ৰাখিব বিচাৰিছো। উপাধ্যক্ষ মহোদয়, গণতান্ত্রিক পৰম্পৰা ৰক্ষা কৰাতো হৈছে শাসক দলৰ মন্ত্রী সভাৰ। আৰু লগতে বিৰোধী দলৰ সদস্য সকলেও সকলোৰে মাজত পাৰস্পৰিক বুজাবুজিৰ মাজত চলিব লাগে। এইটো

* Speech not corrected

গণতান্ত্ৰিক পৰম্পৰা ৰক্ষাৰ অৰ্থে নিম্নতম আচৰণ খিনি ৰাখিব লাগে আৰু লগতে বিধায়ক সকলোৱেও বুজা উচিত। আজি তেওঁলোকৰ ফালৰ পৰা এই খিনি টকা বিচাৰিছে আৰু আমিও দিবলৈ ওলাইছো। তেওঁলোকৰ মেজৰিটি আছে তেওঁলোকে পাচ কৰি লব। (We don't care so far we are maintaining the majority, austerity measure) আমাৰ অধিকাৰ আছে সমালোচনা কৰাৰ, আমি সমালোচনা কৰো। এই সমালোচনা তেওঁলোকে শুনিব লাগে। লগতে যদি গ্ৰহণযোগ্য কথা থাকে তেনেহলে তেওঁলোকে সংশোধন কৰিব লাগে। এইটো বুজাবুজিৰ বাহিৰে আন একো নহয়। কিন্তু উপাধ্যক্ষ মহোদয়, দুখেৰে সৈতে লক্ষ্য কৰিছো বৰ্ত্তমান এই মন্ত্ৰী সভাৰ কাৰ্য্যকলাপ। তেওঁলোকৰ এটা ডেচপাৰেট মেন্টেলিটী লৈ আছে। অৰ্থাৎ বেপৰোৱা মনোভাব এইটোৱেই লৈছে যে তেওঁলোকৰ সংখ্যাগৰিষ্ঠতা আছে। তেওঁলোকে যি খুছি তাকে কৰিব পাৰে। এই টেনডেনচিটো তেওঁলোকৰ কাৰ্য্যকলাপৰ মাজত প্ৰতিফলিত হৈছে। ইয়াৰ ওপৰিও মন্ত্ৰী সভাৰ কলেৱৰ সম্পৰ্কে কোৱা হৈছে। এইটো ৰাজেটত আলোচনা হৈছে যে বিত্তীয় সংকট আছে। মই জনাত কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দেশ অনুযায়ী মন্ত্ৰীসভাৰ কলেৱৰ দহ ভাগৰ এভাগ কৰিব লাগে। কিন্তু আমাৰ মন্ত্ৰী সভাখন বোধ কৰো আন সকলোবাৰতকৈ ডাঙৰ হৈছে। চৰকাৰে কৈছে অচটাৰিটি মেজাৰ লব লাগে। গাড়ী কম চলাব লাগে, ভ্ৰমন বানচ বচাব লাগে, আৰু অন্যান্য আনুসঙ্গিক খৰছ কমাব লাগে। অৰ্থাৎ ব্যয় সংকোচন কৰিব লাগে। কিন্তু মন্ত্ৰী সভাৰ কাৰ্য্যকলাপ ছাই ভ্ৰমনৰ সংখ্যা কমাই ৰাইজৰ ধন ৰাহি কৰাৰ কোনো চেষ্টা আমি দেখা নাই। মিতব্যয়ীতাৰ মাজত চলা-ফুৰা, কাম-কাজ কৰা কোনো চেষ্টা আমি দেখা নাই। এই খিনিতে এটা কথা কব খোজো, মন্ত্ৰীৰ সংখ্যা বঢ়াই লৈ তেওঁলোকৰ ভ্ৰমনৰ ক্ষেত্ৰত খৰছৰ সংখ্যা সংকোচন কৰা দেখা নাই। একোখন জিলালৈ ৩/৪ জন মন্ত্ৰী একেলগে যায়। কোন, ক'ত, কি কামত গৈছে, আহিছে, তাৰ কোনো হিচাব নাই। সীমা সংখ্যাও নাই। আগতে মন্ত্ৰী আহিব বুলি কলে ৰাইজ উঠলি উঠে, মন্ত্ৰী আহিলে নিশ্চয় ৰাজহুৱা কামত আহিব, ৰাইজৰ কাম হব। তাৰোপৰি কোনোবা মন্ত্ৰী সমষ্টিলৈ গলে আগতীয়াকৈ বিধায়ক সকলক জাননী দিয়ে। এইটোৱেই হৈছে প্ৰটোকল, পুৰণি পৰম্পৰা। সেই কথা আপোনালোকে জানেনে উপাধ্যক্ষ মহোদয়? কিন্তু সেই পুৰণি পৰম্পৰা আমাৰ মন্ত্ৰী সকলে ভঙ্গ কৰিছে। তেওঁলোকে কোনো সমষ্টিলৈ গলে বিধায়ক সকলক জাননী নিদিয়ে। তেওঁলোক যায় ৰাইজৰ কামৰ বাবে নহয়, তেওঁলোকৰ দলীয় স্বাৰ্থত, নিৰ্বাচনী ইস্তাহাৰৰ প্ৰচাৰৰ কাৰণে অথবা নিজ কামৰ বাবে তেওঁলোক সমষ্টিলৈ যায়। কিন্তু মই ভাৱো মন্ত্ৰী হিচাবে আমাৰ যিটো গণতান্ত্ৰিক পৰম্পৰা সেই পৰম্পৰা ৰক্ষা কৰাটো উচিত।

মাননীয় উপাধ্যক্ষ মহোদয়, গণতান্ত্রিক পৰম্পৰা বোলা বস্তুটো ৰক্ষা কৰিব লাগে। আজি বেছি দিনৰ কথা নহয়। মাননীয় শৰৎ সিংহ ডাঙৰীয়াক দেখিছো যে তেখেতে নির্বাচনী কামত যেতিয়া যায় তেতিয়া মন্ত্রী হিচাপে যোৱাৰ নিচিনাকৈ নাযায়, প্রাইভেট গাড়ীত যায়। কিন্তু বর্ত্তমানৰ মন্ত্রীসকলক দেখিছো বিগত পঞ্চায়ত নির্বাচনত ভাষণ দিবলৈ গৈছিল। মোৰ সমষ্টিতো গৈছিল। দুজন ৰাজ্যিক মন্ত্রী বেলেগ জিলাৰ পৰাও গৈছিল। মই ভাবিলো, ভাল কথা। দক্ষিণ শালমাৰা গড়াখহনীয়া উপদ্রুট অঞ্চল, হাজাৰ হাজাৰ মানুহক পুনৰ বাসন দিয়াৰ প্রয়োজন হৈছে, এতিয়া মন্ত্রী আহিছে যেতিয়া এইবিলাক হৈ যাব। কিন্তু উপাধ্যক্ষ মহোদয়, আচৰিত কথা মই তাত উপস্থিত থকা স্বত্বেও পশু পালন আৰু পশু চিকিৎসা বিভাগৰ ৰাজ্যিক মন্ত্রী ৰচিদুল হক চাহাবে ভাষণ দিলে। যি ভাষণত অত্যন্ত আপত্তিজনক কথা কৈছে। তেখেতে কৈছিল হাঁহ-কুকুৰা লৈ গৈছে নির্বাচনৰ কাৰণে আৰু এতিয়া অলপ দিব আৰু বাকীখিনি ফিৰাই লৈ আহিব। আৰু যদি ভোট দিয়ে তেনেহলে ফিৰাই অনা হাঁহ-কুকুৰা খিনি পুনৰ দিব। কোনো মন্ত্রীয়ে চৰকাৰী সাহায্য এনেকৈ বিতৰণ কৰি ভোট বিচাৰিব পাৰেনে? কিন্তু এইবাৰৰ নির্বাচনত এইবিলাক কৰা হৈছে। মোৰ লগত পৰাজিত হোৱা দুজন প্রার্থী, সেই জনকে সেই সভাত বহুৱাই সভাপতি পতা হৈছে।

(ভইচ ঃ তেখেত ডি, চি নেকি?)

তেখেতৰ সভাপতিত্বতে মিটিং বহিছে আৰু তাত কোৱা হৈছে আপোনাৰ বিধায়ক জয়নাল আবেদিন নহয়, ৰাজেদ আলি চৌধুৰীহে। কিবা কাম থাকিলে তেখেতৰ ওচৰলৈহে আহিব, জয়নাল আবেদিনৰ ওচৰলৈ নহয়। এইটো বৰ গুৰুত্বপূর্ণ কথা। সেই সভাতে কৈছে যে ৰাজেদ আলি চৌধুৰীকে আমি বিধায়ক হিচাপে মানি লৈছো। ই কেনে গণতান্ত্রিক কথা। যিকোনো দলৰে নহওক কিয় ৰাইজৰ ভোটৰ দ্বাৰা নির্বাচিত কথা বিধায়ক এজনক চৰকাৰে বা মন্ত্রী সকলে উচিত স্বীকৃতি বা সন্মান দিয়া উচিত। উপাধ্যক্ষ মহোদয়, আমি দুখ পাইছো যে মন্ত্রীসকলৰ জনতা ভৱনৰ কোঠালৈও বিৰোধী দলৰ সদস্য সকল যাব নোৱাৰে। বহু কেইজন মন্ত্রীৰ ওচৰলৈ যাব নোৱাৰে। আচলতে উপাধ্যক্ষ মহোদয়, এই কথাটো পাৰস্পৰিক সন্মানৰ ওপৰত নির্ভৰ কৰে। বিধায়ক সকলৰো এটা মর্য্যদা আছে আৰু মন্ত্রী সকলৰো এটা মর্য্যদা আছে। মই কেৱল এজন কেবিনেট মন্ত্রীৰ ওচৰলৈ ৰাজহুৱা কামত গৈছিলো। মই নাযাও এই কাৰণে যে তেওঁলোকে যি আচৰণ কৰে সেই আচৰণ মর্য্যদা হানি কৰা আচৰণ। উপাধ্যক্ষ মহোদয়, তেওঁলোকৰ ওচৰলৈ যাব নোৱাৰি। মন্ত্রী আৰু বিধায়ক সকলৰ স্বার্থ, পৰস্পৰ ৰাজহুৱা স্বার্থ। বিধায়ক সকলৰো সন্মান আছে আৰু মন্ত্রী সকলৰো সন্মান আছে আৰু এইটো পৰস্পৰে পৰস্পৰৰ কাৰণে ৰক্ষা কৰিব লাগিব। যদি ৰাজহুৱা ভাৱে মন্ত্রী সকলে বিধায়ক সকলৰ সন্মান হানি কৰিবৰ কাৰণে চেষ্টা কৰে তেনেহলে তাৰ ফল ভাল নহ'ব। ডেচপাৰেট মনোভা ৱ লৈ কাম কৰিলে নহ'ব। আমি যি ইচ্ছা তাকে কৰিম

এইটো গণতান্ত্রিক পৰম্পৰা হ'ব নোৱাৰে। তেওঁলোকে এই ধৰণে কাম আৰু আচৰণ কৰি আছে যে ইয়াৰ দ্বাৰা আমি ভবা মতে ৰাজহুৱা স্বাৰ্থ হানি হৈছে। উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা মন্ত্ৰী সকলৰ আচৰণ আৰু পৰম্পৰাৰ ক্ষেত্ৰত কব বিচাৰিছো যে যোৱা পঞ্চায়ত নিৰ্বাচনৰ সময়ত আমাৰ পঞ্চায়ত মন্ত্ৰী মহোদয়ে কাগজ লৈ গৈছিল। মন্ত্ৰী হিচাবে তেখেতে পেডৰ ওপৰত লিখি বিতৰণ কৰিছে আৰু পেডত লিখি চহী কৰি মন্ত্ৰী হিচাপে চিল কৰি দিছে আৰু সেই পেডত অমুক আমাৰ প্ৰাৰ্থী তেখেতক ভোট দিব লাগে ইত্যাদি কথাও লিখি দিছে। সকলো ৰাজনৈতিক দলৰ নিৰ্বাচন খেলাৰ অধিকাৰ আছে। কিন্তু মন্ত্ৰী হিচাবে মন্ত্ৰীৰ কাৰ্য্যালয়ৰ অপব্যৱহাৰ কৰিব নালাগে। নিৰ্বাচনী প্ৰচাৰ কৰিব পাৰে তাত আপত্তি নাই কিন্তু মন্ত্ৰীৰ পেড ব্যৱহাৰ কৰিব নালাগে। যদি তেনেকুৱাই কৰে তেনেহলে নিজৰ দলৰ চিম্বল দি নিৰ্বাচনী প্ৰচাৰ কৰাৰ সৎ সাহস থাকিব লাগিছিল। কংগ্ৰেছী দলৰ প্ৰাৰ্থী হিচাপে চিম্বল দি প্ৰচাৰ কৰিব পাৰিব লাগিছিল।

Shri Afzalur Rahman (Minister) : The Hon'ble member is using the word "Tumalokee".

মাননীয় উপাধ্যক্ষ ঃ কাৰ্টচি আৰু ডেক'ৰাম ৰাখি কথা কব লাগে।

শ্ৰীদেৱান জয়নাল আবেদিন ঃ উপাধ্যক্ষ মহোদয়, এইটো মই সন্মানজনকভাৱেই কৈছো।

Mr. Dy. Speaker : (rose up) the word "তোমালোকে" So this type of word should not be used. I order to expunge the word "তোমালোকে"।

শ্ৰীদেৱান জয়নাল আবেদিন ঃ উপাধ্যক্ষ মহোদয়, কথা হৈছে মন্ত্ৰী এজনে মন্ত্ৰীৰ পেডত এই ধৰণে লিখাটো মন্ত্ৰীৰ কাৰ্য্যালয়ৰ অপব্যৱহাৰ কৰা হৈছে। উপাধ্যক্ষ মহোদয়, মন্ত্ৰী সকলে বিষয়া সকলৰ লগত আচৰণ ঠিক মতে নকৰে। আমি জানো যে বিষয়া সকলে মন্ত্ৰী সকলক মানি চলে আৰু সন্মান কৰে, কিন্তু তাকে এডভানটেজ হিচাপে লব নালাগে। বিভিন্ন কমিটিৰ জিলা পৰ্য্যায়ত যিবিলাক আছে বিশেষকৈ ডি, আৰ, ডি, এ চাব ডিভিজনেল প্লেনিং এড ভাইজৰি কমিটি আছে সেই বিলাকত বিধায়ক সকলো সদস্য আৰু মন্ত্ৰী সকলো সদস্য। কিন্তু কোনো কোনো ঠাইত কেবিনেট পৰ্য্যায়ৰ মন্ত্ৰীয়ে বিষয়াক মাতি আমি অমুক ঠাইৰ কাম এনেদৰে কৰিব লাগে বুলি কোনো ঠাইৰ পৰা টকা আনি আন ঠাইথত কাম কৰে। ৰাজ্যিক মন্ত্ৰীৰ ঠাইৰ ব্লক উন্নয়নৰ টকা কাটি আনিও নিজৰ সমষ্টিৰ কাম কৰিছে। যোৱা ডি, আৰ ডি এৰ মিটিংত এই কথাটো উঠিছিল। কমিটিৰ অনুমোদন নোলোৱাকৈ টকা কাটি আনে আৰু কামো কৰে। এইটো প্ৰশ্ন উৎথাপিত হৈছিল । ৰাজ্যিক মন্ত্ৰী ডাঙৰীয়াই কৈছে যে তেওঁৰ সমষ্টিৰ টকা কাটি আনে অথচ তেওঁ নাজানে। এই কথাটো ধৰিছিল। কিন্তু কথা হ'ল ডি, চি এজনে মন্ত্ৰীৰ কথা মানে। কিন্তু সেই বুলি মন্ত্ৰী এজনে

ডি, চিক নিৰ্দ্দিষ্ট কমিটিৰ কৰ্তৃত্ব নোহোৱাকৈ এনেকুৱা কাম কৰিবলৈ কব নালাগে। অথচ মন্ত্ৰী সকলে এই ধৰণৰ কাম কৰি আছে।

উপাধ্যক্ষ মহোদয়, আপোনালোকে জানে যে কিছুদিন আগতে চৰকাৰে এখন নোটিচ জাৰি কৰিছে যে সকলোবিলাক স্কুল পৰিচালনা সমিতি ভঙ্গ কৰি দিব লাগে, অথচ এই সমিতি বিলাক বিধিসন্মতভাবে ৰাইজৰ দ্বাৰা নিৰ্বাচিত সমিতি আছিল সেইবিলাক ভঙ্গ কৰিব লাগে আৰু বিধায়ক সকলৰ অনুমোদন সাপেক্ষে পৰিচালনা সমিতি সমূহ গঠন কৰিব লাগে আৰু ৫ জনীয়া কমিটি গঠন কৰি দিব লাগে। সেইমতেই স্কুল কমিটি বিলাক হ'ল কিন্তু গোৱালপাৰাত আমাৰ তাৰ ব্যতিক্ৰম হ'ল। আমাৰ পঞ্চায়ত মন্ত্ৰী মহোদয়ে গোৱালপাৰা পশ্চিম সমষ্টিৰ ক্ষেত্ৰত লিখি দিলে যে তাৰ স্থানীয় বিধায়কৰ অনুমতি লৈ কোনো কমিটি গঠন নকৰিব। স্কুল সমূহৰ পৰিদৰ্শকলৈ লিখা উক্ত চিঠিখন উক্ত বিষয়াৰ কাৰ্য্যালয়ৰ নোটিশ বোৰ্ডত এমাহলৈ আৰি থৈ দিছিল। সোণাৰী হাইস্কুলৰ যিখন কমিটি কৰা হ'ল তাত বিধায়কে দিয়া পৰামৰ্শ নলৈ বেলেগ এখন কমিটি কৰি দিছিল। যিজন ব্যক্তি তিনিটা ফৌজদাৰী কেচত লিপ্ত তেওঁকে সেই সমিতিৰ সভাপতি পতা হ'ল। এতিয়া প্ৰাথমিক কথা হ'ল চৰকাৰৰ নিৰ্দ্দেশ থকা স্বত্বেও নিৰ্বাচিত বিধায়কৰ অনুমোদন নলৈ মন্ত্ৰী মহোদয়ে লিখি দিলে অমুক বিধায়কৰ অনুমোদন লব নালাগে এইবিলাক কথা কিয় লিখিব লগা হ'ল? আমাক যেতিয়া হাঁহিয়াতৰ পাত্ৰ কৰিব এদিন একে অৱস্থা আপোনালোকৰ নহবনে?

* **Shri Afzalur Rahman (Minister) : Sir, a point of order. The letter the hon. member has referred to and said to be issued by me should be placed before the house.**

* শ্ৰীদেৱান জয়নাল আবেদিন ঃ উপাধ্যক্ষ মহোদয়, মই যিখিনি কথা কৈছো ৰেকৰ্ডৰ ওপৰতে কৈছো অৱশ্যে মোৰ হাতত কপি নাই, এমাহৰ কাৰণে সেই কাৰ্য্যালয়ত আঁৰি থোৱা আছিল।

মাননীয় উপাধ্যক্ষ ঃ আপুনি কোৱা কথাখিনি ৰেকৰ্ডৰ ওপৰত ভিত্তি কৰি কব নালাগে, যদি কিবা ৰেকৰ্ড আছে আপুনি দাখিল কৰিব।

* শ্ৰীদেৱান জয়নাল আবেদিন ঃ মই ৰেকৰ্ডক ভিত্তি কৰিয়ে কৈছো। এইধৰণৰ কথা আজি আমাৰ ইয়াত ওলাই আছে। মই আৰু বেছি কথা নকওঁ, বেছি কৈ সদনৰ মূল্যবান সময় বেছিকৈ লব বিচৰা নাই। এটা কথা এই যে ৪ লাখ ৫৩ হাজাৰ টকা মন্ত্ৰী সকলে দিস্ক্ৰিচনাৰী গ্ৰান্টৰ নামত ধৰিছে এইটো যাতে অন্য কথাবিলাকৰ নিচিনা দলবাজী নকৰে, ভাল কামত ইউজ হয় তাৰ কাৰণে মন্ত্ৰী সকলক অনুৰোধ জনালো। কাৰণ আমি দেখিছো মন্ত্ৰী সকলে

সকলো কামতে দলবাজী কৰি আহিছে । They should be able to read the writings on the wall. আপোনালোকে দেৱাল লিখনি পঢ়ক, যোৱা কালি পঢ়িছে। সংখ্যগৰিষ্ঠতা আছে বুলি গণতন্ত্ৰৰ পৰম্পৰাক জলাঞ্জলী দিয়াৰ মানসিকতা কৰিব নালাগে। টকা দিয়াত আপত্তি নাই কিন্তু টকা খৰছ কৰোতে বেপেৰুৱা মানসিকতা পৰিহাৰ কৰক, গণতান্ত্ৰিক পৰম্পৰা, ৰাইজৰ স্বাৰ্থ পূৰণ কৰক। এইখিনিকে অনুৰোধ জনায় মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Mr. Dy. Speaker : Now, I call upon Shri Chandra Mohan Patowary to speak.

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে ইয়াত যি ২ নং দাবী মঞ্জুৰী উত্থাপন কৰিছে তাৰ ওপৰত আমি কৰ্ত্তন প্ৰস্তাৱ দিছো এই কাৰণে যে আমি কিছুমান আঁসোৱাহ দেখিছো আৰু সেই আঁসোৱাহ সমূহ সমালোচনাৰ কাৰণে আগবাঢ়িছো। মাননীয় সদস্য শ্ৰী জয়নাল আবেদিন ডাঙৰীয়াই এটা কথা কৈ গৈছে যে ইয়াত যিবিলাক আসোঁৱাহৰ বিষয়ে আমি ইয়াত সমালোচনা কৰিম সেইবিলাকৰ ক্ষেত্ৰত যেন কোনো মন্ত্ৰীয়ে শত্ৰুতা কৰা বুলি নাভাবে আৰু বেয়া মনোভাব নলয় - ময়ো তাকেই দোহাৰিব বিচাৰিছো। Both of you are hailing from the same place. বিৰোধী পক্ষই যিমান সমালোচনা কৰিব তাত মন্ত্ৰী সভাৰ সিমানেই সুবিধা হব, দোষবিলাক বিচাৰ কৰি লোৱাত। মন্ত্ৰী সভাৰ খৰছৰ কাৰণে ১ কোটিৰো অধিক টকা বিচৰা হৈছে। এই টকাতোত আমি যিমানেই আপত্তি নকৰো কিয় যিহেতু তেখেত সকলৰ ৪/৫ জন সদস্য বেছি আছে তাক পাচ কৰি নিবই তাত আমাৰ সন্দেহ নাই। কিন্তু এইয়ে আমি টকাখিনি ব্যয় কৰিবলৈ লৈছো এইখিনি কাৰ টকা, পাউৰুটি, ঘেহু, লুঙি, গেঞ্জি আদিত লগোৱা কৰৰ টকা, হোটেলৰ পৰঠা আদিত লগোৱা কৰৰ টকা। লুঙি, গেঞ্জী পিন্ধালোক সকল দুখীয়া লোক, গৰীব লোক তেওঁলোকৰ ওপৰত কৰ লগাইছে কিন্তু আমি আপত্তি কৰিলে কাম নাই। মন্ত্ৰী সভাৰ এই কোটি টকাৰ যিটো খৰছ তাৰ কিন্তু বাৰদেন লব লাগিব দুখীয়া লোক সকলে।

উপাধ্যক্ষ মহোদয়, ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰিছে যে মন্ত্ৰী সভাৰ কলেবৰ ১/১০ হব লাগে কিন্তু আমাৰ ইয়াত দেখিছো শতকৰা ৫০ ভাগেই মন্ত্ৰী হৈছে। উপাধ্যক্ষ মহোদয়, আমি আচৰিত হৈছো, অসমৰ দুখীয়া নিচলা লোকৰ ওপৰত কৰ লগাই ডাঙৰ মন্ত্ৰী সভা এখন কৰি দৰ্কাৰতকৈ বেছি খৰছ কৰাত কি যুক্তি থাকিব পাৰে। মন্ত্ৰী সভাৰ কলেবৰ বৃদ্ধি হোৱাত ৰাজভৰালৰ পৰা যথেষ্ট টকা খৰছ হৈছে। গতিকে ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰামতে মন্ত্ৰী সভাৰ কলেবৰ কমাই দিলে খৰছ বহুত কমি যাব। এই ক্ষেত্ৰত মই আপোনাৰ জৰিয়তে মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। উপাধ্যক্ষ মহোদয়, এটা কথা আমি অনুসন্ধান কৰি পাইছো মুখ্যমন্ত্ৰী মহোদয়ৰ লগত ১২/১৪ খন

* Speech not corrected

গাড়ী থাকে। মুখ্যমন্ত্ৰী হ'ল সদনৰ নেতা তেখেতৰ চিকিউৰিটিৰ কাৰণে যিমানখনেই গাড়ী নাযাওঁক তাত আমাৰ মাত মাতিবলগা নাই। কিন্তু মুখ্যমন্ত্ৰী যেতিয়া দিল্লীলৈ যায় বা দিল্লীৰ পৰা ঘূৰি আহে তেতিয়া তেখেত অহা যোৱা সময়ত ৩০ খন গাড়ী পাছে পাছে দৌৰে। মুখ্যমন্ত্ৰী সপ্তাহত কেতিয়াবা তিনিবাৰ পৰ্য্যন্ত দিল্লীলৈ যায় তেনেহলে অবাবত কিমান টকা খৰছ হৈছে পেট্ৰোলৰ নামত? যাওঁক আপোনালোকক ভাল পৰ্টফলিও লাগে, মন্ত্ৰী সভাৰ পৰা যাতে নেখেদে তাৰ কাৰণে এয়াৰপোৰ্টলৈ অহা যোৱা কৰক কিন্তু ৰাইজৰ ধনেৰে কিয়? নিজৰ পকেটৰ পইছা খৰছ কৰি যাওঁক। মই দুই এটা সুত্ৰৰ পৰা জানিব পাৰিছো মুখ্যমন্ত্ৰী দিল্লীত যোৱা সময়ত কোনো মন্ত্ৰী এয়াৰপোৰ্টত যাব নালাগে বুলি কৈছে আনকি গলে ভাল নাপায় বুলিও গম পাইছো তথাপি নিজৰ স্বাৰ্থত এটা ভাল বিভাগ হাতত ৰখাৰ স্বাৰ্থত মন্ত্ৰী সকলে এনেকৈ ৰাইজৰ ধন খৰছ কৰি অহা যোৱা কৰাৰ কি যুক্তি আছে মই জানিব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, এই ব্যৱস্থাটো আতৰাব লাগিব। পাব্লিক মানি এইদৰে মিচ ইউজ কৰিবলৈ দিয়া নহব। আজি সৰ্বসাধাৰণ মানুহে সকলোতে টেক্স দিব লগীয়া হৈছে। আজি লুঙীৰ ওপৰত টেক্স, জুইশলাৰ ওপৰত টেক্স, চাবোনৰ ওপৰত টেক্স দিব লগীয়া হৈছে। এইখিনি কথা অনাত কিৰ্টিচাইজ কৰিব পাৰে। কিৰ্টিচিজিম মানে নে নেমানে নেজানো। আমি পাব্লিক মানি মিচইউজ হবলৈ দিব নোৱাৰো। আচৰণ নীতিৰ ক্ষেত্ৰত মই কম। আমি কিছুমান অলাগতিয়াল কথা এই সদনত নোকোৱাই ভাল। কবলগীয়া কথাহে কোৱা উচিত। আচৰণ বিধিৰ ক্ষেত্ৰত মাননীয় সদস্য শ্ৰীহলিৰাম টেৰাং ডাঙৰীয়াই কৈছে যে হোজাইত সান্ধ্যা আইন হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা স্পেচিফিক কথা কব বিচাৰিছো। আমাৰ টেৰাং ডাঙৰীয়াই মই মোৰ সমষ্টিৰ পৰা আহিছো বাটতে হাবি-জঙ্ঘললৈ পলাই যোৱা মানুহ পাইছো, তেওঁলোকে কৈছে অৰ্ধেন্দু ডাঙৰীয়াক আমি মিছাতে ভোট দিলো। তেওঁক ভোট দি আমি বিৰাট ভুল কাম কৰিলো। গতিকে এনেবিলাক বিধায়কক মন্ত্ৰী সভাত ৰাখি কি লাভ আছে। গতিকে মই কৈছো যে আজি আচৰণ নীতি ভংগ কৰিছে। হাউচৰ লিডাৰক সংযতভাৱে ব্যৱহাৰ কৰিব লাগে। এইবিলাক কথা বাতৰি কাগজত ওলাইছে। Honestly I am quite unaware about the facts. আচৰণ বিধিৰ ক্ষেত্ৰত আজি সংযত হব লাগিব। আজি কাউন্সিল অৱ মিনিষ্টাৰৰ টকা মিচ ইউজ হৈ আছে। মিনিষ্টাৰ অৱ কাউন্সিলৰ যি টকা আনিছে সেইটো সদ্ ব্যৱহাৰ হব লাগিব। সেইদৰে পাৱাৰ মিচ ইউজ হোৱা কথাটো ইয়াত মাননীয় সদস্য জয়নাল আবেদিন আৰু জয়নাথ শৰ্মা ডাঙৰীয়াই কৈছে। দুখীয়া মানুহৰ ওপৰত টেক্স লগাইছে, আমি তেনেক্ষেত্ৰত পাৱাৰ মিচ ইউজৰ কাৰণে টকা দিয়া নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, সদনত কথা কলে ফেমিলিৰ মানুহ বাচি নেযায়। কাৰণ মই অতি দুখেৰে এটা কথা কব বিচাৰিছো ইলেকচনৰ সময়ত হোৱা এটা ঘটনাৰ কথা। ইলেকচনৰ সময়ত মোৰ ভাইটিয়ে কাৰোবাক এক থাপৰ, দুই থাপৰ মাৰিছে। If my brother was found guilty, he should have been arrested even after six days. তাৰ পিচত এটা কেচ দিছিল। My father all through his life, was an opposition member from Socialist party. At this age my father and brother were picked up by the Belsor Police. পিচদিনা মই গৈ বেল মোভ্ কৰিলো আৰু বেলত উলিয়ালো। অফিচাৰ সকলে কলে বেয়া নেপাব এনেকুৱা ইলেকচনৰ কেচ বহুতো আছে আমি ৰেজিষ্টাৰ কৰিম। ওপৰৰ পৰা ডিৰেকচন দিছে আমাৰ উপায় নাই। মই তেতিয়া বৰ্মন ডাঙৰীয়াক ফোন কৰি কৈছিলো আৰু তেখেতে তেতিয়া ক'লে মই এই বিলাকত জৰিত নহয়। মই তেতিয়া কলো এখন পাবলিক মিটিঙত তেখেতৰ দেউতাকৰ নামটো কওঁতে মই এপলজি খুজিছিলো। why this sort of act is being done by the minister. এতিয়া অফিচাৰে কৈছে আমাৰ উপায় নাই এনেকুৱা ইলেকচনৰ কেচ বহুতো আছে।

* ডাঃ ভূমিধৰ বৰ্মন (শিক্ষা মন্ত্ৰী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতে প্ৰমাণ কৰক ইয়াত কোন মন্ত্ৰী জৰিত আছে। এই পবিত্ৰ সদনত সকলোৰে কথা কোৱাৰ অধিকাৰ আছে কিন্তু এনেকুৱা মিছা কথা কোৱা সম্পূৰ্ণ ভাৱে অন্যায় হৈছে।

মাননীয় উপাধ্যক্ষ ঃ এই বিলাক কথা নকব।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এনে কথা মূল্য নাই নেকি? মই ডেফিনিট মন্ত্ৰীৰ নাম কোৱা নাই। ডিষ্ট্ৰিক অফিচাৰজনে কৈছে মন্ত্ৰীয়ে মিচ ইউজ কৰিছে।

* শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সেই সমষ্টিত যিহেতু বৰ্মন ডাঙৰীয়াহে মন্ত্ৰী আছে। গতিকে কথাষাৰ তেখেতকে কোৱা হৈছে।

* ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ সাদিনৰ মালিকৰ এখন বিলৰ সংক্ৰান্তত শ্ৰীপাটোৱাৰী ডাঙৰীয়াই মোক টকাটো আদায় দিয়াৰ কাৰণে ৰিকুয়েষ্ট কৰিছে। এই বিলখন ইলিগেল তেনে এখন বিলৰ বিষয়েও পাটোৱাৰী ডাঙৰীয়াই মোক আদায় দিয়াৰ কাৰণে ৰিকুৱেষ্ট কৰিছে।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ঠিক কথাটো তেনেকুৱা নহয়। সাদিনৰ মালিকজন মোৰ বন্ধু। সেই কাৰণেহে তেখেতে মোক কথাটো কলে আৰু মইও মন্ত্ৰী মহোদয়ক কামটো কৰি দিয়াৰ কাৰণে অনুৰোধ কৰিছিলো।

উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিষাৰ কথা কৈছে সেইটো মই অস্বীকাৰ কৰা নাই। 'সাদিন'ৰ মালিকে মোক বিষয়টো কোৱাৰ কাৰণে মন্ত্ৰী মহোদয়ক মই টকাখিনি

* Speech not corrected

আদায় দিয়াৰ কাৰণে অনুৰোধ কৰিছিলো। আপোনালোকে এটা কথা মনত ৰাখিব যে এম, এল, এ হলে ৰাইজৰ দহটা কামৰ কাৰণে মন্ত্ৰীৰ ওচৰলৈ যাব লগা হয়। এতিয়াৰ মন্ত্ৰী গৰাকী যেতিয়া বিধায়ক হৈ আছিল তেতিয়া তেখেত মোৰ ওচৰলৈ ৰাতিপুৱা চাৰে পাচ বজাতে আহি মোক বিভিন্ন কামৰ কাৰণে অনুৰোধ কৰিছিল, মই তেতিয়া মন্ত্ৰী আছিলো। সেই কাৰণে তেখেতে এই কথাষাৰ কব নালাগে। 'সাদিন'ৰ মালিক জয়ন্ত বৰুৱা মোৰ লগত একেলগে কটন কলেজত পঢ়া বন্ধু। সেই সূত্ৰে তেখেতে মোক এই কথাষাৰ কৈছিল আৰু সেয়ে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছিলো।

* ডাঃ ভূমিধৰ বৰ্মন (শিক্ষা মন্ত্ৰী) ঃ উপাধ্যক্ষ মহোদয়, মই এটা কথা কব খুজিছো। মাননীয় সদস্য গৰাকীয়ে তেখেতৰ দেউতাকৰ বিষয়ে যিটো কথা কৈছে সেই ক্ষেত্ৰত মই কওঁ যে তেখেতৰ দেউতাকক যদি কোনোবাই অন্যায় ভাবে এৰেষ্ট কৰিছে তেনেহলে সেইটো বেয়া কাম হৈছে। কিন্তু যদি কোনোবাই দোষ কৰাৰ কাৰণেহে এৰেষ্ট কৰিছে সেইটো স্বাভাবিক কথা। গতিকে মই তেখেতক অনুৰোধ কৰিছো তেখেতেই বিষয়টো খবৰ কৰি আনক। তেখেতৰ দেউতাকক কোনোবাই এনেয়ে ধৰি আনিছে নে কিবা দোষৰ কাৰণেহে আনিছে। ইয়াৰ লগতে কোন মন্ত্ৰীয়ে কৈছে সেইটো প্ৰমাণ কৰি দিয়ক। সদনত মিছা কথা কৈ মানুহৰ চৰিত্ৰ হনন কৰিব নালাগে।

(Mr. Speaker occupied the chair)

* শ্ৰীপ্ৰমোদ গগৈ ঃ অধ্যক্ষ মহোদয়, সদনত 'মিছা' শব্দটো কেইবাবাৰো ব্যৱহাৰ কৰা হৈছে। এইটো আনপাৰ্লিয়ামেন্টৰী শব্দ। গতিকে এইটো শব্দ ব্যৱহাৰ কৰিব নালাগে।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ কোনোবাই যদি এই সম্পৰ্কে কিবা কেচ লজ কৰিছে আৰু সেইমতে এৰেষ্ট কৰিছে তেনেহলে ময়ো সেইটোতে একমত। কিন্তু নিৰ্বাচন পাৰ হোৱাৰ লগে লগে এৰেষ্ট নকৰি সাত দিনৰ পিচতহে তেখেতক এৰেষ্ট কৰা হল। গতিকে এইটো কিয় আৰু কাৰ কাৰণে হবলৈ পালে। সেই কাৰণে মই কব খুজিছো যে আপোনালোকে এনে কাম আৰু নকৰিব। আমি মন্ত্ৰী সভাত থাকোতে এনে কাম কেতিয়াও কৰা নাছিলো।

* শ্ৰীভূমিধৰ বৰ্মন (শিক্ষা মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, তেখেতে এইটো প্ৰমাণ কৰিব লাগে কোন মন্ত্ৰীয়ে এনে কাম কৰিছে।

মাননীয় অধ্যক্ষ ঃ আপুনি কৰ্তন প্ৰস্তাৱৰ ওপৰত কওঁক।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰীৰ বিহেভিয়াৰৰ সম্পৰ্কতে কৈ আছো। এটা কথা মই সদনত উল্লেখ কৰিব খুজিছো যে আমি চৰকাৰৰ বিষয়ে কিবা কথা কবলৈ গলেই চৰকাৰ পক্ষৰ পৰা এক্স মিনিষ্টাৰ অমুক আছিল, এক্স এম, এল, এ তমুক আছিল এনে

* Speech not corrected

ধৰণৰ কথা কৈ নিজৰ দোষবোৰ আনক জাপি দিয়াৰ চেষ্টা চলাইছে। আমি শাসনত থাকোতে কিবা ভুল কৰিব পাৰো কিন্তু সেই বুলিয়েই আপোনালোকেও যে তেনে ভুলকে কৰিব আৰু আনক দোষ দিব সেইটো নহয়। আমি আৰু পাচ বছৰত হয়তো আৰু বেছি শিকিম। কিন্তু আগৰ মন্ত্ৰী, বিধায়কে কি কৰিলে সেইবোৰ কথা ইয়াত আহিব নালাগে। মই পাৰ্লিয়েমেণ্টৰী প্ৰচিডিংচ্ দুই এখন পঢ়িছো। তাত ৰুলিং পাৰ্টি আৰু অপজিচন পাৰ্টিৰ সম্পৰ্ক কেনেধৰণৰ সেইটো পঢ়িবলৈ পাইছো। তাৰ পৰা এটা কথা বুজিব পাৰি যে সদনত ৰুলিং পাৰ্টি আৰু অপজিচনৰ মাজত যিমানেই কথা কটা-কটি বা টান কথা নকওঁক কিয় বাহিৰত তেওঁলোকৰ সম্পৰ্ক অতি মধুৰ। এই ক্ষেত্ৰত মই অতি দুখেৰে কব লগা হৈছে যে মই সদনৰ বাহিৰত কংগ্ৰেছ আৰু ইউ, এম, এফৰ লগত কাম কৰাৰ বাবে মোক বহুতে বেয়া পাইছিল আৰু শেষত মোক পাৰ্টিৰ পৰা বহিস্কাৰো কৰিছিল। কিন্তু তেওঁলোকৰ লগত পাৰ্টিৰ ফালৰ পৰা মোৰ কোনো সম্পৰ্ক নাছিল।

* শ্ৰীশিউ সম্ভু ওজা (পৰিবহন মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, তেখেত সকলৰ তেনেকুৱা সম্পৰ্কৰ কাৰণেই আমি ৭ টা ভোট পাইছো।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ আজি বিৰোধী পক্ষৰ সদস্য সকলক যিখিনি সন্মান দিব লাগে সেইখিনি দিয়া হোৱা নাই। যোৱাকালি মুখ্যমন্ত্ৰী মহোদয়ে তেখেতৰ ভাষণত এটা কথা কৈছে যে - আপোনালোকে গড়ৰেজ ভাঙিব, লকাৰ ভাঙিব, সেইকাৰণে হিউমেন ৰাইট্চৰ কথা নকব।

I suppose it is an indirect threatening to the opposition MLA concerned.

(Voices from Treasury Benches - No, No) long term conspiracy ... They will come to the treasury benches and you will be in the opposition benches. You will be in treasury benches and they will be in opposition benches.....

এই কথাবোৰ মই সদনৰ পৰম্পৰা নষ্ট হোৱাৰ আশংকাতহে কৈছো। মোৰ কথা হ'ল - সদনত আমি চৰকাৰক সমালোচনা কৰিম। কিন্তু এইটো লং ৰান ক্ৰিটিচিজিম হব নালাগে।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য পাটোৱাৰী ডাঙৰীয়াই যিটো কথাত আক্ষেপ কৰিছে প্ৰকৃততে সেইটো নহয়। মই মাননীয় সদস্য সকলক লৈ এইটো কোৱা নাই। মোৰ ওপৰতো কম কেচ চলা নাছিল। মই কেনেকৈ জেলৰ পৰা বাহিৰত আছিলো সেইটো বৰ ডাঙৰ কথা। যিয়ে যিটো শাস্তি পাব লাগে সেইটো ৰাইজে দিছে। মই মুখ্যমন্ত্ৰী হোৱাৰ পিচ দিনাই কাৰোবাৰ বিৰুদ্ধে এনকুৰেৰী কৰিবলৈ পঠোৱা

* Speech not corrected

কথাটো কেতিয়াও হ'ব নোৱাৰে। মই যদি কিবা বেয়া কাম কৰিছো তেনেহলে ৰাইজে মোক খেদি পঠাব। মই এনে কাম কেতিয়াও নকৰো বুলি আশ্বাস দিব পাৰো। ৰাইজে যিটো শাস্তি দিছে তাতকৈ আৰু বেছি শাস্তি দিব লাগে বুলি মই নাভাবো।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, মই যোৱাকালি এই কথাখিনি ক্লিয়াৰ হোৱা নাছিলো। কিন্তু মুখ্যমন্ত্ৰীৰ কথাৰ পৰা আজি ক্লিয়াৰ হলো। There is law, constitution prevailing in India. অধ্যক্ষ মহোদয়, মানৱ অধিকাৰ কত হৈছে -- It doesnot mean that someone will be picked up and will be pushed to army, Jil and electric shock like third degree will be applied to the person. Sir, that should not be done. যাৰ অধীনত চলি আছে, আৰ্মি কেম্পত চক দিয়ে, এইবোৰ কথা জৰিত হৈ আছে। আজি অসমত শান্তিৰ বাতাবৰণ সৃষ্টি কৰিবলৈ বিচৰা হৈছে। আমি সুখ পাইছো। He is a criminal to the society. চোৰ এটাক ধৰি আনি থাৰ্ড ডিগ্ৰী চক দিলে কবলৈ নাযাও। He has done crime to the Society. এই বিষয়ৰ লগত একমত। (ভইচ - চোৰক চক দিব পাৰিব নেকি?) আমাৰ পাটোৱাৰী বিলাকৰ ওপৰত অত্যাচাৰ চলি আছে। ৰাজ্য সভাৰ নিৰ্বাচন The Rajya Sabha election is a democratic, Parliamentary procedure-process and Assembly procedure.

মাননীয় অধ্যক্ষ ঃ আপোনালোকে ৰাজ্য সভাৰ কথাটো বাদ দিয়ক।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, ৰাজ্য সভাত - Anti Defection Law is also a parliamentary procedure মুখ্যমন্ত্ৰীয়ে কালি কৈছে যে ৮ জনে হুইপ মনা নাই। It is vested on you. You are the authority on this. এইটো মন্ত্ৰী সভাৰ লগত জৰিত হৈ আছে। গতিকে on Anti Defection Law you are the authority to act. এতিয়া এন্টি ডিফেকচন একটিভিটি আহে নে নাহে। যদি আহে তেতিয়া কি হ'ব? আহিলে মুখ্যমন্ত্ৰী মহোদয়ে হুইপ জাৰি কৰাৰ পিচত Ministry minority আপোনালোকে কব পৰা নাই। কালি কৈছে ৮ জনে হুইপ অমান্য কৰাৰ কাৰণে এন্টি ডিফেকচন- 8 members will be off and if 8 members will be off, the ministry will be minority for whom we are giving money. আমি সদনত আলোচনা বিলোচনা কৰোতে শত্ৰুজ্ঞান নকৰিব। আমি যিখিনি কথা কৈছো মুখ্যমন্ত্ৰী মহোদয়ে নিশ্চয় হৃদয়ঙ্গম কৰিব পাৰিব। গতিকে - you should take into account all this things. It should be implemented word by word. We want this. With this I thank you Sir. এইখিনি কৈয়ে মই সামৰণি মাৰিলো।

* Speech not corrected

Mr. Speaker : Hon'ble Member Abdul Jalil Ragibi.

* শ্ৰীআব্দুল জলিল ৰাগিবী ঃ মাননীয় অধ্যক্ষ মহোদয়, কাউন্সিল অব মিনিষ্টাৰচৰ বাবে যিটো গ্ৰেন্টত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এক কোটি এক লাখ বাৱন্ন হেজাৰ টকাৰ কথা উত্থাপন কৰিছে, তাৰ মঞ্জুৰীৰ কাৰণে ইয়াত কৰ্ত্তন প্ৰস্তাৱ অনা হৈছে বিৰোধী পক্ষৰ পৰা। আমি সকলোৱে জানো যে কৰ্ত্তন প্ৰস্তাৱ আলোচনা বিলোচনাৰ এটা সুযোগ পাবৰ কাৰণে অনা হয়। এই কৰ্ত্তন প্ৰস্তাৱৰ যোগেদি আজি এই গ্ৰেন্টৰ ওপৰত আমাৰ মাননীয় সদস্য সকলে যি সকলে ইয়াত অংশ গ্ৰহণ কৰিছে, তেওঁলোকে কিছুমান অপ্ৰাসংগিক বিষয় উৎথাপন কৰিছে। এই ক্ষেত্ৰত বাৰম্বাৰ বাধা দি অহা হৈছিল। ৰাজ্য সভাৰ নিৰ্বাচনত কোনে ভোট দিলে কোনে নিদিলে ইয়াত আহিব নেলাগিছিল। কিন্তু সেই বিলাক কথা জোৰ জবৰদস্তি অনা হ'ল। মাননীয় অধ্যক্ষ মহোদয়, অলপ আগতে পাৰ্লিয়ামেন্টত এক মিনিটত কিমান খৰচ হয় সেই কথা আপুনি কৈছে, তাৰোপৰি আমাৰ অসম বিধান সভাতো প্ৰতি চেকেণ্ডত প্ৰায় ২০ হেজাৰ টকা খৰচ হয় বুলি কৈছে। ইমান মূল্যবান সময়ৰ প্ৰতি আমাৰ সদনৰ সদস্য হিচাবে যি দায়িত্ব থাকিব লাগিছিল, তাৰ পৰিচয় আমি এই সদনত নিশ্চয় দিব পৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী সভাৰ, কাউন্সিল অব মিনিষ্টাৰৰ বাবে আবন্টন দিয়াৰ বাবে যি ধন ইয়াত বিচৰা হৈছে সেইটো মাত্ৰ ১ কোটি ১ লাখ ৫২ হেজাৰ টকা। এইটো একেবাৰে সামান্য ধন। সাধাৰণতে মন্ত্ৰী সভাখন সৰুৱে হওঁক বা ডাঙৰে হওঁক মন্ত্ৰী সভাখন পৰিচালনা কৰোতে নিম্নতম যি দায়িত্ব সেইটো পুৰণ কৰিবৰ কাৰণে আৱশ্যক । আমাৰ কিছুমান মাননীয় সদস্যই কৈছে যে মন্ত্ৰী সভাখন সৰু হব লাগে। মন্ত্ৰী সভা সৰু আৰু ডাঙৰৰ লগত কোনো সম্পৰ্ক নাই। ১ জন হ'লেও, ১০ জন হ'লেও বা ৩০ জন হ'লেও এইখিনি খৰচ হবয়ে। অধ্যক্ষ মহোদয়, আচল কথাটো এইটো নহয়, আচল কথাটো হৈছে কৰ্ত্তন প্ৰস্তাৱৰ সুযোগ লৈ সদনত কিছুমান কথা কব লাগে - সেই কথা বিলাকৰ সৰ্ম্পক বিষয়টোৰ লগত থাককে বা নাথাককে সেই সুযোগতে এইখিনি কোৱা হ'ল। আমি জানিছো গ্ৰেন্ট সম্পৰ্কে মাননীয় সদস্য সকলে কি কৈছে, কোনোৱাই নিৰ্বাচনৰ সৰ্ম্পকে কৈছে কোনোবাই পৰিয়ালৰ কোনোবা গ্ৰেপ্তাৰৰ সম্পৰ্কে কৈছে। গতিকে এইখিনিতে মই এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো। আমাৰ যি সকল সদস্যই কৰ্ত্তন প্ৰস্তাৱৰ সপক্ষে বক্তব্য ডাঙি ধৰিছিল, প্ৰকৃতাৰ্থত এই গ্ৰেন্টৰ বিষয়ত যিটো কৰ্ত্তন কৰিব লাগে আৰু এই গ্ৰেন্ট মঞ্জুৰী দিয়াটো কোনো যুক্তিযুক্ততা নাই সেইটো কব লাগিছিল। তেওঁলোকে কোৱা কথা বিলাকৰ কোনো যুক্তি নাছিল। এই কৰ্ত্তন প্ৰস্তাৱৰ সুযোগ লৈ নানা কথাৰ অবতাৰনা হ'ল। গতিকে মই ভাবো এতিয়া কৰ্ত্তন প্ৰস্তাৱ তেখেত সকলে উঠাই লব

* Speech not corrected

লাগে। যিহেতু কৰ্ত্তন প্ৰস্তাৱৰ সপক্ষে উপযুক্ত যুক্তি কোনেও ডাঙি ধৰিব পৰা নাই। তেখেতসকলৰ বক্তব্য শুনি আমাৰ সকলোৰে আমেজ লাগিল, হাহিব পাৰিলো, এই অজুহাততে যিখিনি কব লগা আছিল সেইখিনি কলে, তেওঁলোকৰ উদ্দেশ্য পুৰা হ'ল। কিন্তু গ্ৰেন্টৰ বিৰুদ্ধে একো নাছিল আৰু কোৱাও নাই। সেই কাৰণে এই গ্ৰেন্টটো মঞ্জুৰ হ্ব লাগে। মই বিৰোধী পক্ষৰ মাননীয় সদস্যসকলৰ কৰ্ত্তন প্ৰস্তাৱটো সেই কাৰণে উঠাই লবলৈ অনুৰোধ কৰিলো আৰু মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

* Shri Parameswar Brahma : Mr. Speaker Sir, I like to support this cut motion because of certain reasons. First, the grant demanded by the Government under this Ministry is also related to public interest. We know Assam is a very poor State and because of weak financial position the State Government has been forced to curtail many important economic activities and developmental activities, actually which should not have been curtailed. Because Assam is a poor State and the people are suffering hardship in all directions. So, if the proposal of the Government to maintain the council of the Ministry and extended at the cost of the developmental activities, all the developmental activities the State would suffer very badly. It is also felt by the Govt. of India and the Govt. of India is also of the same party as that of the State Govt. i.e. Congress-I party and when the Prime Minister of India has understood the gravity of the situation and suggested the State Govts either of the congress-I or the Opposition parties to reduce the number of members of the Council of Minister. It is quite a good suggestion to follow. I do not understand why this Govt. which represent the poor people of the State should not reduce the number of the Council of the Ministers in Assam. I feel it very seriously because the maintenance of a big ministry cost a huge amount of money and expansion of the Ministry means wastage of public money in non-productive purposes. So I hope this Ministry will seriously think over it because it may also affect the prestige of the ruling party. At the same time it will save the wastage of public money. It will be appreciated by the common people, members of the opposition parties and also

* Speech not corrected

by the officials of the administration here. What the Ministers are doing? Their performances and their activities have greatly weakened the State's economy and has added in bleeding State economy to add troubles to this State of Assam. So, I feel it hard to support this demand of grant taking into consideration the financial position of the State now and its backwardness in all respects and in all directions. The economic activities must be geared up by the Govt. and we also should encourage other department officials, and also the common people so that we can help reduction the wastage of public money and we can divert all these monies in gearing up the productive economic activities. I strongly feel that the Govt. would take this matter with all seriousness for the interest of the poor people of the State. Sir, with these few words I conclude.

Thank you.

* শ্রীপ্রমোদ গগৈ ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, কাটমোছন সম্পৰ্কিত এই সদনত বিভিন্ন সদস্যই বিভিন্ন প্ৰশ্ন উত্থাপন কৰিছে আৰু তাৰ সমৰ্থনত মই দুই এটা কথা উল্লেখ কৰিব বিচাৰিছোঁ। ইতিমধ্যে কাটমোছনৰ সম্পৰ্কত মাননীয় সদস্য সকলে বহুতো দিশ উল্লেখ কৰিছে আৰু সেই বোৰ মই পুনৰবাৰ উল্লেখ কৰিব বিচৰা নাই। অসমৰ জনসংখ্যা অনুপাতে বা ৰাজ্যখনৰ পৰিস্থিতিত বৰ্ত্তমান মন্ত্ৰী সভাৰ যিটো কলেবৰ বা চাইজ হিচাব মতে সেইটোৰ ইয়াত প্ৰয়োজন নাই। এতিয়া দেখা গ'ল কেবিনেট মন্ত্ৰী ২২ জন আৰু ষ্টেট মন্ত্ৰী ১৩ জন সৰ্বমুঠ ৩৫ জন। আগতে ৩৭ জন আছিল। তাৰে দুজনক আতৰোৱাৰ পাচত এতিয়া ৩৫ জন আছে। অসমৰ নিচিনা সৰু ৰাজ্যখনত ৩৫ জন মন্ত্ৰীৰ প্ৰয়োজনীয়তা আছে জানো? আগৰ কথা মই তুলনা নকৰো। আগতে উত্তৰ পূৰ্বাঞ্চল অসমৰ ভিতৰতে আছিল আৰু এতিয়া ত্ৰিপুৰাক বাদ দি এতিয়া অসম মন্ত্ৰী সভাৰ কলেবৰ আছিল ৯ জন বা ১০ জন। আজি কালিৰ কথা মই কোৱা নাই কিন্তু আমাৰ ৰাজ্যখনৰ যি অৰ্থনৈতিক অৱস্থা যি জনসংখ্যা, ইয়াৰ তুলনাত ইমান এখন বৃহৎ মন্ত্ৰী সভাৰ প্ৰয়োজন নাই। যাৰ ফলত আজি আমাৰ মন্ত্ৰী সকল ইমান বেচি। এতিয়া আমাৰ যিবিলাক চৰকাৰী বিষয়া আছে তেখেত সকলে মন্ত্ৰী সকলৰ লগত ব্যস্ত থাকোতেই অফিচৰ কাম-কাজ কৰিবলৈ আহৰি নাপাই। এনে পৰিস্থিতিত মন্ত্ৰী সকলে ভ্ৰমনৰ সময়ত বিষয়া সকল লাগি থাকোতে তথা অন্যান্য ভাট্টাৰ কথা আছে আৰু ভ্ৰমন বানচৰ কথা আছে নিৰাপত্তাৰ কথা আছে এনেবোৰ কামতে

* Speech not corrected

চৰকাৰী ধন যথেষ্ট খৰচ হয়। আমাৰ সদস্য সকলে যি প্ৰস্তাৱ দিছে যে অসমৰ পৰিস্থিতিলৈ চাই মন্ত্ৰী সভাৰ সংখ্যা কমাব লাগে। কিন্তু মই কব বিচৰা নাই যে নতুনকৈ কোনো মন্ত্ৰীক লব নালাগে, যি সকলে এই পদৰ আশা কৰি আছে তেওঁলোকে হয়তো বেয়াই পাব কিন্তু তেখেত সকলে সেইটো নিশ্চয় উপলব্ধি কৰিব লাগে যে বৰ্ত্তমান পৰিস্থিতিত মন্ত্ৰী সভাৰ কলেবৰ বৃদ্ধি কৰিব নালাগে। অধ্যক্ষ ডাঙৰীয়া, বৰ্ত্তমান চৰকাৰৰ কিছুমান কাম-কাজত ব্যতিক্ৰম দেখা গৈছে। মই এই প্ৰসংগতে এটা কথা উল্লেখ কৰিব বিচাৰিছো যে যি সময়ত ৰাষ্ট্ৰপতিৰ শাসন চলি আছিল সেই সময়ত এ পি এচ চিয়ে প্ৰাৰ্থী নিৰ্বাচন কৰি এখন লিষ্ট তৈয়াৰ কৰিছিল। কিন্তু আজিলৈকে সেই লিষ্ট খনৰ কোনো কানসাৰ এই চৰকাৰে কৰা নাই। এ পি এচ চিয়ে যি কৰে আমাৰ চৰকাৰে তাত হাত দিয়াৰ কোনো যুক্তি থাকিব নোৱাৰে কাৰণ যোগ্যতা অনুসৰিহে সেই প্ৰাৰ্থী সকলক বাচনি কৰা হয় আৰু সেই প্ৰাৰ্থী সকলৰ বহুতো মোৰ ওচৰত গৈছে আৰু তেওঁলোকে আপত্তি কৰিছে যে তেওঁলোকৰ কাৰণে উপযুক্ত পোষ্ট যেনে ডি টি অ', ট্ৰেক্স চুপাৰিনটেন্দেট আদি কেইটামান পোষ্টেৰে মুঠ ৩৩৭ জন প্ৰাৰ্থীৰ এখন তালিকা আসাম পাব্লিক চাৰ্ভিচ কমিচনে বাচনি কৰি থৈছে। তেওঁলোকৰ পুলিচ ভেৰিফিকেচন পৰ্য্যন্তও হৈ গ'ল কিন্তু আজিলৈকে তেওঁলোকৰ নিযুক্তি হোৱা নাই। আনহাতেদি তেওঁলোকৰ বাচনিৰ তালিকাৰ ম্যাদ শেষ হৈ যাব জুন মাহৰ ৯ তাৰিখে। গতিকে অধ্যক্ষ ডাঙ ৰীয়া ম্যাদ অন্ত হোৱাৰ আগতে এই লিষ্টখনৰ মতে নিয়োগৰ ব্যৱস্থা কৰিবৰ কাৰনে আমি যোৱাবাৰ সদনতে মই এই কথা উল্লেখ কৰিছিলো। চৰকাৰী পক্ষৰ পৰা মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেতবোৰ কথা কৈছিল। তেখেতে ৯ জুনৰ ভিতৰত সকলোৰে নিযুক্তি দিয়া হব আৰু তাৰ পিচত কলে যে ফেব্ৰুৱাৰী মাহত দিয়া হব। অলপতে কলিকতাত গৈ মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে যে এই বছৰতে হব। কিন্তু বাতৰি কাকতত অলপতে পাইছো যে মন্ত্ৰী সভাৰ ফালৰ পৰা এখন চাব কমিটি গঠন কৰি দিছে সেই কমিটিয়ে তালিকাখন পৰীক্ষা কৰি চাব। তাৰ পিচত সেই কেবিনেটে চাব কমিটিৰ দ্বাৰা কি কৰিলে আমি অৱশ্যে নাজানো আৰু বাতৰি কাকতত অভিযোগ উঠিছে যে এইতালিকাখনত অসমৰ জনসংখ্যাৰ প্ৰতিফলন ইয়াত হোৱা নাই। আমি জনাত আগতে এই প্ৰাৰ্থী সকলৰ বাচনি আচাম পাব্লিক চাৰ্ভিচ কমিচনে নিজেই কৰিছিল। এইবাৰেই প্ৰথম অসম চৰকাৰৰ হস্তক্ষেপ হৈছে বুলি আমি ক'ব পাৰো। অসম চৰকাৰৰ এইবাৰেই প্ৰথম পদক্ষেপ য'ত নিৰ্বাচিত তালিকাৰ ক্ষেত্ৰত আপত্তি কৰিছে। আগৰ বিধান সভাত সাধাৰণতে আমাৰ ১৯৬৭ চনত তেতিয়াৰ বিধানসভাৰ অধ্যক্ষ আছিল হৰেশ্বৰ গোস্বামী আৰু প্ৰয়াত মুখ্যমন্ত্ৰী আছিল বিমলা প্ৰসাদ চলিহা। তেখেত সকলে ঘোষণা কৰিছিল যে আচাম পাব্লিক চাৰ্ভিচ কমিচনৰ কোনো কথাতেই চৰকাৰে হস্তক্ষেপ কৰিব নোৱাৰে। তেওঁলোকৰ সিদ্ধান্তই শেষ। অধ্যক্ষ ডাঙৰীয়া আগৰ চৰকাৰৰ দিনত পাব্লিক চাৰ্ভিচ কমিচনৰ

দ্বাৰা গঠিত যিকোনো পৰীক্ষাৰ বাচনি তালিকা আৰু নিযুক্তিৰ ক্ষেত্ৰত অসম চৰকাৰে কোনো ধৰণৰ অন্তৰায়ৰ সৃষ্টি কৰিব নালাগিব। কিন্তু আজি অসম চৰকাৰে এই ক্ষেত্ৰত কিয় আপত্তি কৰিছে আমি নাজানো। যি সকল প্ৰাৰ্থীৰ নাম বাচনিৰ তালিকাত আছে তেওঁলোকে অনুতাপ কৰিছে যে তেওঁলোকে বহুতে অন্যান্য চাকৰি বাদ দি ব্যৱসায় বানিজ্য বাদ দি এই প্ৰতিযোগীতামূলক পৰীক্ষাত বহিছিল এটা ভাল চাকৰিৰ আশাত। অধ্যক্ষ ডাঙৰীয়া, বৰ্ত্তমান চৰকাৰে আগৰ পৰম্পৰা ৰক্ষা কৰিব পৰা নাই। গতিকে অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি চৰকাৰৰ ওচৰত আমাৰ অনুৰোধ যে সকলোবোৰ প্ৰক্ৰিয়াৰ মাজেদি পাব্লিক চাৰ্ভিচ কমিচনে যিখন তালিকা প্ৰস্তুত কৰিলে বৰ্ত্তমান চৰকাৰে আজি যেন তাত অন্তৰায়ৰ সৃষ্টি নকৰে। গতিকে জুন মাহৰ ৫ তাৰিখৰ আগতে এই তালিকাখনৰ মতে নিয়োগৰ ব্যৱস্থা কৰিলে ভাল হয়।

মাননীয় অধ্যক্ষ মহোদয়, দ্বিতীয়তে, অসমৰ ভৱিষ্যত গণতান্ত্ৰিক পৰম্পৰা ক্ষেত্ৰত এটা ডাঙৰ ব্যতিক্ৰম হব। তৃতীয়তে, মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰী বিষয়া বিলাকক বদলি কৰা ক্ষমতা চৰকাৰৰ আছে। কিন্তু সেই ক্ষেত্ৰত এটা নিয়ম আছে। বৰ্ত্তমান চৰকাৰে কি নীতি লৈছে নাজানো। মই জনাত যি নীতি অৱলম্বন কৰিব লাগিছিল সেইমতে কৰা নাই। সাধাৰণতে কোনো এজন কৰ্মচাৰী বদলি কৰা নিয়ম হৈছে ৩ বছৰ ম্যাদ পূৰ হলেহে এঠাইৰ পৰা আন ঠাইলৈ বদলি কৰিব পাৰে। কিছুমানৰ গুৰুত্বৰ অভিযোগ থাকিলে ইয়াৰ আগতেও বদলি কৰিব পাৰে। কিছুমান অফিচাৰ দেখা যায় অফিচাৰ মানে কৰ্মচাৰী বিষয়া ৬ মাহৰ পিচতে বদলি কৰা হয়। এঠাইত জইন কৰিবলৈ নেপাওতেই আকৌ বদলিৰ অৰ্দাৰ আহে। এবাৰ বদলি হয় আকৌ ষ্টে হয়, আকৌ বদলি হয় পুনৰ ষ্টে হয় এনেবিলাক ক্ষেত্ৰত সন্দেহৰ যথেষ্ট থল থাকে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিছো - নিয়োগৰ ক্ষেত্ৰত অসম লোক সেৱা আয়োগৰ প্ৰাৰ্থী সকলক যেন বঞ্চিত কৰা নহয়। থিক তেনেকৈ কৰ্মচাৰী সকলৰ ক্ষেত্ৰতো চৰকাৰে এটা স্পষ্ট নীতি গ্ৰহণ কৰিব লাগে। অফিচাৰ সকলৰ সুবিধা অসুবিধাৰ কথা চাব লাগে। কাৰণ তেওঁলোক চৰকাৰী কৰ্মচাৰী। তেওঁলোকৰ পৰিয়াল আছে। কোন ঠাইত কিমান বছৰ চাকৰি কৰিলে, অভাৱ অভিযোগবোৰ চাই ভৱিষ্যতৰ কাৰণে চৰকাৰে এটা স্পষ্ট নীতি চৰকাৰে ঘোষণা কৰা, প্ৰয়োজন অনুসৰি বদলি অব্যাহত ৰাখিব পাৰে। আকৌ উল্লেখ কৰিব বিচাৰিছো যে যোৱা বাৰ মই কৈছিলোয়ে আমাৰ গোটেই দেশত শান্তি সম্প্ৰীতি ৰক্ষা কৰাৰ কাৰণে প্ৰয়াত প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহেৰুৱে ৰাষ্ট্ৰীয় সংহতি পৰিষদ গঠন কৰে। সেই সংগঠনৰ লগত জাতীয় সংহতি পৰিষদও লগ হব পাৰে। কোনো আঞ্চলিক দলক বাদ দিয়া হোৱা নাই। সৰ্বদলীয়কো বাদ দিয়া নাই। ভৱিষ্যতে শান্তি

সম্প্ৰীতি ৰক্ষা কৰিবলৈ হলে সকলো দলৰে সহযোগিতাৰ প্ৰয়োজন। ষ্টেট লেভেলতো এখন সৰ্বদলীয় কমিটি গঠন কৰিব লাগে। এন, আই, চি, কমিটিখন এই কাৰণেই গঠন কৰিছিল চৰকাৰে যাতে ভৱিষ্যতে নীতিৰ পৰম্পৰা মানি চলে। কিন্তু অসম চৰকাৰৰ মন্ত্ৰী সভাই সেই পৰম্পৰা মানি চলা নাই। এন,আই,চি কমিটিত বিৰোধী পক্ষৰ সকলো দলকে বাদ দিয়া হৈছে। এই প্ৰথম কমিটিখনত মন্ত্ৰী সভাৰ সহযোগিতাৰ প্ৰয়োজন। মন্ত্ৰী সভা সংগঠনত আহিব নোৱাৰে যদিও গণতান্ত্ৰিক পৰম্পৰা মানিব নিশ্চয় আৰু জাতীয় সংহতিত বিৰোধী দলৰ যি ভূমিকা তেখেত সকলৰ লগত সহযোগিতা আমি নিবিচাৰো। ষ্টেট লেভেল এন,আই,চি কমিটিত গঠন কৰা কথাহে প্ৰকাশ কৰা হৈছে। তেখেত সকলে দলীয়ভাৱে কৰিব পাৰে। তাত আমাৰ আপত্তি নাই। সৰ্বভাৰতীয় স্তৰত যি দৰে কৰিছিল ঠিক তেনেকৈ আমাৰ ৰাজ্যখনতো শান্তি সম্প্ৰিতিৰ কাৰণে জাতীয় সংহতি পৰিষদ গঠন কৰিব বুলি আশা ৰাখিলো। উক্ত বিষয়কেইটা মই আমাৰ বিৰোধী পক্ষৰ ফালৰ পৰা মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ জৰিয়তে চৰকাৰৰ ওচৰত দাঙি ধৰিলো।

ধন্যবাদ

**Mr. Speaker**: Now, Hon'ble Member Shri Samsul Huda.

* শ্ৰীচামচুল হুদা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সদনত উত্থাপিত কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত নীতিবাচক যিবিলাক কথা উল্লেখ হৈছে সেই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থত বিৰোধী পক্ষই বিৰোধীতা কৰিছে। কৰ্ত্তন প্ৰস্তাৱ বিৰোধিতা কৰা ২-৪ টা কথা মই কব বিচাৰিছো। বাস্তৱমুখী কথা অবাস্তৱত অৱতাৰণা হলে সেইবোৰ অন্য ফালে ঢাল লয়। বিগত বছৰটোৰ কেইটামান উদাহৰণ মই দাঙি ধৰিব বিচাৰিছো। মাননীয় সদস্য প্ৰাক্তন মুখ্য মন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ কেইটামান কথা উত্থাপন কৰিছো। ১ নং কথা হল মোৰ বিৰুদ্ধে মোকৰ্দ্দমা আছে বুলি কৈছে। কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত দোহাৰিব খুজিছো মই কোনো দোষনীয় কাম কৰা নাই যে মোৰ বিৰুদ্ধে আজিলৈকে মোকৰ্দ্দমা কৰিব পৰা নাই। মই গুৱাহাটী হাইকোৰ্টৰ এজন প্ৰবক্তা আছিলো। অসম চৰকাৰ আৰু মিজোৰাম চৰকাৰৰ হাইকোৰ্টৰ এডভোকেট আছিলো। মাননীয় অধ্যক্ষ মহোদয় পলিচি, কোকিং কাট এনে ধৰণৰ ব্যৱস্থা সদনত মাননীয় সদস্য সকলে বক্তব্য আনিব পাৰে। উত্তৰ প্ৰদেশৰ দৰে এখন বৃহৎ ৰাজ্য, পঞ্জাৱ, হাৰিয়ানাকে আদি কৰি মধ্য প্ৰদেশ কেৰেলাৰ বিভিন্ন ঠাইত আৰু পশ্চিম বঙ্গৰ দৰে চি,পি,এম দেশত মন্ত্ৰী ভাগ কৰিলে দেখা যায় প্ৰয়োজনতকৈ মন্ত্ৰীৰ সংখ্যা বেছি। সেই কাৰণে মন্ত্ৰীৰ কামত টকা পইচা বেছি খৰচ হয়। সেইকাৰণে আমাৰ নিচিনা এখন দেশত ২-১ জন মন্ত্ৰী বঢ়ালেও কোনো ক্ষতি নহয়। গুৱাহাটীৰ এজন জাৰ্জ সিং ডাঙৰীয়া আছিল। তেখেতে আঢ়ৈ বছৰীয়া ল'ৰা এটা লৈ ফুৰি আছিল। মই তেখেতক দেখি সুধিলো মাই ল'ৰ্ড এই শিশুটো কাৰ ? আপোনাৰ

* Speech not corrected

নাতি নেকি? আমাৰ বন্ধু জয়নাথ শৰ্মা, পাটোৱাৰীদেৱে যি বিলাক কথাকৈ আহিছে এইটো তেখেতৰ সন্তানৰ দৰে আমাৰ মন্ত্রীও বঢ়াব লাগে। উত্তৰ প্ৰদেশত বাঢ়িছে। কেন্দ্ৰতো বাঢ়িছে। আমাৰ দেশৰ পৰিস্থিতি বেয়া নোহোৱা হলে ইমান বিলাক মন্ত্রীৰ প্ৰয়োজন নহলহেঁতেন।

মন্ত্রীৰ কলেবৰ বৃদ্ধি কৰিবলগীয়া নহ'লহেতেন যদি দেশত বা ৰাজ্যত গতানুগতিক অৱস্থা চলি থাকিলেহেতেন। প্ৰাক্তন মন্ত্রী জগন্নাথ সিনহা ডাঙৰীয়াই এনেধৰণে কৈছে যে মহেন্দ্ৰ মোহন চৌধুৰী মুখ্যমন্ত্রী থকা কালত অসমত বৃহত্তম মন্ত্রী সভা আছিল। প্ৰায় ৪৬ জন মন্ত্রী আছিল। আজি কোনোবাই কব পাৰিব নেকি বৃহত্তৰ অসমৰ মন্ত্রী সভাত কিমান জন মন্ত্রী আছিল? আমাৰ প্ৰাক্তন মুখ্যমন্ত্রী শৰৎ সিংহ ডাঙৰীয়া, বিমলা প্ৰসাদ চলিহা, বিষ্ণুৰাম মেধী আনকি বৰ্ত্তমানৰ মুখ্যমন্ত্রীৰ দিনতো মন্ত্রী সভাৰ কলেবৰ বৃদ্ধি কৰিব লগীয়া হৈছে। ১৯৮৩ চনৰ পৰা ১৯৮৫ চনলৈ মন্ত্রী সভাৰ যিটো অৱস্থা আছিল, বাস্তৱ কথা কবলৈ হলে প্ৰাক্তন মুখ্যমন্ত্রীয়ে বেয়া পাব, মই ব্যক্তিগত ভাৱে আঘাট দিবলৈ নাযাওঁ। তেখেত সকলৰ অদূৰদৰ্শিতাৰ কাৰণে এখন পৰাধীন দেশত জনসাধাৰণৰ ওপৰত যেনে ধৰণে ব্যৱস্থা হয় তেনে ধৰণৰ ব্যৱস্থাই চলিল। দেশখনৰ তথা ৰাজ্যখনৰ পৰিস্থিতি বা অন্যান্য কাৰণত খৰচ-পাতি বিভিন্ন সময়ত বেচি খৰচ কৰিব লগীয়া হয় আৰু প্ৰয়োজন অনুসাৰে মন্ত্রী পৰিষদৰ কলেবৰ বৃদ্ধি কৰিব লগীয়া হয়। আজি প্ৰশ্ন তুলিছে মন্ত্রীয়ে গাড়ী ব্যৱহাৰ কৰাৰ কথা, আপোনালোকে জানে ৰাজ্যখনৰ বিভিন্ন ধৰণৰ পৰিস্থিতিৰ মোকাবিলা কৰিবৰ কাৰণে এখন কিয় দুখন কিয় হয়তো ৫ খনো গাড়ী যাবলগীয়া হব পাৰে। ইয়াত ডাঙৰ মন্ত্রী, সৰু মন্ত্রী বা ৰাজ্যিক মন্ত্রী বা কেবিনেট মন্ত্রীৰ কথা নহয় পৰিস্থিতিৰ সন্মুখীন হবলৈ কেবাখনো গাড়ী কামত লগাব পাৰে। ইয়াত ৰাজ্যখনৰ শাসনৰ কথা আছে, ৰাজ্যখনৰ বিভিন্ন সমস্যাৰ কথা আছে। ৰাজ্যখনত মন্ত্রীসকলৰ দায়িত্ব কেনেকৈ ৰাজ্যখনত এখন মজবুত শাসন তৈয়াৰ কৰিব পাৰি, সেইদৰে মজবুত শাসন কৰিবলৈ হলে মজবুত মন্ত্রীসভা হব লাগিব। চি,বি,আইৰ এনকুৱাৰী হব লাগিব। মজবুত মন্ত্রী সভা হলেহে ৰাজ্যখনত মজবুত শাসন চলাই নিব পাৰিব। গতিকে মন্ত্রীসভাৰ কলেবৰৰ কথা বেচিকৈ মনকৰিবলগীয়া কথা নহয়। যদি এজন সাধাৰণ শিক্ষক বা মাষ্টৰৰ লৰাই ধন-সম্পত্তি কৰিব পাৰে তেনে ক্ষেত্ৰত বৰ্ত্তমানৰ মুখ্যমন্ত্রী শ্ৰীহিতেশ্বৰ শইকীয়া এসময়ত গৃহমন্ত্রী, শিক্ষামন্ত্রী ৰাজ্যপাল, মুখ্যমন্ত্রী আকৌ পুনৰ মুখ্যমন্ত্রী এজনে তেওঁৰ ৰাহী হোৱা ধনৰে দহজনক সহায় কৰাৰ পাচত যদি কিছু সম্পত্তি কৰে তেতিয়া হলে সেইটোত আপত্তি কৰিব লগীয়া কি আছে। সেইটো এটা সাধাৰণ ভাৱে হোৱা প্ৰক্ৰিয়া। কিন্তু আপোনালোকে জানে আৰু আমি দেখিছো বহুতৰ উপাৰ্জন দিচপ্ৰপোৰচনেট হৈছে, উপাৰ্জন অনুসৰি তেওঁৰ ধন-সম্পত্তি

বহুত বেছি হৈছে, সেইবিলাক ক্ষেত্ৰত মন কৰিবলগীয়া। সেইবিলাক ব্যৱস্থা এ,জি,পিৰ দিনত বেছি হৈছিল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে ওপৰলৈ থু পেলালে নিজৰ গাতে পৰিব, সেইদৰে আনৰ কথা কবলৈ যোৱাৰ আগতে নিজকে চিন্তা কৰি চাব লাগে। নিজৰ ব্যক্তিগত স্বাৰ্থ ৰক্ষা কৰিবলৈ গৈ ৰাইজৰ স্বাৰ্থৰ প্ৰতি পিঠি দিয়া ভাল কথা নহয়। সেই কাৰণে কৰ্ত্তন প্ৰস্তাৱৰ ক্ষেত্ৰত মই আকৌ ঘূৰি আহিছো, এই কৰ্ত্তন প্ৰস্তাৱ অথচ বিৰোধী পক্ষই আনিছে।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, এল, পি স্কুলৰ শিক্ষক সাধাৰণ হয় নেকি পইন্ট অব অৰডাৰ, এই শিক্ষক সকল সাধাৰণ নেকি? তেখেতে শিক্ষক শ্ৰেণীক অপমান কৰিছে, তেখেতৰ এই শিক্ষক শ্ৰেণীক অপমান কৰাৰ কোনো অধিকাৰ নাই। সেয়ে অধ্যক্ষ মহোদয় এইষাৰ কথাত আমাৰ আপত্তি আছে।

(সদনত গণ্ডগোল পৰিবেশৰ সৃষ্টি হয়)

* শ্ৰীচামচুল হুদা ঃ মই অন্য ক্ষেত্ৰত কোৱা নাই, মই কেৱল উপাৰ্জনৰ ক্ষেত্ৰতহে এল, পি স্কুলৰ শিক্ষকৰ সাধাৰণ উপাৰ্জনৰ কথা কৈছো।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ অধ্যক্ষ মহোদয়, পইন্ট অব অৰ্ডাৰ, শিক্ষক মানে সাধাৰণ মানুহ বুজাব নেকি? অইন বিভাগত চাকৰি কৰিলে বেচি সন্মান হয় নেকি। শিক্ষক হলে সাধাৰণ হব লাগিব নেকি?

(সদনত গণ্ডগোল পৰিবেশৰ সৃষ্টি হয়)

* শ্ৰীগিয়াছ উদ্দিন আহমেদ ঃ অধ্যক্ষ মহোদয়, মই কন্ট্ৰভাৰচিয়েল কথাবিলাক নাচাও। মই কব বিচাৰিছো ৰাজহুৱা দায়িত্বত থকা কোনো ব্যক্তি তেখেত মুখ্যমন্ত্ৰী হওকেই বা প্ৰাক্তন মুখ্যমন্ত্ৰীয়েই হওঁক বা আন কোনো মন্ত্ৰীয়েই হওঁক তেওঁৰ ব্যক্তিগত দোষ-গুণ থাকিব পাৰে। সেইবিলাক ৰাজহুৱা স্বাৰ্থৰ খাতিৰত সদনত আলোচনা হোৱা দৰকাৰ। ব্যক্তিগত কথাবিলাক সদনত আনিব নালাগে। কিন্তু এই ক্ষেত্ৰত মাননীয় সদস্য গৰাকীয়ে প্ৰফুল্ল কুমাৰ মহন্ত মুখ্যমন্ত্ৰী হৈ থকা অৱস্থাত কি দোষ কৰিছিল নকৰিছিল এই বিলাক কথা আঙুলিয়াব পাৰে। কিন্তু বংশ বা হেৰিদিটিৰ কথা উল্লেখ কৰা গৰ্হিত আৰু অন্যায় কাম হৈছে। অনুগ্ৰহ কৰি আপুনি এইবিলাক কথা এক্সপাঞ্জ কৰি দিব লাগে।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, মোৰ এটা পইন্ট অৱ অৰ্ডাৰ আছে। ১ লাখ বা ২ লাখ মানুহৰ ভোটলৈ আপোনালোক ইয়ালৈ আহিছে। মোৰ দেউতা গেলামালৰ দোকানী হব পাৰে হয়, কিন্তু এই কথা কব নালাগে। সকলোৰে দেউতাক হাইকৰ্টৰ এদভ'কেট নহবও পাৰে। এইখিনিতে এটা কথা কব পাৰি যে, আজি প্ৰাইমেৰী স্কুলৰ শিক্ষক সকল আটাইতকৈ সৎ মানুহ। মন্ত্ৰী হৈ থকাৰ সময়তো মই প্ৰাইমেৰী স্কুলৰ শিক্ষক দেখিলে 'নমস্কাৰ চাৰ'

* Speech not corrected

বুলি কও। তেখেতে হাইকৰ্টৰ এদভ'কেট বুলি ভাবি পাখি গজাই কথা কৈছে। আপোনালোকৰ চৰকাৰৰ গোটেই মানুহ বিলাকে দেউতাক বিলাকৰ ওপৰত কিয় লাগিছে? অধ্যক্ষ মহোদয়, আপুনি এইটো এক্সপাঞ্জ কৰিব লাগে আৰু ৰুলিং দিব লাগে যে, যাতে মাক-বাপেক সকলক ধৰি কথা নকয়।

* শ্ৰীজগন্নাথ সিংহ ঃ অধ্যক্ষ মহোদয়, হুদা চাহাবে কৈছে যে, ইনকাম নথকা এজন শিক্ষকৰ কথা। He has given a clarification to this, so it should not be expunged.

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য সিংহ ডাঙৰীয়াই কোৱা কথাটো যদি টেপত আছে তেনেহলে মই এতিয়াই এম,এল,এ চিপৰ পৰা ৰিজাইন দিম। আৰু যদি নাই তেনেহলে তেখেতে ৰিজাইন দিব লাগে। সাধাৰণ কেৰানীৰ লৰা মুখ্যমন্ত্ৰী হোৱা নাই নেকি? ৰাজীৱ গান্ধী কি পণ্ডিত আছিল? তেওঁৰ মাকৰ কোৱালিফিকেচন কি আছিল? দেউতাক আৰু ককাকে কি কাম কৰিছিল? এতিয়া টেপটো বজাই দিয়ক। মাননীয় সদস্যও এল,পি স্কুলত পঢ়িহে হাইকৰ্টৰ এদভ'কেট হৈছে।

(সদনত গণ্ডগোল)

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়,অপজিচনক কনডেম কৰা হৈছে।

মাননীয় অধ্যক্ষ ঃ হুদা ডাঙৰীয়া আপোনাৰ কি কব লগা আছে কওঁক।

* শ্ৰীচামচুল হুদা ঃ অধ্যক্ষ মহোদয়, মোৰ এটা কথাত মাননীয় সদস্য সকলে মনত আঘাট পাইছে আৰু প্ৰাক্তন মুখ্যমন্ত্ৰীয়ে মনত বৰ বেয়াকৈ লৈছে। মই এনে এটা উদ্দেশ্য লৈ কোৱা নাছিলো। এনে অৰ্থত কৈছো যে, এজন এল,পি, স্কুলৰ —

(সদনত গণ্ডগোল)

* শ্ৰীযতীন মালী ঃ অধ্যক্ষ মহোদয়, হুদা চাহাবৰ চৰিত্ৰৰ বিষয়ে মই ঘন্টাৰ পিচত ঘন্টা ধৰি অসমৰ ৰাইজৰ আগত কব পাৰো।

মাননীয় অধ্যক্ষ ঃ আপোনাৰ কিবা কব লগা আছে যদি কওঁক হুদা ডাঙৰীয়া?

* শ্ৰীযতীন মালী ঃ শিক্ষা বিভাগৰ মন্ত্ৰী হৈ মই ৫ বছৰ কাল কাম কৰিলো। গতিকে শিক্ষক সকলৰ চৰিত্ৰক ধৰি কথা নকব।

মাননীয় অধ্যক্ষ ঃ আপুনি ইমান এক্সচাইটেড হৈছে কিয় ?

* শ্ৰীপ্ৰমোদ গগৈ ঃ এনেকুৱা এটা কথা কৈছে এক্সচাইটেড নহব কিয় ?

মাননীয় অধ্যক্ষ ঃ হুদা ডাঙৰীয়া আপোনাৰ কিবা কবলগা থাকিলে কওঁক ।

* শ্ৰীচামচুল হুদা ঃ মই শিক্ষক সকললৈ সন্মান সহকাৰে কৈছো যে, সাধাৰণ বেতন ভোগী কম দৰমহা পোৱা শিক্ষক সকলৰ কি অৱস্থা হব সেই কথাটোহে ।

---

* Speech not corrected

(সদনত হুলস্থুল)

মাননীয় অধ্যক্ষ ঃ আবেলি ৩.৩০ বজালৈ সদন স্থগিত ৰখা হ'ল ।

(House Assembled at 3.30 P.M. with the Hon'ble Speaker in the Chair).

* শ্ৰীচামচুল হুদা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত আলোচনা কৰিবলৈ যাওঁতে এটা মনোভাৱ ব্যক্ত কৰিবলৈ যাওঁতে মাননীয় সদস্য সকলৰ মনত আঘাট দিয়া কথা যাবৰ কাৰণে মই দুঃখিত আৰু অনুতপ্ত। মাননীয় সদস্য সকলে কথাটো অন্য ধৰণে লব নালাগে। মই শিক্ষক সকলক আজিও শ্ৰদ্ধা কৰো, আগতেও কৰি আহিছো আৰু আগলৈকো শ্ৰদ্ধা কৰি যাম। বিধানসভাত কোনো প্ৰসঙ্গত এই কথাটো ব্যক্ত হৈছে তাৰ কাৰণে মই যথেষ্ট মনত আঘাট পাইছো আৰু তাৰ কাৰণে মই দুঃখিত।

(কেইবাজনো মাননীয় সদস্যই একেলগে কবলৈ উঠাত কাৰো কথা লিপিবদ্ধ কৰিব পৰা নগ'ল)

* ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, অশ্লীল শব্দ এটা কৈ তাৰ কাৰণে দুঃখিত বুলি কলেই নহব।

* শ্ৰীচামচুল হুদা ঃ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষক সম্পৰ্কে কোৱা কথাষাৰ মই উঠাই লৈছো আৰু তাৰ কাৰণে মই দুখ প্ৰকাশ কৰিছো।

(পুনৰ সদলত গণ্ডগোল লাগে)

## ANNOUNCEMENT FROM THE CHAIR

মাননীয় অধ্যক্ষ ঃ আপোনালোকে আমাৰ মূল্যবান সময় এনেকৈ নষ্ট নকৰে যেন। এজন বিধায়কে দুঃখিত বুলি কৈছে, তেখেতে কথাষাৰ উঠাই লৈছো বুলি কৈছে, ইয়াৰ পিচত আৰু কি কথাটো থাকিব পাৰে। মাননীয় সদস্য সকলক মই বাৰে বাৰে কৈ আহিছো, অনুৰোধ জনাই আহিছো যে আমি সদনৰ মৰ্যাদা অটুত ৰাখিব লাগে। মই সকলোকে সমান ভাবো। আমি প্ৰতিজন বিধায়ক ১ লাখ লোকৰ প্ৰতিনিধি। সদনৰ বিষয়বস্তুৰ ওপৰত আমাৰ আলোচনা সীমাবদ্ধ থাকিব লাগে। আমি সদনৰ মৰ্যাদা ৰক্ষা কৰি চলিব লাগে। ইয়াত প্ৰেছৰ মানুহ আছে, গেলেৰিত অফিচাৰ আৰু বাহিৰৰ লোক আছে। যদি আমি -- What they want from us. আপোনালোকে মোক সদন পৰিচালনাত সহায় কৰিব লাগে আমি মেইন ইচ্যুবোৰৰ কাৰণে চিন্তা কৰিব লাগে। আমাৰ বিধায়ক এজনে নিজেই দুঃখিত হৈছে আৰু সেই কথা উঠাই লৈছে - এই কথাটো আৰু আনিব নেলাগে। তেখেতৰ হৈ মই ক্ষমা ভিক্ষা কৰিছো। ....... when the Speaker says it is final. Please, I have apologised for everything. I have two announcements to make.

* Speech not corrected

Hon'ble Member.Shri Parameswar Brahma and 9 others had requested me to send a team of the Hon'ble Members of the House to visit Choraikhowa under Kokrajhar Police Station in connection with the killing of two civilians on 19.3.92. I have examined the matter and in pursuance of the Hon'ble Chief Minister's view expressing in the House yesterday, I have Constituted a Good will Team of the House comprising the following Members.

1. Shri Debesh Chakravarty, Deputy Speaker, Leader.
2. Shri Prafulla Kr. Mahanta, MLA
3. Shri Promode Gogoi, MLA
4. Shri Pani Ram Rabha, MLA
5. Shri Parameswar Brahma MLA
6. Shri Milan Boro, MLA
7. Shri Zoii Nath Sarma, MLA
8. Shri Mission Ranjan Das, MLA
9. Shri Sasha Kamal Handique, MLA
10. Shri Chandra Mohan Patowari, MLA
11. Shri Lakhi Borgohain, MLA
12. Shri Zaman Sing Brahma, MLA
13. Shri Jaynal Abedin, MLA
14. Shri Hali Ram Terang, MLA
15. Shri Debendra Nath Barua,MLA.
16. Shri Dildar Rezza, MLA
17. Shei Bhupen Bhuyan, MLA

The Hon 'ble Members will decide themselve about the date and time of departure. The official bus of the Assam Legislative Assembly and official staff will accompany the Good will team.এইটো তেখেত সকলে আলোচনা কৰি ঠিক কৰি লব। কিছুমানে কৈছে শনি, দেওবাৰে যাব, কোনোৱে কৈছে ২৮-২৯ তাৰিখে যাব।এইটো আপোনালোকে আলোচনা কৰি ঠিক কৰি লব।

* শ্ৰীপ্ৰমোদ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কথাটো উঠাই লৈছো বুলি কৈছে আৰু তেখেতে ক্ষমা বিচাৰিছে। তেখেতৰ কথাখিনি প্ৰচিদিংচৰ পৰা উইড্ৰ কৰিব লাগে।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, এইটো প্ৰচিদিংচত থাকিব লাগে।

মাননীয় অধ্যক্ষ ঃ হব । Now, I request Hon'ble Chief Minister to reply the cut-motion.

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি কাট-মোচনত ভালেমান কথা উত্থাপন কৰা হৈছে। আজি যি বিশেষ কথা কেইটাৰ ৰেফাৰেন্স দিয়া হৈছে মই প্ৰথমতে তাৰ ওপৰতে আৰম্ভ কৰো। মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা, আৰু শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী দেবৰ মূল কথাটো আছিল যোৱা কালি হৈ যোৱা ৰাজ্যসভাৰ নিৰ্বাচনত ৮ জন কংগ্ৰেছ (ই) ৰ বিধায়কে দলৰ হুইপ নেমানি ভোটদান কৰাৰ কাৰণে এই সদনত মই সংখ্যা গৰিষ্ঠতা হেৰুৱাইছো আৰু তাৰ কাৰণে মই পদত্যাগ কৰিব লাগে। আজি জিৰ' আৱাৰত এই বিষয়টো লৈ সদনত এক উত্তেজনাৰ সৃষ্টি হৈছিল। উত্তেজিত পৰিস্থিতি হৈ আছে। অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়া নিজে এজন অধিবক্তা, তেখেতে নিশ্চয় এণ্টি-ডিফেকচন ল পঢ়িছে। যিটো কথাৰ লগত এই সদনৰ সম্পৰ্ক নেথাকে তেনে কথাত পদত্যাগ কৰাৰ প্ৰশ্নই উঠিব নোৱাৰে। আজি কাট-মোচনৰ সম্পৰ্কত আলোচনা চলি থকা সময়ত তেখেতে এখন বাতৰি কাকতৰ এটা বাতৰি উদ্ধৃতি কৰাত সদনত এটা অসুস্থ পৰিবেশৰ সৃষ্টি কৰিছে। মাননীয় অধ্যক্ষই তাৰ ওপৰত এটা ৰুলিং দিছে।

আমি সকলো মাননীয় সদস্যই আমাৰ বিধানসভাৰ যিখন বিজনেচ এডভাইচেৰী ৰুল আছে পঢ়ো আৰু জানো। জিৰো আৱাৰত কেনে কথা হব লাগে আৰু নালাগে সেই বিষয়ে সকলোৱে জানে, মাননীয় অধ্যক্ষ মহোদয়, আপুনি ৰুলিং দি বন্ধ নকৰা হলে আজি হয়তো এনে পৰিস্থিতিৰ এনে অৱস্থা নহ'লহেতেন। শৰ্মা ডাঙৰীয়াই নিশ্চয় ৰুলৰ কথাটো জানে। তথাপি এনে কথাৰ উৎভাৱন কৰিলে যে সকলোকে গৰম কৰি তুলিলে আৰু বিধানসভাৰ পৰিবেশ উত্তপ্ত কৰি তুলিলে। ফলত শেষত এনে এটা পৰিস্থিতি হ'ল। ৮ জন বিধায়কে ভোট নিদিলে, কংগ্ৰেছ তথা নিজৰ দলৰ বৈশ্যতা নামানিলে এই কথা মই মানি লব নোৱাৰো। বাতৰি কাকতত ওলাইছেই দুজনৰ কাৰণে নিৰ্বাচন হৈছে। আমি এজন পাও দুজন কেতিয়াও নাপাও। হয় চেষ্টা কৰা হৈছে। চেষ্টাটোত কোনো বাধা নাই বা হব নোৱাৰে। এখন আসনৰ কাৰণে ৪৪ জন আৰু আনখনৰ কাৰণে ২২ জন কৰিবলৈ কোৱা হৈছিল। আৰু অন্যান্য সকলক অনুৰোধ কৰি আনিবলৈ চেষ্টা কৰিছো। আৰু সেই মতে আনিছো। সেই মতে ৪২ টা ভোট হৈছে। আৰু তাৰে এটা কেনচেল হৈছে। যিহেতুকে

* Speech not corrected

মাননীয় সদস্য ৪৪ জনক ভোট দিবলৈ কৈছিলো তাৰ ৩৬ টা পাইছো। বাকী ২২ টা ভোট যোগাৰ কৰাৰ কথা আছিল। এইটো ঠিক যে ৮ জন মাননীয় সদস্যই ভোট দিয়া নাই। সেইটো সত্য। তেওঁলোকৰ ওপৰত একচন লোৱা হ'ব বুলি কোৱাটোও সত্য। কিন্তু সেই কথাটো এই ৰেলিভেন্টত নাহে। কোনো ৰেলিভেন্টত আহিব নোৱাৰে। সদনৰ বাহিৰৰ কথা সদনৰ ভিতৰত আহিব নোৱাৰে। যদি সদনৰ মজিয়াত বিৰোধীতা কৰিলেহেতেন আৰু যদি মই সেই ৮ জনক দলৰ পৰা এক্সপেল কৰিলো হেতেন তেতিয়া আমাৰ সংখ্যালঘিষ্ঠ হলহেতেন। শাস্তিমূলক ব্যৱস্থা লব পাৰো বুলিহে কৈছো, কিন্তু লোৱা নাই। আজি কিছু দিন আগতে পাৰ্লিয়ামেন্টত কংগ্ৰেছৰ বিৰুদ্ধে নো-কনফিডেন্স জনতা দলে অনা সময়ত ৮/৯ জন মানে ভোট দিয়া নাছিল। তেওঁলোকক কিন্তু এক্সপেল কৰা হোৱা নাই। চো ক'জ নোটিচ দিয়াৰ পাচত উত্তৰ পোৱাৰ পাচত তেওঁলোকৰ বিৰুদ্ধে থকা অভিযোগ উঠাই লোৱা হয়। আজি ৮ জনে ভোট নিদিয়া কথা সঁচা। কিন্তু এনেকুৱা যদি বিধানসভাৰ ভিতৰত হ'লহেতেন তেতিয়া মাননীয় সদস্য শৰ্মা ডাঙৰীয়াই অনাস্থা প্ৰস্তাৱ আনি ভোট লওঁক। কিন্তু এটা অবান্তৰ কথা আনি সদনৰ সকলোৰে সময় নষ্ট কৰিছে। সদনৰ ভিতৰত শত্ৰু- মিত্ৰৰ ভাৱ আৰম্ভ হৈছে। যোৱা কালি কাট-মোচনত মাননীয় সদস্য গৰাকীয়ে আলফাৰ টকা থকাৰ কথা কৈছিল। কিন্তু অসমৰ সকলো মানুহেই জানে কেতিয়া কেনেকৈ আলফাই টকা সংগ্ৰহ কৰিছিল। এই বিলাক কথা সদনত আলোচনা কৰিম নেকি? সদনত আলোচনা কৰিলে আকৌ একেই পৰিস্থিতিৰ উদ্ভৱ হ'ব। আলফাই কোনটো স্তৰত কিমানলৈ বৃদ্ধি পালে সেইটো অসমৰ ৰাইজে সকলোৰে জানে। আলফাই ক'ৰ পৰা কেনেকৈ টকা সংগ্ৰহ কৰিছে সেই কথা আলফাৰ সদস্যই নিজে স্বীকাৰ কৰিছে। তিনচুকীয়াৰ ষ্টেটফেড, এগ্ৰিকালচাৰ, ভেটেৰেনেৰী আদি সকলোৰে পৰা সংগ্ৰহ কৰিছিল। সেই বিলাক এতিয়া পোষ্টমৰটেম কৰি কোৱা কথা নহয়। পাঁচ বা দহ বছৰে কি কৰিছো, ১৯৯২ত মই কি কৰিছো ১৯৮৫ আপোনালোকে কি কৰিছে সেই কথা কৈ বিষাক্ত পৰিবেশৰ সৃষ্টি কৰিব নালাগে। মাননীয় অধ্যক্ষ মহোদয়ে অলপ আগতে যিটো ৰুলিং দিলে সেই মতে মইও কওঁ যে অল পাৰ্টি মিটিং এটা হ'ব লাগে। আপুনি ঠিক কৰি দিয়ক। আমি কি কব লাগে, কি কোৱা উচিত নহয় আমি সকলো সদস্যই তাত বহি আলোচনা কৰিব লাগে। যাতে সদনত বিষাক্ত পৰিবেশৰ সৃষ্টি নহয়। যিবিলাক কথাৰ সংগতি নাই সেই বিলাক কথা কৈ সময় নষ্ট কৰিব নালাগে। আমি ইয়াত বোকা দলিয়াবলৈ অহা নাই। মন্ত্ৰীয়ে কিয় গাড়ী ব্যৱহাৰ কৰিব নালাগে এই কথা কওঁতে যিবিলাক কথা সংগতিত নাহে সেই বিলাক কথা কব নালাগে। কোৱাটো উচিত নহয় বুলি মই ভাবো।

মাননীয় অধ্যক্ষ মহোদয়, কোৱা হৈছে যে ৰঙা লাইট থকা গাড়ী বিলাক এম, এল,এ ব্যৱহাৰ কৰিব নালাগে। এই বিষয়ে মই ব্যৱস্থা লম। এই বিলাক কওঁতে এটা কথা

মই কওঁ পুলকাৰ বিলাকৰ অৱস্থা একেবাৰে শোচনীয়। সকলো বিলাক পুলকাৰ নষ্ট হৈ আছে। সেই দিনা মই এখন পুলকাৰ বিছাৰো তেওঁলোকে দিব নোৱাৰিলে। কাৰণ প্ৰত্যেক খন পুলকাৰৰেই অৱস্থা একেবাৰে বেয়া। এনে অৱস্থাত মন্ত্ৰী সকলক যেতিয়া গাড়ী দিবই লাগিব গতিকে গাড়ী কিনিব লাগিব। মন্ত্ৰীৰ লগত গাড়ী কম যাব লাগে। মুখ্যমন্ত্ৰীৰ লগত ৩৪ খন গাড়ী যায়। মন্ত্ৰীৰ লগত গাড়ী যোৱাটো স্বাভাবিক। যিহেতু মন্ত্ৰীৰ লগত বিভাগীয় কৰ্মচাৰী, বিষয়া সকলো যায়। কিন্তু প্ৰাক্তন মুখ্যমন্ত্ৰীৰ লগত ৩৬ খন গাড়ী যোৱাৰ দৃষ্টান্ত আছে। এই কথা মই নিজে কোৱা নাই। কোনোবা বাতৰি কাকত এখনত পঢ়িছিলো। মুখ্যমন্ত্ৰীৰ লগত ১০ খন গাড়ী যোৱাটো স্বাভাৱিক। কাৰণ এখন জিলালৈ গলে সেই জিলাৰ বিষয়া কৰ্মচাৰী সকল যোৱাটো দৰ্কাৰ। ৰাইজৰ কাম কৰোতে, স্বাস্থ্য, ৰাস্তা, গড়াখহনীয়া আদিৰ কথা ৰাইজে সুধিলে উত্তৰ দিব লাগে। লগত বিষয়াসকল থাকিলে উত্তৰটো আমি লগে লগে দিব পাৰো। আমি ৰাইজৰ কাম কৰিবলৈ হে গাড়ী লও, চখ বা ফুৰ্ত্তি কৰিবলৈ গাড়ীত নাযাও।

এটা কথা ওলাই আছে। সেইটো হৈছে মন্ত্ৰী সকলে ৰিকোমেণ্ড কৰিব নোৱাৰে। কাৰণ যিবিলাকৰ টকা-পইচা আছে তেওঁলোকেহে আহি মন্ত্ৰীক লগ ধৰিব পাৰে। আন বহুতে আহিব নোৱাৰে গতিকে ৰিকোমেনডেচন দিয়াটো কৰিব নোৱাৰি। সকলোৱে কৈছে কংগ্ৰেছ সকলকহে দিয়া হব। গতিকে মই কৈছো মন্ত্ৰীসকলে ৰিকোমেনডেচন কৰাটো ঠিক নহয়।

আমি সেই কাৰণে ৰিকমেনডচন দিয়াটো উঠাই দিছো। মেৰিটৰ ওপৰত যিয়ে পায় পাব। আমাৰ মন্ত্ৰী সকলৰ পৰা ৰিকমেনডচন নিবলৈ হলে আমাৰ ইয়ালৈ সকলো মানুহ আহিব নোৱাৰে। যি সকলে আহিব পাৰিব সেই খিনি মানুহকহে ৰিকমেনডচন দিব পাৰিব। আৰু আমি ৰিকমেনডচন দিলে চাকৰি পাব আৰু আমাৰ দলৰ লোকক দিয়া বুলিতো কবই। সেই কাৰণেই বন্ধ কৰিছো। তথাপিও কৰিব লাগে। উপায় নাই। আজিও ৰিকমেনডচন কৰিছো। আচলতে জাষ্টিচ দিয়াৰ কাৰণেই কৰিব লগীয়া হয়। মন্ত্ৰী সকলৰ গাড়ীৰ কথা উল্লেখ কৰিছিল। পঞ্চায়ত মন্ত্ৰীয়ে গাড়ী এখন বেয়া কৰাৰ কথাও কৈছিল। এনেকুৱা কথা আগতে বহুত বেছি হৈছে। বহুত গাড়ী নষ্ট হৈছে। সেই বিলাক কথা নকলেও নহয়। কিয়নো গাড়ী বেয়া হলে মেৰামতি কৰিব লাগিব। সেইটো বোকা ছটিওৱা কথা কৈ লাভ নাই। তেলৰ কথাও কৈছে। এইটো আমি কাৰটেইল কৰিছো। এইটো কৰা উচিতো। মাননীয় সদস্য জয়নাল আবেদীন চাহাবে মন্ত্ৰীয়ে ৰাইটিং পেড ব্যৱহাৰ কৰিছিল আৰু নিৰ্বাচনৰ সময়ত পৰাজিত প্ৰাৰ্থীক প্ৰকৃত বিধায়ক হিচাবে কাম কৰিবলৈ কৈছিল বুলি অভিযোগ তুলিছে। এইটো এটা কথা চাৰ, নিৰ্বাচনৰ সময়ত বহুতে বহুত ধৰণৰ কথা

কয়। বহুত ধৰণৰ প্ৰচাৰ অপপ্ৰচাৰ হয় সেই কথা বিলাকত কিমান সত্যতা থাকে সেই বিলাক কথাও চাবলগীয়া আছে। তেখেতে ৰাইটিং অব দি ওৱাল চাই কাম কৰাৰ কথা কৈছিল। আমি দেৱালৰ লিখন চায়েই কাম কৰি আছো। আৰু সেই অনুসৰি পঞ্চায়ত নিৰ্বাচনত ভোট পাইছো। মাননীয় সদস্য চহিদুল আলম চৌধুৰীয়ে কোনো মন্ত্ৰীয়ে বহু লাখ টকা তোলা বুলি কৈছে। গৌতম ৰায় মিউনিচিপেলিটিত আহিয়েই আছে। জি-এম-চিৰ ক্ষেত্ৰতো তেনে খবৰ আহিয়েই আছে। আহি থাকে। তাৰ বেছি ভাগেই অসত্য আৰু ঠিক নহয়।

* শ্ৰীশ্বহিদুল আলম চৌধুৰী ঃ অধ্যক্ষ মহোদয়, কাগজৰ কথা নহয়।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য চৌধুৰী যেতিয়া মন্ত্ৰী আছিল তেতিয়াও তেনে কথা ওলাইছিল। সকলো বিলাক কথা সত্য নহয়। তথাপি এই বিলাক কথা মই চাম। মাননীয় সদস্য চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াইও কথা এটা উল্লেখ কৰিছিল। আচলতে আপুনি মই ৰাজনীতি কৰাৰ কাৰণে আমাৰ পৰিয়াল ভিক্টিমাইজ হব নালাগে। এই ক্ষেত্ৰত মই বাধা দিম। তেখেতে আঠজন এম-এল-এৰ কথাও কৈছিল। মই পাইছো আৰু তাৰ উত্তৰ দিছো। মাননীয় সদস্য প্ৰমোদ গগৈ ডাঙৰীয়াই মন্ত্ৰীসভাৰ আকাৰ সৰু কৰাৰ কথা কৈছে। অসমত সম্ভৱ নহয়। অসমত ইমান জনগোষ্ঠী আৰু প্ৰত্যেক জনগোষ্ঠীয়ে অনুভৱ কৰে তেওঁলোকৰ পৰা মন্ত্ৰী হওক। আজি নগালেণ্ডত দুজন এম-এল-এ ৰাখি বাকী আটাইখিনিয়েই মন্ত্ৰী। মেঘালয়তো আঠজনহে ৰাখিছে।

(ভইচ ঃ আমাৰ ইয়াতো দিব লাগে)

কথাটো অৱশ্যে উত্তৰ-পূব হিচাবে অসমতো আহি হেঁচা পৰে। হেঁচা পৰাৰ কাৰণেই উপায় নাথাকে। আপুনি মুখ্যমন্ত্ৰী হলে গম পাব।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ আপুনি আশীৰ্বাদ কৰিছে যেতিয়া ধন্যবাদ দিছো।

* শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, শাসক দলৰ সকলোকে মন্ত্ৰী কৰা হওক আৰু আমি বিধায়ক হৈ থাকিম।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, গুৱাহাটী বিশ্ববিদ্যালয়তো হেড সকল বোলে ৰোটেশ্বনত হয়। আমাৰ ইয়াতো তেনে হব পাৰে। দ্বিতীয় কথা হ'ল এ-পি-এচ-চিৰ কথা যিটো উঠিছে। তালিকাখন আমি নাকচ কৰা নাই। আমি পৰম্পৰা ভঙ্গ কৰা নাই। মই আগতেও বিধান সভাত কৈছো এই লিষ্টখনৰ সম্পৰ্কত বিভিন্ন প্ৰাৰ্থীয়ে অভিযোগ বিভিন্ন ভাবে আনিছে। মৌখিক সাক্ষাতকাৰত এজন আছিল বুলিও অভিযোগ উঠিছে। আচলতে তিনিজন থকাৰ নিয়ম। এজনে মৌখিক পৰীক্ষা লোৱাত সন্দেহ থকা বুলিও জনাইছে।

---

* Speech not corrected

শতকৰা ৮৫-৯৫ নম্বৰ থকা সকলে মৌখিক সাক্ষাতকাৰত কিয় কম পাইছে সেই কাৰণে অভিযোগ উত্থাপন কৰিছে। তেওঁলোকে অভিযোগ তুলিছে আৰু ঠিক হোৱা নাই বুলি কৈছে। আমি নিদিম বুলি কোৱা নাই কিন্তু কথাটো পৰিষ্কাৰ কৰিব লাগিব। যি বিলাক সাংঘাতিক ধৰণৰ অভিযোগ আনিছে সেই বিলাক আশী নব্বৈ পোৱা সকলে কিয় মৌখিক সাক্ষাতকাৰত বেয়া হব বুলি আনিছে। এই বিলাক চাব লাগিব। আমি কিন্তু পৰম্পৰা ভাঙিব খোজা নাই। আৰু নেচনেল ইন্টিগ্রেচনৰ কথা কোৱা হৈছে এইটো আমি পৰীক্ষা কৰি চাম। গাড়ী বেছি ৰাখিব নালাগে, গাড়ীৰ অপব্যৱহাৰ হব নালাগে, তেলৰ অপব্যৱহাৰ হব নালাগে আৰু ফোনৰো অপব্যৱহাৰ হব নালাগে বুলি কৈছে। এইটো ঠিক কথা কিন্তু এটা কথা যদি চোৱা যায় আমাৰ শৰ্ম্মা ডাঙৰীয়াৰ পৰিয়াল যদি মঙ্গলদৈত থাকে আৰু শৰ্ম্ম ডাঙৰীয়া মন্ত্ৰী হৈ থাকিলে তেখেত দিশপুৰলৈ ভালে ভালে আহি পালেনে নাই নিশ্চয় খবৰ কৰিব বা ফোনত কেনে আছে সেইটো খবৰ নিশ্চয় কৰিব। সেইটো আমি বাধা দিম কেনেকৈ। সেইটো স্বাভাৱিক। শৰ্ম্মা ডাঙৰীয়া দিশপুৰত থাকি পৰিবাৰ,মঙ্গলদৈত থাকিলে ঘৰুৱা কথা নাপাতিব বুলিলে আমাৰ বিশ্বাস নহয়। চৰকাৰী বিষয়াইও যে এইটো নকৰে সেই কথাও মই বেদত ধৰি কব নোৱাৰো। গতিকে এই বিলাক কথা লৈ মাথা গৰম কৰা ঠিক নহয়। এই কথা বিলাকো চাব লাগিব যে আমাৰ কিছুমান মন্ত্ৰী সদায় সমষ্টিলৈ যায়, ওচৰতে ঘৰ কাৰণে যাব পাৰে কিন্তু আমি নোৱাৰো। এইটো ঠিক নহয়। বিধানসভাৰ অধিবেশনৰ পিচত এইটো চাব লাগিব। এই কথা শৰ্ম্মা ডাঙৰীয়াই কব নালাগে মই নিজেই চাম।

* শ্ৰীপদ্মেশ্বৰ দলে ঃ অধ্যক্ষ মহোদয়, এজন মন্ত্ৰী কোনোবা সমষ্টিলৈ গলে সেই সমষ্টিৰ বিধায়ক সকলে খবৰ পাব লাগে নে নালাগে সেইটো জানিব বিচাৰিছো। আমাৰ মুখ্যমন্ত্ৰী মহোদয় মাজুলীলৈ গৈছিল অথচ মই মাজুলীৰ বিধায়ক হৈ সেই খবৰ নাপালো। মুখ্যমন্ত্ৰী যোৱাৰ দুদিন আগতে আহিছো। ডি-চি বা এচ-ডি-চিৰ যোগেদিও খবৰ দিব পাৰে কিন্তু মই খবৰ নাপালো।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ ডি-চিক জনোৱা হৈছে চাৱ। আৰু চিফ মিনিষ্টাৰৰ পৰা মেচেজ যোৱাৰ এটা কডেই আছে। তাত ইন্‌ফৰ্ম অল কনচাৰ্নড্‌ বুলি লিখা থাকে। সেই মতে খবৰ দিয়া হয়। ইয়াৰ ভিতৰত এম- এল-এও পৰে। কি কাৰণত খবৰ পোৱা নাই সেইটো চোৱা হব। আৰু যদি কৰা নাই তেনেকৈয়ে কৰা হব।

* শ্ৰীগহীনচন্দ্ৰ দাস ঃ অধ্যক্ষ মহোদয়, এলিমেন্টৰি এডুকেশ্বন বোৰ্ডৰ দ্বাৰা দুখীয়া মানুহ বিলাকক হাৱাশাস্তি কৰা হৈছে সেই বিষয়ত মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো।

* Speech not corrected

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ চাৰ, কালিও মই কৈছিলো। যি সকলে টকা-পইচা লৈ চাকৰি বিচাৰিছিল তেওঁলোকে চাকৰি নাপাব। এই খিনি কৈ কাট-মোচনটো উইড্ৰ কৰিবলৈ অনুৰোধ কৰিলো।

* শ্ৰীমিশন রঞ্জন দাস ঃ মহোদয়, আমার বক্তব্য ছিল যে বদরপুর উপনির্বাচনে মন্ত্রীদের অশোভনীয় যে আচরণ ছিল তার ......

মাননীয় অধ্যক্ষ ঃ আপনি কাট-মোচন উঠিয়ে নিবেন কি না তা বলুন ?

* শ্ৰীমিশন ৰঞ্জন দাস ঃ স্যার, মন্ত্রীরা যখন সফরে যান তখন আমাদের কেন খবর দেন না ? তাছাড়া মন্ত্রীদের আচরণ সম্পর্কে......

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, নাজিৰাত কি হৈছিল সেইটো আপোনালোকে বোধহয় জানে। মোৰ দেউতাৰ অসুখ বুলি কোনোবাই মেচেজ দিলে, মই হেনো যাব নালাগে। কোনে কৰিলে নাজানো। কিন্তু মেচেজ দিলে 'শইকীয়া ডাঙৰীয়া যাব নালাগে' নিৰ্বাচনৰ সময়ত এনেকুৱা বহুত কথাই হয়। সেই সকলোবোৰ ধৰিব নোৱাৰি।

Mr. Speaker : Now I put the motion before the house that out of a total provision of Rs. 1,01,52,000 under Grant No. 2 in respect of Council of Minister at pages 1-6 of Volume II Part IV of the Budget be reduced to Re. 1,00 i.e. the amount of the whole grant of Rs. 1,01,52.000 do stand reduced to Re. 1.00. The cut-motion is passed by voice vote. Now Shri Zoii Nath Sarma, will you withdraw your cut-motion.

* Shri Zoii Nath Sarma : I will withdraw the cut-motion but before that I will seek clarification from the Hon'ble Chief Minister.

মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এইটোৰ এটা উত্তৰ বিচাৰিছিলো। লিগেল অবলিগেচনৰ কথা নহয় মই মৰেল অবলিগেচনৰ কথাহে কৈছিলো। বাতৰি কাকতত ওলাইছে ২০ জন বিধায়কক মেনেজ কৰিছে বুলি। কিন্তু মই বিধায়ক হিচাৱে এই কথাটোত আঘাত পাইছো। কিয়নো বিধায়ক সকল সমানেই ইয়াৰ লগত জৰিত হৈ আছে। সেই কাৰণে বিধায়ক হিচাৱে মই এইটো মানি লব পৰা নাই। সদনত আন বহুত মাননীয় সদস্যই হয়তো মানি লব পৰা নাই। কোনোবাই কাৰোবাক ভাল পাব বা বেয়া পাব সেইটো বেলেগ কথা। কিন্তু ইয়াত মোৰ আপত্তি আছে। ইয়াত মুখ্যমন্ত্ৰীৰ নামো জৰিত হৈ আছে। মই বিধায়ক আৱাসৰ কথা এটা কব খুজিছো। মোৰ বাসভৱনৰ

---

* Speech not corrected

পৰা ওলাই আহোতে মোৰ লগত মিচেচো আছিল, ৰাস্তাৰ কাষতে কোনোবা এজনে সৰুপানী চুই আছে — (ভইচ) সেইটো আকৌ কি?

এইটো ভদ্ৰ ভাষাত কোৱা হৈছে বেলেগ ভাষা প্ৰয়োগ কৰিব নোৱাৰি কাৰণে। মিচেচে মোক সুধিছে সেইজন এম, এল, এ নেকি? কিছু ইতস্ততও কৰিছে, লগতে বেয়াও পাইছে। আলফা থকা সম্পৰ্কত বাতৰি ওলাইছে। কোনোবা এমপি এজনে টকা দিছে বুলি বাতৰি কাকতে উলিয়াইছে। পিছে কাণ্ড বিলাক মুখ্যমন্ত্ৰীয়ে নিজে উলিয়াইছে নে তেওঁৰ বিৰুদ্ধে কোনোবাই উলিয়াই দিছে সেইটোহে আচল কথা। আকৌ বিধায়ক আৱাসত টকাৰ বাকচ হেৰাইছে বুলি মই অভিযোগ দিছিলো। সেইটো বিচাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। বিষয়টো মুখ্যমন্ত্ৰীয়ে নিজে পৰীক্ষা কৰিব লাগে। ৰাজ্য চৰকাৰৰ স্বাৰ্থত হলেও এইটো কৰা ভাল হব। মন্ত্ৰী হওঁক বা বিধায়কে হওঁক ৰাতি ১২/১ বজাত গাড়ীৰ ঘটনা কিয় হব লাগে? বিধায়ক আৱাসৰ চাৰিওফালে বিভিন্ন কিছুমান মানুহ আছে যিবিলাক আচলতে থকাটো উচিত নহয়। কোনোবা কাৰোবাৰ অতিথি আছে গেষ্ট হাউচ বা চাৰ্কিট হাউচত থাকিব পাৰে কিন্তু মুখ্যমন্ত্ৰীৰ নাম লৈ ৫৫ নং, ৬৭ নে ৬৮ ঠিক মোৰ মনত নাই আৱাসত বহুত মানুহ আছে। যিবিলাক মানুহ আছে সেইবিলাকৰ ওপৰত সন্দেহ আছে। সেই কথা চাব লাগে। মুখ্যমন্ত্ৰীৰ অতিথি বুলি যিটো অভিযোগ উঠিছে সেইটো হয় নে নহয় সেই কথা লক্ষ্য কৰিব লাগে। মুখ্যমন্ত্ৰীৰ নামত হোৱা কথাবিলাক মুখ্যমন্ত্ৰীয়ে এৰাই চলা ভাল নহয়। মুখ্যমন্ত্ৰীয়ে কৈছে মই এটা কথা কোৱাৰ কাৰণে গৰম হৈছে সেইদিনা মুখ্যমন্ত্ৰীও গৰম আছিল। মই গৰম কৰিছো আৰু গৰম কৰিমেই। বাকীখিনি আপোনালোকৰ কথা। মই কৈছিলো চাকৰী প্ৰাৰ্থী সকলক আপোনালোকে লগ ধৰিছে হয় কিন্তু চাকৰী দিব পৰা নাই। যদি চাকৰী দিবই নোৱাৰে লগ ধৰেনো কিয়? জনসাধাৰণৰ প্ৰতিনিধি হিচাবে আমি লগ ধৰিব লাগিব সেইটোও আপোনালোকে এতিয়া বন্ধ কৰিছে বিধায়কে অনুমোদন কৰিব নোৱাৰে বুলি।

**Mr. Speaker :** Now Shri Sahidul Alam Choudhury, will you withdraw your cut-motion ?

* **শ্ৰীশ্বহিদুল আলম চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো উঠাই লোৱাৰ আগতে মই মাননীয় মুখ্যমন্ত্ৰীৰ পৰা দুটামান কথাৰ স্পষ্টিকৰণ বিচাৰিছো। মই বঙালী ভাষাত কোৱা কাৰণে বোধকৰো মন্ত্ৰী মহোদয়ে নুবুজিলে - মই কৈছিলো যে অসমত স্বয়ম্ভু মুখ্যমন্ত্ৰীও আছে, এতিয়া জনাব লাগে। দ্বিতীয় কথা হৈছে পঞ্চায়ত মন্ত্ৰী কেইজন আছে? পঞ্চায়ত মন্ত্ৰী দুজন নেকি? বৰাক ভেলীৰ এজন আৰু ব্ৰহ্মপুত্ৰ ভেলীৰ এজন নেকি? এতিয়া যদি মানুহে সোধে যে পঞ্চায়ত মন্ত্ৰী অমুক, পঞ্চায়ত মন্ত্ৰী কেবিনেট আৰু ৰাজ্যিক কোনো

* Speech not corrected

পাৰ্থক্য নাই নেকি? মন্ত্ৰী হৈ যদি ঠিকাদাৰৰ লিষ্ট লৈ অফিচৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰে তেন্তে মন্ত্ৰীৰ মৰ্যাদা ক'ত থাকে? মই কাৰো বিৰুদ্ধে অভিযোগ কৰিব খোজা নাই কিন্তু প্ৰটোকল বুলি কথা এটা আছে। জনতাৰ প্ৰতিনিধি হিচাৱে ইটো কৰিব নালাগে। ইটো বৰ লাজৰ কথা। আৰু এটা কথা হৈছে বহুত টকা খৰচ কৰিছে বুলি আগতে কৈছো তাৰ প্ৰমাণ মোৰ হাতত আছে। এইবিলাকৰ বিষয়ে তদন্ত হব লাগে যদি মোৰ বিৰুদ্ধেও কৰে আচল কথা ওলাই পৰিব। মুখ্যমন্ত্ৰীৰ নামত টকা সংগ্ৰহ কৰিছে কিন্তু মুখ্যমন্ত্ৰীয়ে পাইছে নে নাই কব নোৱাৰো। (ভইচঃতদন্ত কৰিব দিব লাগে)।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিলাক একেবাৰে অবান্তৰ কথা। একেখন ৰাজ্যতে ২ জন মুখ্যমন্ত্ৰী থাকিব নোৱাৰে। দ্বিতীয়তে, তেখেতে যিটো অসুবিধা পোৱাৰ কথা কৈছে সেইটো স্বাভাবিকতে হবই। এজন প্ৰাক্তন মন্ত্ৰী হোৱাৰ পিচত বহুতো অসুবিধা আহিব পাৰে। কিন্তু আমি যেতিয়া পাবলিক ৰিপ্ৰেজেনটিটিভ হিচাপে আহিছো তেতিয়া জনসাধাৰণৰ স্বাৰ্থৰ কাৰণে ডি, আই, জি অফিচলৈ, কেতিয়াবা ডি, আই অফিচলৈ যাবলগীয়া হয়। মুখ্যমন্ত্ৰী হলেও কেতিয়াবা কাৰোবাৰ ওচৰলৈ যাবই লাগিব। মই প্ৰাক্তন মুখ্যমন্ত্ৰী হোৱাৰ পিচতো এনেদৰে যাবলগীয়া হৈছিল।

Mr. Speaker : Will you Withdraw your cut-motion ?

* শ্ৰীশ্বহিদুল আলম চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কোনো অবান্তৰ কথা কোৱা নাই। গতিকে মুখ্যমন্ত্ৰীয়ে এচোৰেঞ্চ দিছে যেতিয়া মোৰ কাট-মোচনটো উঠাই লৈছো।

Mr. Speaker : Is it the pleasure of the House to grant leave to withdraw the cut-motion ? With the leave of the house the cut-motion is withdraw.

Now Shri Dewan Joynal Abedin, will you please withdraw your cut-motion?

* Shri Dewan Joynal Abedin : Sorry Sir, I cannot withdraw the cut-motion.

Mr. Speaker : Now I put the motion before the house. The motion is "That the total provision of Rs. 1,01,52,000 under Grant No.2 in respect of "Council of Ministers" at pages 1-6 of Volume II Part IV of the Budget be reduced by Rs. 1,01,52,000 do stand reduced by Rs. 100.00". The motion is lost (by voice vote). The cut-motion is lost.

Now Shri Chandra Mohan Patowary, will you withdraw your cut-motion ?

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ২/১ টা কথা কব বিচাৰিছো। কথাটো হ'ল, মই এটা কথাত বেছি জোৰ দি আছো। মুখ্যমন্ত্ৰীয়ে তেখেতৰ ভাষণত কথাটো

* Speech not corrected

অলপ টাচ্ কৰি গৈছে। কিন্তু আমাৰ এই পইচা, চাউল, দালী, লুঙী আদিৰ টেক্সৰ পৰা আহিছে। মন্ত্ৰী সকলে যে গাড়ী বিলাক এনেয়ে ঘূৰাই ফুৰে সেইটো কথা মাননীয় মুখ্যমন্ত্ৰীয়ে উপলব্ধি কৰিছে। তেখেতৰ বক্তৃতাত জনাইছে। এইটোত ষ্ট্ৰিক হব লাগে। আমিও মন্ত্ৰী আছিলো, ফাঁচী বজাৰত গাড়ী লৈ বজাৰ কৰিবলৈ যোৱা নাই। মই নাম নকওঁ চাৰ। (ভইচ - আপোনালোক ক'ত গৈছিল)? আমি চিটি বাচত গৈছিলো। (ভইচ — গৰু গাড়ীত যাব লাগিছিল নেকি?) মই সেইটো কথা কোৱা নাই। ( গণ্ডগোল)

মাননীয় অধ্যক্ষ মহোদয়, এই বিলাক টকা এনেয়ে মিচ ইউজ হৈ আছে। আমি মুখ্যমন্ত্ৰী মহোদয়ে চিকিউৰিটিৰ কাৰণে ৩০ খন গাড়ী ব্যৱহাৰ কৰিলেও আপত্তি নকৰো। বেয়া নেপাওঁ। সেইখিনি কৰক বা ডিষ্ট্ৰিক্টত গলে অফিচাৰ লৈ গলেও আপত্তি নকৰো কিয়নো তালৈ গলে স্পটত কিছুমান কাম কৰিব লাগে। কিন্তু বৰঝাৰলৈ মুখ্যমন্ত্ৰী গলে তালৈ ৩০/৪০ খন গাড়ী গৈ মুখ্যমন্ত্ৰীক তেল মৰাটো আমি পছন্দ নকৰো। এই বিলাক চিৰিয়াচ কথা। মই মুখ্যমন্ত্ৰী মহোদয়ৰ ঘনিষ্ঠ মহলৰ পৰা গম পাইছো যে তেখেতে বৰঝাৰলৈ অন্য মন্ত্ৰী যোৱাতো পছন্দ নকৰে। তেখেতে নেযাবলৈকে কয়। কিন্তু মন্ত্ৰীসকল গৈয়ে আছে। (হুলস্থুল) গতিকে ৰাইজৰ এইবিলাক টকা এনেয়ে মিচ ইউজ হয়। গতিকে এইবিলাক কথা মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। মুখ্যমন্ত্ৰীয়ে তেখেতৰ উত্তৰ বিলাক ভালকৈ কয়, বৰ প্লাইটলি কয়। তেলৰ কথাটো তেখেতে কৈ গৈছে কিন্তু মই কওঁ, আকৌ কৈছো এই ক্ষেত্ৰত ষ্ট্ৰেচ দিব লাগে। মুখ্যমন্ত্ৰী মহোদয়ে যিমানে কৈছে সিমানে তেখেতসকলে গাড়ী দৌৰায়েই আছে। মুখ্যমন্ত্ৰীক তেল মাৰিয়েই আছে। (গন্দগোল)। মাননীয় অধ্যক্ষ মহোদয়, মোৰ নাম কিন্তু চি, এম পাটোৱাৰী, মোৰ নামৰ আগত চি, এমটো আছে। আপোনালোকৰ আশীৰ্বাদ পালে মইও চি, এম হৈ যাব পাৰো। (হুলস্থুল)

Mr. Speaker : Is it the pleasure of the House to grant leave to withdraw the cut-motion ? With the leave of the House the cut-motion is withdrawn. Now I put the Grant No.2 before the House for approval.

The motion is "That a sum of Rs. 1,01,52,000 be granted to the Minister-in-Charge to defray the charges which will come in course of payment during the year ending the 31st March, 1993 for the administration of "Council of Ministers".

The motion is passed. The Grant No. 2 is passed.

Now, Grant No. 3 Minister Law to move.

* Shri Devananda Konwar (Minister Law) : On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs.

---

* Speech not corrected

11,89,59,000 be granted to the Minister-in-charge to defray the charges which will come in caurse of payment during the year ending the 31st march, 1993 for the administration of "Administration of Justice".

Mr. Speaker : There is one Cut Motion in the name of Shri Thaneswar Boro. Now, I request the mover of the Cut Motion to move his Cut Motion.

* শ্ৰীথানেশ্বৰ বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৯২-৯৩ চনৰ মঞ্জুৰীৰ বাবে দাবী সমূহৰ তালিকাৰ ১৫-৩৪ পৃষ্ঠাত থকা ন্যায় প্ৰশাসন শিতানৰ ৩ নম্বৰ দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১১,৮৯,৫৯,০০০ টকাৰ পৰা ১ টকালৈ হ্ৰাস কৰা হওক। অৰ্থাৎ সমুদায় দাবী মঞ্জুৰীৰ ১১,৮৯,৫৯,০০০ টকা ১ টকালৈ হ্ৰাস কৰা হওক।

অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই বেছি দীঘলীয়া বক্তব্য ৰাখিব বিচৰা নাই। কিন্তু এই গ্ৰেন্টৰ ক্ষেত্ৰত কিছুমান বিসঙ্গতি দেখা গৈছে আৰু সেই কাৰণে তেনে ক্ষেত্ৰত অলপ কব বিচাৰিছো। এই গ্ৰেন্টৰ ১৯ নং পৃষ্ঠাত এটা কথা লিখা আছে যে - Page 1-19 of Book of Demands for grants of misellaneous Departments for the year 1992-93. অৰ্থাৎ গুৱাহাটী হাইকোৰ্টৰ বেঞ্চ, ইম্ফল, আগৰতলা আৰু চিলংত আছে কিন্তু তাৰ খৰচটো অসমে বহন কৰিব লাগে। এইটো অসমে বহন কৰিব লাগে কিয়? এই ক্ষেত্ৰত ৯৯ লাখ ৯৩ হাজাৰ টকা খৰচ হব বুলি দেখুউৱা হৈছে। এইবিলাক বেঞ্চ যি যি ৰাজ্যত আছে তেওঁলোকে ইয়াৰ খৰচ বহন কৰিব লাগে। সেই কাৰণে এই বাজেটত এই টকাটো উত্থাপন কৰিব নালাগে আৰু ইয়াৰ কাৰণে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অৱশ্যে তেওঁলোকে এই ক্ষেত্ৰত এটা কথা উত্থাপন কৰিব পাৰে যে যদি সেইটোৱেই হয় তেনেহলে তেওঁলোকক পৃথক হাইকোৰ্ট দিব লাগে। সেইটো কৰিলেও আমাৰ তাত কবলগীয়া নাই। যদি এইবোৰ ৰাজ্যত গুৱাহাটী হাইকোৰ্টৰ বেঞ্চ ৰাখিব বিচাৰে তেনেহলে সেই খৰচতো এন, ই, চি,ৰ যোগেদি খৰচ বহন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অৱশ্যে এন, ই, চিৰ ওপৰত আমাৰ কোনো নিয়ন্ত্ৰণ নাই। তাৰ কাৰণে আমি আৰ্টিকোল ২৬০ মতে আমাৰ ডেভেলপমেন্ট পাৱাৰ আনিব লাগে আৰু ৭ খন ৰাজ্যক লৈ নৰ্থইষ্টাৰ্ন জোনেল কাউন্সিল কৰিব পাৰিলে ৭ জন মুখ্য মন্ত্ৰীৰ ক্ষমতা থাকিব আৰু এন, ই, চিৰ যোগেদি এইটো কৰিব পৰা হব। সেই কাৰণে মই আইন মন্ত্ৰী আৰু মুখ্যমন্ত্ৰী মহোদয়ক বিষয়টোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিলো।

অধ্যক্ষ মহোদয়, আৰু এটা কথা হৈছে, লিগেল এডভাইজাৰ এণ্ড কাউন্সিল সম্পৰ্কত। এই ক্ষেত্ৰত দেখা যায় যে যিবিলাক চৰকাৰী এডভোকেট নিয়োগ কৰা হৈছে

* Speech not corrected

তেওঁলোক চৰকাৰী কেচ বিলাকত সদায় হাৰে। চৰকাৰী কেচবোৰ চোৱাৰ কাৰণে আমি তেওঁলোকক তাত ৰাখিছো কিন্তু তেওঁলোকে কেচবোৰ চিৰিয়াচলি নাচায়। গতিকে এই ব্যৱস্থাটো অলপ চাব লাগে। ইয়াৰ বাহিৰেও যিবিলাক দুখীয়া মানুহে কেচ চলাব নোৱাৰে তেওঁলোকৰ কাৰণে লিগেল এইড কমিটি আছে। এই কমিটিখনেও ঠিকমতে কাম কৰিব পৰা নাই। এই ক্ষেত্ৰত বাজেটত টকা ধৰা হৈছে কিন্তু তাৰ কাম হোৱা নাই। আৰু এটা ব্যৱস্থা আছে, সেইটো হল - লিগেল এইড টু দি একিউজড্। এইটোৰো কিবা কাম হৈছে বুলি মই নাভাবো। ল ইন্‌ষ্টিটিউট ফৰ ইষ্টাৰ্ন ৰিজন নামৰ এটা অনুষ্ঠানৰ নামত ২ লাখ ১২ হাজাৰ টকা ধৰা হৈছে। কিন্তু ইষ্টাৰ্ন ৰিজনত তেনেকুৱা ধৰণৰ কি ইন্‌ষ্টিটিউট আছে সেইটো মই গম পোৱা নাই। ইয়াৰ ফাংচন আমি দেখিবলৈ পোৱা নাই। ইষ্টাৰ্ন ৰিজন বুলি কলে ইয়াৰ মুখ্য কাৰ্য্যালয় কলিকতাত হয়। সেই কাৰণে যদি নৰ্থ-ইষ্টাৰ্ণ ৰিজন বুলি ধৰিছে ইয়াৰ মুখ্য কাৰ্য্যালয় চিলং বা গুৱাহাটীত হব লাগে। এওঁলোকে কেনেকুৱা ধৰণৰ ৰিচাৰ্চ কৰিছে সেইটো চাব লাগে।

অধ্যক্ষ মহোদয়, মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো, সেইটো হৈছে - নতুন কোৰ্ট স্থাপন সম্পৰ্কত। এই ক্ষেত্ৰত কেইখন নতুন কোৰ্ট কৰিব বিচাৰিছে সেইটো গম পোৱা নাই যদিও মোৰ মহকুমা ৰঙিয়াৰ সম্পৰ্কত কওঁ যে ৰঙিয়াত যিটো নতুন কোৰ্ট খোলা হৈছিল সেইটো ৰঙিয়া ব্লক অফিচৰ কেইটামান কোঠা লৈ কৰা হৈছিল। এই নতুন কোৰ্ট বিল্ডিংৰ কাৰণে ৫ বিঘামান মাটিও দিছে। কিন্তু তাত কৰ্'ট বিল্ডিং বন্ধা হোৱা নাই। কৰ্'ট বিল্ডিং নবন্ধাৰ কাৰণে কৰ্'টৰ কামো সুচাৰুৰূপে চলাব পৰা নাই আৰু ইফালে বি, ডি অ'ৰ অফিচৰো কামত নানা অসুবিধা হৈছে। সেই কাৰণে এই ক্ষেত্ৰত সোনকালে ব্যৱস্থা গ্ৰহণ কৰিব বুলি মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

অধ্যক্ষ মহোদয়, আমাৰ কোৰ্টত কেচ বিলাক পাঁচ বছৰ, দহ বছৰতো শেষ নহয়, ২০-৪০ বছৰ লাগি যায়, তথাপিও দিচপোজ নহয়। মই এটা ব্যক্তিগত মতামত প্ৰকাশ কৰিব বিচাৰিছো। কেচ বিলাক সময়মতে দিচপোজ কৰাৰ কাৰণে আইন পাছ কৰাটো ভাল হব। এই কেচ বিলাক ৮ বছৰৰ ভিতৰত নিষ্পত্তি হব লাগে। এইটো নকৰিলে পাবলিকৰ হাৰাশাস্তি হয়। যদি ৮ বছৰত কেচ বিলাক ডিচপোজ হয় তেতিয়া হলে পাবলিকৰ লগতে জাৰ্জ আদি সকলোৰে সহজ হব। এতিয়ালৈকে সময় মতে ধৰা নাই, কেচবিলাক বহুত বছৰ চলি থাকে। এই ক্ষেত্ৰত মই পৰামৰ্শ আগবঢ়াব খুজিছো, আপোনালোকে ভাবিব যে কৰ্ত্তন প্ৰস্তাৱ নিদি কি কব বিচাৰিছে। মই আইনৰ মানুহ নহয়। কিন্তু মই এই ক্ষেত্ৰত কিছু অসুবিধা দেখিবলৈ পাইছো। এই কাৰণে মই বিভাগীয় মন্ত্ৰী মহোদয়ে কাৰ্য্যকৰী ব্যৱস্থা লব বুলি আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Haliram Terang : Mr. Speaker Sir, I will dweel upon only a few points, particularly one issue regarding administration of justice. Sir, the Hon'ble Minister Law, must be aware that judiciary and executive have not been separated in the two hills districts. I am not a student of law but from whatever knowledge I gather and also natural justice says that a man cannot sit upon judgement of his own action.Now what happens in the hills districts is that officers who are from A.C.S. cadre or from I.A.S., they are not only given executive power, they are also given judicial power. Now it happens in course of their duties the officers have to perform some duties say by way of arresting some persons by way of tackling some law and order situation, they may also have to arrest some political leaders. Now the same officer or the same persons who made the arrest also sit upon the judgement against the persons arrested by them. Sir, you will agree with me that the same person should not sit upon judgement of his own action. It looks like a small matter, but great injustice has been done to the hill people. I have been pleading this case with the Govt. of Assam in the last Govt. of Assam. Also I took up the matter with the Law Minister during the last time and he naturally agreed and assured to go ahead with separating judiciary from executive. But Sir, may be, because I did not have a good relations with the ruling party or may be for other relations the matter was dropped. Now, in many hills districts or in many other parts of India, natural justice says that judiciary should be separated from executive. Now, since the Minister himself is a very experienced man with very good background, I will request him to take up the matter to separate the judiciary from executive in Karbi Anglong district and N.C. Hills district and in any other parts of Assam. Thanking you.

* শ্ৰীগিয়াছুদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মই দুষাৰ কবলৈ খুজিছো। এই কাৰণে কব খুজিছো যে এই মঞ্জুৰীৰ লগত নতুনকৈ কিছুমান কথা জৰিত হৈ আছে। এই বিষয়ে আমাৰ মাননীয় সদস্য শ্ৰীটেৰাং ডাঙৰীয়াই অলপ উল্লেখ কৰিছে

* Speech not corrected

যে গণতান্ত্রিক সফল ৰূপায়ণৰ কাৰণে ন্যায় প্ৰসাশনৰ প্ৰশাসকৰ লগত পাৰ্থক্য কৰিব লাগে। নহলে নাগৰিক সকলে ন্যায়িক বিচাৰৰ পৰা বঞ্চিত হোৱাৰ সম্ভাৱনা থাকে। আৰু নীতিগত ভাবে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰিছে বহুত বছৰ আগতে যি জুডিচিয়াৰী একৃজিউকিটিভৰ পৰা পাৰ্থক্য কৰা হ'ল আৰু সেই নীতি আমি স্বাগতম জনাইছো। কাৰণ একৃজিউকিটিভৰ হাতত অৰ্থাৎ চৰকাৰৰ হাতত যদি বিচাৰ থাকে প্ৰশাসনৰ হাতত যদি ন্যায় প্ৰশাসন দিয়া হয়, তেনেহলে অৰাজকতা হোৱাৰ সম্ভৱনা থাকে। জুডিচিয়াৰী নীতিগত ভাবে প্ৰশাসনৰ পৰা পৃথক কৰা হৈছে। আমি ভাল পাইছো। কিন্তু কাৰ্য্য ক্ষেত্ৰত কি পাইছো, যদিও নীতিগত ভাৱে ঘোষণা কৰা হৈছে জুডিচিয়াৰী একৃজিকিউটিভৰ পৰা বেলেগ, তাৰ মানে নিৰ্ভীক ভাবে বিচাৰপতি সকলে বিচাৰ কৰিব পাৰে। কাৰো প্ৰতি ভ্ৰুক্ষেপ নকৰি যাতে বিচাৰ কৰিব পাৰে তাৰ কাৰণে এইটো কৰা হৈছে। এই নিয়ম কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত আমি দুখ পাইছো। সেয়ে আমাৰ আইন মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বাধ্য হৈছো। এটা কথা উল্লেখ কৰিব পাৰি যে ন্যায় প্ৰশাসন এতিয়াও কাৰ্য্যত প্ৰশাসনৰ তলতীয়া হৈ আছে। যেনেকুৱাকৈ এটা কথা শুনি সৰু সৰু যেন লাগে, কিন্তু কথাবিলাক গুৰুত্বপূৰ্ণ। প্ৰতিখন জিলাতে ডিষ্ট্ৰিক্ট জাৰ্জ ডি,চি,ৰ তলত আছে। ডিষ্ট্ৰিক্ট কোৰ্টত বিল্ডিং নাই। ডি,চি, অফিচত বিচাৰক সকল বহিব লাগে। ডি,চি,ৰ একৃজিকিউটিভ বিল্ডিঙত কোৰ্টৰ কোঠা কৰি দিয়া হয়। এইটো সম্পূৰ্ণ ডি,চি, ৰ দয়াৰ ওপৰত নিৰ্ভৰ কৰে। ডি,চি, য়ে যদি কয় গেট আউট, তেতিয়া হলে গেট আউট হব লাগিব। কাৰণ মালিকাণা ডি,চি,ৰহে, ডি,চি,য়ে দয়া কৰি ৰুমত বহিবলৈ দিছিল। মানসিকভাবে ডিষ্ট্ৰিক্ট জাৰ্জ বিলাক ডি,চি,ৰ তলতীয়া হৈ থাকিবলগীয়া হয়। এনেকুৱা আমি লক্ষ্য কৰিছো। বিশেষ কোনো মোকৰ্দমাৰ কাৰণে ডি,চিয়ে ডিষ্ট্ৰিক্ট জাৰ্জক ওপৰ মহলাৰ পৰা টেলিফোন কৰে।

মাননীয় অধ্যক্ষ মহোদয়, ডি চি য়ে ডিষ্ট্ৰিক্ট জাৰ্জক ওপৰ মহলাৰ পৰা টেলিফোন কৰে। নিজৰ একৃজিকিউটিভ পাৱাৰৰ যি মনোভাৱ এইটো ন্যায় বিচাৰৰ কাৰণে সাংঘাতিক বিপদজনক কথা। ডিষ্ট্ৰিক্ট জাৰ্জ যেন ডি চি ৰ টেনেন্ট। দুই নং কথা হ'ল, বিচাৰক সকলৰ সা-সুবিধাৰ কথা, তেওঁলোকৰ এটা 'ষ্টেটাচ' আছে। বিচাৰক সকলৰ চিফ জুডিচিয়েল মেজিষ্ট্ৰেট বা জুডিচিয়েল মেজিষ্ট্ৰেট তেখেতসকলে যিটো পৰ্য্যায়ৰ দৰমহা বা অন্য এলাউঞ্চ আদি এইবিলাকৰ কথা চিন্তা কৰিছো তেওঁলোকৰ সমাজত এটা মৰ্য্যাদা আছে। সেই মৰ্য্যাদা ৰক্ষা কৰি সমাজত চলাফুৰা কৰিব লাগে, সেইখিনিয়ে তেওঁলোকৰ নহয়গৈ। বহুত জুডিচিয়েল মেজিষ্ট্ৰেটে দোকানৰ বাকী খাবলগীয়া হয়। যদি সেই দোকানী জনৰ আদালতত কোনো গোচৰ থাকে তেতিয়া হলে অৱস্থা কি হবগৈ? মানুহৰ কিছুমান 'অব্লিগেশ্যন' থাকে। এই বিচাৰক সকলক কিছু সা-সুবিধা দিব লাগে যে তেওঁলোকে তেওঁলোকৰ পদমৰ্য্যাদা অক্ষুন্ন ৰাখি বিচাৰ কৰিব পাৰে। কিন্তু সেইটো কাৰ্য্যত ব্যৰ্থ হৈছে।

আমি দেখিছো এইবিলাক অভিযোগ উঠে। আজি- কালি দেখিছো সকলো বস্তু কিনিবলৈ পোৱা যায়। আমাৰ সেই ধুবুৰীৰ ফালে এটা 'প্ৰভাৰ্ব' আছে যে যদি টকা থাকে তেতিয়া হলে ৰাজকুৱৰীকো আনিব পৰা যায়। আজি-কালি টকা পইচাৰে সব বস্তু কিনিব পাৰে যেতিয়া ন্যায় বিচাৰো কিনিব পাৰি। অধ্যক্ষ মহোদয়, এই জুডিচিয়েৰী বা ন্যায় বিচাৰ যদি ব্যৰ্থ হৈ যায় তেতিয়াহলে গণতন্ত্ৰ ব্যৰ্থ হৈ যায়, সংবিধান ব্যৰ্থ হৈ যায়, তেতিয়া মানুহৰ প্ৰতি সু-বিচাৰ বন্ধ হৈ যায় ফলত সন্ত্ৰাসবাদক গৰিহনা দিয়াটো বন্ধ হব। মানুহে যাতে ন্যায় বিচাৰৰ ব্যৱস্থা, গণতান্ত্ৰিক ব্যৱস্থা, সাংবিধানিক ব্যৱস্থা এই সকলো বিলাক ব্যৱস্থাৰ মাজত যাতে মানুহে সু-বিচাৰ পায় তাৰ ব্যৱস্থা কৰিব লাগে। নহলে অৱস্থা অধিক বেয়া হৈ যাব। মই এটা সৰু কথাৰ প্ৰতি দৃষ্টি গোচৰ কৰিছো- চৰকাৰৰ বিৰুদ্ধে মোকৰ্দমা হাজাৰ হাজাৰ টা আছে। এই চৰকাৰ বিৰোধী যি বিলাক মোকৰ্দমা চলি আছে, চৰকাৰে চলাবৰ কাৰণে বহুত টকা খৰচ কৰি আছে। আইন মন্ত্ৰী মহোদয়ে নিশ্চয় জনাব পাৰিব। বোধহয় কোটি কোটি টকা খৰচ হব। চৰকাৰৰ বিৰুদ্ধে মোকৰ্দমা কৰিব লগা হয় কিয় ? 'চিভিল প্ৰটেকশ্যন' আইনৰ ৮০ ধাৰাত আছে — চৰকাৰৰ বিৰুদ্ধে মোকৰ্দমা হবলৈ হলে চৰকাৰক দুমাহ আগতে জাননী দিব লাগে। যদিও এইটো নিষ্পত্তি কৰা নাই তেনেহলে চৰকাৰৰ বিৰুদ্ধে ৬০ দিনৰ ভিতৰত নোটিশ কৰা হব। চৰকাৰে এই নোটিশ খন পোৱাৰ লগে লগে যদি নিজে এটা ব্যৱস্থা হাতত লয় তেনেহলে যিমানমোকৰ্দমা হৈছে মই ভবা মতে শতকৰা ৫০ ভাগ মোকৰ্দমানোহোৱা হৈ যাব। এনেকুৱা নোটিশ পোৱাৰ পিচত বিভাগবিলাকে মনে মনে বহি থাকে। কোনো এজন মানুহৰে বিচাৰ কৰাৰ মনোভাব নাই। এনেকুৱা 'চেলেঞ্জিং' মনোভাব লৈ বিভাগে বহি থাকে যি হয় হওক বুলি। চৰকাৰী উকীল আছে। কিছুমান ক্ষেত্ৰত দেখা গৈছে কিছুমান উকীলক যোগ্যতাৰ ভিত্তিত নলয়। চাকৰি যেনেকৈ দিয়ে তেনেকৈ লয়- শাসক দলৰ সমৰ্থক হব লাগিব। এই ক্ষেত্ৰত যোগ্যতাৰ বিচাৰ কৰক। মই মাননীয় মুখ্যমন্ত্ৰীক কব খুজিছো যে মন্ত্ৰীৰ ক্ষেত্ৰটো যোগ্যতাৰ ভিত্তিত লোৱা হোৱা নাই। মন্ত্ৰীৰ সংখ্যা কমালে ভাল হয়। বঢ়ালেও বঢ়াওক কিন্তু যোগ্যতাৰ ভিত্তিত লব লাগে। মই যোগ্যতা নাই বুলি কোনো মন্ত্ৰীৰ নাম ধৰি কব খোজা নাই।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, এইখিনিতে মোৰ এটা কবলগীয়া আছে যে- মাননীয় সদস্যগৰাকীয়ে চৰকাৰৰ মন্ত্ৰীসভাৰ কেইজনৰ যোগ্যতা আছে সেইটোও কৈ দিয়ক।

* শ্ৰীগিয়াছুদ্দিন আহমেদ ঃ অধ্যক্ষ মহোদয়, এইটো মুখ্যমন্ত্ৰীয়ে নিজে কব পাৰিব; তেখেতে নিজে বিচাৰ কৰিব পাৰিব। এই ক্ষেত্ৰত জ্ঞান থাকিব লাগে যদি নাই জনতা ভৱনত কোনোৱা এটা কোঠাতকোচিং ক্লাছ কৰক। এইটো মই প্ৰসঙ্গ ক্ৰমেহে কৈছো। কথাটো হল চৰকাৰৰ বিৰুদ্ধে মোকৰ্দমা হয় সেয়েহে বিভাগ বিলাকে নিজে নিজে চাওঁক। সচাঁকৈ মানুহৰ প্ৰতি অবিচাৰ কৰা হৈছে। বিবেকৰ কথাটো সকলোৰে আছে। হাইকৰ্টৰ জাজ যেনেকৈ হব

* Speech not corrected

লাগে সেইটো নহয়। আইন প্ৰাচ কৰিব লাগে লয়াৰ, এডভকেট হবলৈ। বিচাৰৰ ক্ষেত্ৰত প্ৰত্যেকজন মানুহৰ বিবেক আছে। ডিপাৰ্টমেন্ট বিলাকে নিজে নিজে বিচাৰ কৰিব নোৱাৰে কিয় ? সচাঁকৈ যদি বিভাগ বিলাকে নিজে বিচাৰ কৰে চৰকাৰৰ বিৰুদ্ধে যি বিলাক মোকৰ্দমা আছে তাৰ আধা কমি যাব আৰু চৰকাৰৰ বহুত টকা ৰাহি হব - এইখিনি কৈয়ে মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিছো।

* Shri Parameswar Brahma : Mr. Speaker Sir, I also support the Cut Motion and I only want to draw the attention of the House to a small point that Guwahati High Court is the only High Court in the North-East.

Here Judges are there. I belong to STP and Bodo community. I have been speaking and expressing our concern on many occasions about the discrimination meted out to our community. Now from the inception of the Guwahati High Court, there is not a single Judge appointed from ST (P) or Bodo community in the High Court. Similar is the case of the Hill Community who have been deprived of this opportunity to be appointed in the post of the Judge in the High Court. I do not want to mention about other Plaints tribes. From the Bodo community, there are number of qualified and efficient persons who can be appointed as Judges. I want to know why no Judge is there from our community ? It make me pain that even though we have qualified and efficient persons from our backward community, we have not been represented. So, if we get fair representation, we will be able to share and participate in the legal administration. It is, therefore, high time that this discrimination is removed. On this point, I met the Chief Minister also. Here again, I want to draw the attention of the House and request particularly the Chief Minister and the Law Minister to do Justice to our backward community in respect of appointement of Judges. Even in the cases of APSC and UPSC cadres, STP, ST and SC have been given proper representation. It is, therefore, justified and I hope that the State Govt. will take similar measures for fair representation of the STP in the Gauhati High Court. This is my feeling and the feeling of the Bodo people and other plains tribes.

* Speech not corrected

Lastly, I request the Chief Minister may kindly make a statement in this matter.

* শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কাট-মোচনৰ ক্ষেত্ৰত কেইটামান কথা কব খুজিছোঁ। ইয়াৰ যোগেদি মাননীয় মুখ্যমন্ত্ৰী আৰু মাননীয় আইন মন্ত্ৰীক দৃষ্টি গোচৰ কৰিব খোজো যে অসমৰ বিভিন্ন আদালতত বিশেষ কৈ চাব-ডিভিজন আৰু জিলাৰ হেড কোৱাটাৰ বোৰত একোটাকৈ খণ্ড আদালত গঠন কৰি দিব লাগে।কাৰণ গাওঁৰ দুখীয়া মানুহে হাইকোৰ্টৰ বাৰলৈ বা জাৰ্জৰ ওচৰলৈ অহাত বিশেষ অসুবিধা পায়। কাৰণ দুখীয়া জনসাধাৰণে গুৱাহাটীলৈ আহি বা হাইকোৰ্টলৈ আহি যি ন্যায় বিচাৰ পাব লাগে তাক নাপায়। গতিকে অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ দিনত লোক আদালত কিছুমান খুলি কৰ্টত পৰি থকা হাজাৰ হাজাৰ কেচ্ নিষ্পত্তি কৰাৰ ব্যৱস্থা কৰা হৈছে। কিন্তু আমাৰ দিনতো সেইটো সম্পূৰ্ণ কাৰ্যকৰী হৈ নুঠিল। গতিকে আজিৰ বৰ্ত্তমান চৰকাৰে একোখন থানা সামৰি প্ৰতিটো ৰাজ হুৱা চক্ৰত এজনকৈ চাব-ডিভিজনেল মেজিষ্ট্ৰেট নিয়োগ কৰি নিষ্পত্তি কৰিব পাৰিলে ভাল হয়। আমাৰ মুখ্যমন্ত্ৰী মহোদয় আৰু মাননীয় আইনমন্ত্ৰী মহোদয়ে এই কেইটা কথাৰ চকু দিলে আমাৰ গাৱঁলীয়া ৰাইজৰ উপকাৰ সাধন হ'ব। অধ্যক্ষ মহোদয়, মই আৰু এটা বিষয়ৰ ওপৰত দৃষ্টি আকৰ্ষণ কৰিব খুজিছোঁ যে উকিল এজনৰ লগত কথা পাতিবলৈ আদালতত এখন লাইব্ৰেৰী নাই। মানুহে ভয়তে জাৰ্জৰ ওচৰলৈ নিজৰ গোচৰটো ব্যক্ত কৰিবলৈ নাহে। মাননীয় মুখ্যমন্ত্ৰী আৰু মাননীয় আইন মন্ত্ৰী ডাঙৰীয়াক সেয়েহে অনুৰোধ জনাওঁ যাতে একোখন থানা সামৰি লৈ চাব জুডিচিয়েল মেজিষ্ট্ৰেট একোজনৰ আন্দাৰত একোখন আদালত পাতি দিলে ভাল হয়। মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে আৰু এটা কথা কব বিচাৰো যে এজন উপায়ুক্তৰ মৰ্য্যাদা এজন ডিষ্টিক্ট জাৰ্জৰ সমান আৰু এজন এচিস্টেন্ট ডিষ্ট্ৰিক্ট জাজিৰ মৰ্য্যদা এজন উপায়ুক্তৰ সমান কিন্তু এজন উপায়ুক্তৰ যিখিনি সুবিধা পায় কিন্তু এজন ডিষ্ট্ৰিক্ট জাৰ্জে সেইটো সুবিধা নাপায়। আনহাতে এজন এচিষ্টেন্ট জাৰ্জে যিটো সুবিধা পাব লাগে সেই সুবিধাৰ পৰা বঞ্চিত হৈ আছে। মোৰ ওপৰোক্তো বক্তা মাননীয় গিয়াচুদ্দিন ডাঙৰীয়া দেবে কৈ গৈছে যে কৰ্টৰ একোখন জিলাৰ ডিষ্টিক্ট জাৰ্জ অফিচলৈ গলে তাত দেখা পোৱা যায় যে একোখন বহিবলৈ চকী বা মেজ পোৱা নাযায় কিন্তু তেওঁলোকৰ ষ্টেটাচ এজন উপায়ুক্তৰ সমানেই। তাৰোপৰি একোজন ডিষ্ট্ৰিক্ট মেজিষ্ট্ৰেটে গোটেই জীৱনটো ভাৰা ঘৰতে কটাব লগীয়া হয় কাৰণ তেওঁলোকে ৰেচিডেনচ্ নেপায়। এই খিনিতে অধ্যক্ষ মহোদয় মই আৰু এটা কথা কব বিচাৰিছো যে তেতিয়া ৰাষ্ট্ৰপতিৰ শাসন চলি আছিল আৰু সেই সময়ত ৰাজ্যপাল ডি ডি ঠাকুৰ হাইকোৰ্টলৈ গৈছিল আৰু মই নিজেও তাত উপস্থিত আছিলোঁ আৰু বাৰ এচোচিয়েচনৰ লাইব্ৰেৰীৰ অৱস্থা দেখি তেওঁ কৈছিল যে আপোনালোকৰ কি কি অভাৱ অভিযোগ আছে মোক কওঁক আৰু মই আজি ৰাতিয়েই ইয়াৰ বাবে উপযুক্ত

* Speech not corrected

ব্যৱস্থা গ্ৰহণ কৰিম। তেতিয়া তেখেতে কলে যে মই কেইদিন পিচতেই আপোনালোকৰ ওচৰলৈ আহি আছো কাৰণ মই নিজেই এজন এডভোকেট। তাৰ পিছত এই বিষয়ে বিল্ডিং কনষ্ট্ৰাকচনৰ মুখ্য অভিযন্তা প্ৰমুখ্যে কেবাজনো বিষয়া হাইকোৰ্টলৈ আহি জোখ মাখ লৈ গুচি গ'ল। কিন্তু আজিলৈকে তাৰ কোনো এটা সুবিধা নহল। গতিকে অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে মাননীয় আইনমন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যাতে বাৰ লাইব্ৰেৰী এটাৰ বাবে স্থায়ী কনচ্ট্ৰাকচনৰ ব্যৱস্থা কৰে। (অধ্যক্ষ ডাঙৰীয়াই সভাৰ কাৰ্য্য পাঁচ বজাৰ পৰা পিচদিনা পুৱা নবজালৈ স্থগিত ৰাখে)।

Mr. Speaker : Now, it is 5 p.m. The House stands adjourned till 9 a.m. tomorrow the 26th March, 1992.

## Adjournment

The House then stood adjourned at 5 p.m. till 9 a.m. tomorrow the 26th March, 1992

Dispur
The 25th March, 1992

S.N. Deka
Secretary
Assam Legislative Assembly.

# Annexure - I

## সচিবালয় প্ৰশাসন (সংস্থাপন, বিভাগৰ গাড়ীৰ আৱন্টনৰ তালিকা)

| | | | | |
|---|---|---|---|---|
| ১। | এ এচ ০১ / এ | - | ৮৬৭০ | |
| ২। | এ এচ ০১ / এ | - | ৯৫৫১ | - |
| ৩। | এ এচ ০১ / এ | - | ৯৫৫২ | - মুখ্যমন্ত্ৰী, অসম। |
| ৪। | এ এচ ০১ / এ | - | ৯৯৬৪ | |
| ৫। | এ এচ ০১ / এ | - | ৭২০৯ | - |
| ৬। | এ এচ ০১ / বি | - | ৩৫২৪ | - মন্ত্ৰী, আইন আদি। |
| ৭। | এ এচ ০১ / বি | - | ৩৫২৩ | - মন্ত্ৰী, শক্তি আদি। |
| ৮। | এ এচ ০১ / এ | - | ৭৮৬১ | - মন্ত্ৰী, কৃষি। |
| ৯। | এ এচ ০১ / এ | - | ৭৮৬২ | - মন্ত্ৰী, গড়কাপ্তানী। |
| ১০। | এ এচ ০১ / এ | - | ৭৮৬১ | - মন্ত্ৰী, শিক্ষা। |
| ১১। | এ এচ ০১ / এ | - | ৭৮৬৪ | - মন্ত্ৰী, সমাজ কল্যান। |
| ১২। | এ এচ ০১ / এ | - | ৭৮৬৫ | - মন্ত্ৰী, পাৰ্বত্য অঞ্চল উন্নয়ন। |
| ১৩। | এ এচ ০১ / এ | - | ৭৮৬৬ | - মন্ত্ৰী, জললিঞ্চন। |
| ১৪। | এ এচ ০১ / এ | - | ৭৮৬৭ | - মন্ত্ৰী, উদ্যোগ। |
| ১৫। | এ এচ ০১ / এ | - | ৭৮৭০ | - মন্ত্ৰী, পঞ্চায়ত আদি। |
| ১৬। | এ এচ ০১ / এ | - | ৭৮৭১ | - মন্ত্ৰী, ৰাজহ। |
| ১৭। | এ এচ ০১ / এ | - | ৭৮৭২ | - মন্ত্ৰী, শ্ৰম। |
| ১৮। | এ এচ ০১ / এ | - | ৭৮৭৩ | - মন্ত্ৰী, খাদ্য অসামৰিক যোগান। |

| | | | | | |
|---|---|---|---|---|---|
| ১৯। | এ এচ ০১ / এ | - | ৭৮৭৪ | - | মন্ত্ৰী, ভৈয়াম জনজাতি উন্নয়ন । |
| ২০। | এ এচ ০১ / এ | - | ৭৮৭৫ | - | মন্ত্ৰী, মীন আদি । |
| ২১। | এ এচ ০১ / এ | - | ৭৮৭৬ | - | মন্ত্ৰী, পশুপালন আদি । |
| ২২। | এ এচ ০১ / এ | - | ৯৫৪৮ | - | মন্ত্ৰী, পৰিবহন । |
| ২৩। | এ এচ ০১ / এ | - | ৯৫৮৯ | - | মন্ত্ৰী, সমবায় । |
| ২৪। | এ এচ ০১ / এ | - | ৯৫৫০ | - | মন্ত্ৰী, বাননিয়ন্ত্ৰণ । |
| ২৫। | এ এক্স ০১ / এ | - | ১৪ | - | ৰাজ্যিক মন্ত্ৰী,স্বাস্থ্য |
| ২৬। | এ এচ ০১ / | - | ৭২০৬৪ | - | (বিকল্প গাড়ী) |
| ২৭। | এ এক্স ০১ / | - | ১৫ | - | ৰাজ্যিক শ্ৰম । |
| ২৮। | এ এচ ০১ / বি | - | ৩৫২৫ | - | ৰাজ্যিক পৰিকল্পনা । |
| ২৯। | এ এচ ০১ / | - | ৯৯৬৭ | - | ৰাজ্যিক, সীমান্ত অঞ্চল । |
| ৩০। | এ এচ ০১ / | - | ৯৯৫৭ | - | ৰাজ্যিক, কৃষি । |
| ৩১। | এ এচ ০১ / | - | ৯৯৬০ | - | ৰাজ্যিক, পঞ্চায়ত আদি । |
| ৩২। | এ এচ ০১ / | - | ৯৯৬১ | - | ৰাজ্যিক, বাননিয়ন্ত্ৰণ । |
| ৩৩। | এ এচ ০১ / | - | ৯৯৬৩ | - | ৰাজ্যিক মন্ত্ৰী, ভৈয়াম জনজাতি উন্নয়ন। |
| ৩৪। | এ এচ ০১ / | - | ৯৯৬৫ | - | ৰাজ্যিক মন্ত্ৰী, ৰাজহ । |
| ৩৫। | এ এচ ০১ / | - | ৯৯৬৮ | - | ৰাজ্যিক মন্ত্ৰী, সংখ্যালঘু, পৰিক্ৰমআদি । |
| ৩৬। | এ এচ ০১ / | - | ৯৫৪৭ | - | ৰাজ্যিক মন্ত্ৰী, গড়কাপ্তানী আদি । |
| ৩৭। | এ এচ ০১ / | - | ০০৩২ | - | ৰাজ্যিক মন্ত্ৰী, বন আৰু মীন । |
| ৩৮। | এ এচ ০১ / | - | ৭২০২ | - | ৰাজ্যিক মন্ত্ৰী, সমবায় । |

–(২)–

| | | | | |
|---|---|---|---|---|
| ১। | এ এচ ০১ / এ | - | ৭২০৩ | |
| ২। | এ এচ ০১ / এ | - | ০০৩৩ | |
| ৩। | এ এচ ০১ / এ | - | ৯৯৫৯ | |
| ৪। | এ এচ ০১ / এ | - | ৭১১৫ | |
| ৫। | এ এচ ০১ / এ | - | ৭২০৮ | মন্ত্ৰী সকলৰ বিকল্প গাড়ী হিচাবে |
| ৬। | এ এচ ০১ / এ | - | ৭২০৫ | এচ এ ভিত আছে। |
| ৭। | এ এচ ০১ / এ | - | ৯৯৬৯ | |
| ৮। | এ এচ ০১ / এ | - | ৭২০৭ | |
| ৯। | এ এচ ০১ / এ | - | ৭৮৬০ | |
| ১০। | এ এচ ০১ / এ | - | ১৭২৭ | |
| ১১। | এ এচ ০১ / এ | - | ৭১০৩ | |
| ১২। | এ এচ ০১ / এ | - | ৭২০১ | |
| ১৩। | এ এচ ০১ / এ | - | ৯৯৬২ | - এডভকেট জেনেৰেলৰ লগত আছে। |
| ১৪। | এ এচ ০১ / এ | - | ০০৩৫ | - মেৰামতিৰ কাৰণে কাৰখানাত আছে। |
| ১৫। | এ এচ ০১ / এ | - | ৯৩৮০ | |
| ১৬। | এ এচ ০১ / এ | - | ৮৬২৩ | |
| ১৭। | এ এচ ০১ / এ | - | ৮২ | <u>কিনা দাম ৯৮,৬৭৯.১১ টকা</u> |
| ১৮। | এ এচ ০১ / এ | - | ৩৬৮৮ | কিনা দামতকৈ মেৰামতিত অধিক |
| ১৯। | এ এচ ০১ / এ | - | ৮১৮৬ | খৰচ হোৱাত ‘কনডেম’ লিষ্টত |
| ২০। | এ এচ ০১ / এ | - | ২৬ | অন্তৰভূক্ত কৰা হৈছে। |

| | | | | |
|---|---|---|---|---|
| ২১। | এ এচ ০১ / এ | - | ৮৬২১ | |
| ২২। | এ এচ ০১ / এ | - | ১৯ | |
| ২৩। | এ এচ ০১ / এ | - | ৬৬০২ | <u>কিনা দাম ১৮,৬৭৯.১১ টকা</u> কিনা দামতকৈ মেৰামতিত অধিক খৰচ হোৱাত 'কনডেম' লিষ্টত অন্তৰভূক্ত কৰা হৈছে। |

# Annexure - II

## মেৰামতিৰ সন্দৰ্ভত হোৱা খৰচৰ তালিকা

| | গাড়ী নম্বৰ | ১৯৯০-৯১ | ১৯৯১-৯২ |
|---|---|---|---|
| ১। | এ এচ ০১ / এ | ২৯,৪০৭.৫৭ | ৯,৮০২.৫০ |
| ২। | -ঐ- ০০৩৩ | ২৯,১৭০.১২ | ১০,২০৫.১৩ |
| ৩। | -ঐ- ০০৩৫ | ৩০,০১৬.০৯ | ১১,২০০.১০ |
| ৪। | -ঐ- ৭২০১ | ২৮,৪৫০.১৫ | ৯,৫০২.১২ |
| ৫। | -ঐ- ৭২০২ | ২৭,১৩১.৪০ | ৯,১০০.৪২ |
| ৬। | -ঐ- ৭২০৩ | ২৫,৫২৫.৩৫ | ১০,৪১৮.৫৫ |
| ৭। | -ঐ- ৭৯০৩ | ১৯,৩৬০.০০ | ১৫,২৯১.২১ |
| ৮। | -ঐ- ৭২০৫ | ২১,৬২০.২৫ | ১৩,৩০৬.৩০ |
| ৯। | -ঐ- ৭২০৬ | ২০,৫১৫.১৯ | ১৩,২১৪.০৮ |
| ১০। | -ঐ- ৭২০৭ | ২৬,১১৫.১০ | ২১,০০৪.২৬ |
| ১১। | -ঐ- ৭২০৮ | ২৪,৩৭১.১১ | ১১,৪৪২.০৯ |
| ১২। | -ঐ- ৭২০৯ | ৩১,২১৫.৬৫ | ১৮,৫১৬.৩২ |
| ১৩। | -ঐ- ৯৯৫৮ | ২৫,৩০৭.২৫ | ১০,২৫৪.০৫ |
| ১৪। | -ঐ- ৯৯৫৯ | ১২, ১০৯.৪৫ | ১০,১৩০.১৫ |
| ১৫। | -ঐ- ৯৯৬০ | ৩০,২০৫.১৮ | ৬,১০১.১১ |
| ১৬। | -ঐ- ৯৯৬১ | ২১,৪১১.২৭ | ৭,২১৬.১৫ |
| ১৭। | -ঐ- ৯৯৬২ | ২০,০৪৭.০০ | ৩,৩০০.০০ |

| | গাড়ী নম্বৰ | ১৯৯০-৯১ | ১৯৯১-৯২ |
|---|---|---|---|
| ১৮। | - ঐ - ৯৯৬৩ | ২২,২৪০.২৫ | ১০,২০৫.০১ |
| ১৯। | - ঐ - ৯৯৬৪ | ২৯,২৫১.১৪ | ১০,১২০.২৬ |
| ২০। | - ঐ - ৯৯৬৫ | ২৮,৯০৩২.২৬ | ১১,৮৮৮.২০ |
| ২১। | - ঐ - ৯৯৬৭ | ৩০,১১৮.৯২ | ৮,২৫৩.৯৫ |
| ২২। | - ঐ - ৯৯৬৮ | ২৭,৪১২.৩৫ | ১১,২২১.৩৯ |
| ২৩। | - ঐ - ৯৯৬৯ | ২৩,২৪২.৩৫ | ১৮,৩০০.৩৪ |
| ২৪। | - ঐ - ৭১১৫ | ২৭,৩২১.০০ | ২০,০৩৪.৩২ |
| ২৫। | - ঐ-এক্স এ ২৭২৭ | ৩৪,৫১৫.১২ | ২৩,১২.০৩ |
| ২৬। | - ঐ-এক্স এ ১৪ | ২৫,২১২.৩২ | ১০,১১৯.৩৫ |
| ২৭। | - ঐ - ১৫ | ২৯,২৪০.৩০ | ৮,০০৬.৪১ |
| | | মুঠ - ৭,০৯,৭৩৫.১৪ | মুঠ - ৩,২১,৩৬৫.৭৮ |

—(২)—

২৮। এ এচ ০১ / - ৭২৬০

২৯। এ এচ ০১ / - ৭৮৬১

৩০। এ এচ ০১ / - ৭৮৬২

৩১। এ এচ ০১ / - ৭৮৬৩

৩২। এ এচ ০১ / - ৭৮৬৪

৩৩। এ এচ ০১ / - ৭৮৬৫

৩৪। এ এচ ০১ / - ৭৮৬৬

এই গাড়ী সমূহ যোৱা ১৯৯১ চনৰ জুন, আগষ্ট আৰু চেপ্তেম্বৰৰ মাহত কিনা হৈছে।

| | | | | |
|---|---|---|---|---|
| ৩৫। | এ এচ ০১ / | - | ৭৮৬৭ | এই গাড়ী সমূহ সৰু সুৰা মেৰামতি কৰি থকা |
| ৩৬। | এ এচ ০১ / | - | ৭৮৭০ | হৈছে, কিন্তু কাৰখানা সমূহৰ পৰা এই |
| ৩৭। | এ এচ ০১ / | - | ৭৮৭১ | সংক্ৰান্তত দেয়ক এতিয়াও দাখিল কৰা নাই। |
| ৩৮। | এ এচ ০১ / | - | ৭৮৭২ | |
| ৩৯। | এ এচ ০১ / | - | ৭৮৭৩ | |
| ৪০। | এ এচ ০১ / | - | ৭৮৭৪ | |
| ৪১। | এ এচ ০১ / | - | ৭৮৭৫ | |
| ৪২। | এ এচ ০১ / | - | ৭৮৭৬ | |
| ৪৩। | এ এচ ০১ / | - | ৮৬৭০ | |
| ৪৪। | এ এচ ০১ / | - | ৯৫৪৭ | |
| ৪৫। | এ এচ ০১ / | - | ৯৫৪৮ | |
| ৪৬। | এ এচ ০১ / | - | ৯৫৪৯ | |
| ৪৭। | এ এচ ০১ / | - | ৯৫৫০ | |
| ৪৮। | এ এচ ০১ / | - | ৯৫৫১ | |
| ৪৯। | এ এচ ০১ / | - | ৯৫৫২ | |
| ৫০। | এ এচ ০১ /বি | - | ৩৫২৩ | |
| ৫১। | এ এচ ০১ /বি | - | ৩৫২৪ | এই গাড়ী তিনিখন মাত্ৰ ১৪-৩-৯২ |
| ৫২। | এ এচ ০১ /বি | - | ৩৫২৫ | তাৰিখেহে কিনা হৈছে। |

*****